# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

# BUDGET SESSION

## VOL.-1

NO. 17

The 8th April, 1988

Price, Rs. 22·00

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## 1988.

## CONTENTS

# BUDGET SESSION

VOLUME I. NO. 17.

Dated, the 8th April, 1988.


| | | Page |
|---|---|---|
| 1. | Starred Questions and Answers ... ... | 1 |
| 2. | Unstarred Question and Answers ... ... | 27 |
| 3. | Voting on Demands for Grants ... ... | 69 |
| 4. | Adjournment ... ... | 99 |
| 5. | Annexure I, II, III, IV, V, VI, VII ... | 100 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY.

## FRIDAY, APRIL 8, 1988.

**The House met at 8-30 A. M. in the Assembly Chamber, at Dispur with Mr. Speaker in the Chair.**

## STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

বিষয়ঃ আমগুৰিৰ পৰা নকছাৰিহৈ মৰিয়নী আৰু যোৰহাটলৈ ৰাজ্যিক পৰিবহন নিগমৰ বাছ।

শ্ৰীনৰেন তাঁতীয়ে সুধিছে ঃ

*৩০১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে :

ক) আমগুৰি সমষ্টিৰ আমগুৰিৰ পৰা নকছাৰিহৈ মৰিয়নী আৰু যোৰহাটলৈ ৰাজ্যিক পৰিবহন নিগমৰ বাছ দিব লাগে বুলি ৰাইজে কৰা দাবীৰ সন্দৰ্ভত চৰকাৰে এতিয়ালৈকে কোনো ধৰণৰ ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) বৰ্ত্তমানে সেই পথত প্ৰায় ৩৩ খন বেচৰকাৰী বাচ চলি থকাত ৰাষ্ট্ৰীয় কৰণৰ ব্যৱস্থা লোৱা হোৱা নাই আৰু ৰাজ্যিক পৰিবহন নিগমৰ বাচ প্ৰৱৰ্ত্তন কৰা নাই।

শ্ৰীনৰেন তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটো বাকী ৰাস্তা বিলাকতকৈ ভাল গতিকে তাত চৰকাৰী বাচ চলাচল কৰাৰ কথা সুধিছোঁ, বেচৰকাৰী বাচৰ কথা মই কোৱা নাই। ষ্টেট ট্ৰেন্সপোৰ্ট বাচ চলাৰ সম্পৰ্কে প্ৰশ্নটো কৰিছিলো সেইটো মন্ত্ৰী মহোদয়ে জনাবনে কেতিয়াকৈ এই ব্যৱস্থা কৰিব পাৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি নিগমৰ তৰফৰ পৰা ব্যৱস্থা লবৰ বাবে ইতিমধ্যেই জৰীপ আদিৰ কাম চলোৱা হৈছে, গতিকে আশা কৰোঁ অতি সোনকালেই তাত পৰিবহন নিগমৰ বাচ চলিব পাৰিব।

Shri Ardhendu Kr. Dey : Mr. Speaker Sir, will the honourable Minister kindly tell us in this House whether he would consider plying of transport bus in the Lanka-Lumding route when it is completed. An assurance was given by the Minister in the House last year in this regard.

Mr. Speaker : A separate question is required. Order, Order, No. Starred Question. No. 302.

বিষয়ঃ ছয়গাওঁ গুমী গড়কাপ্তানী পথ।

ডাঃ কমলা কলিতাই সুধিছে ঃ

* ৩০২। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কামৰূপ জিলাৰ ছয়গাওঁ সমষ্টিৰ ছয়গাওঁ গুমী গড়কাপ্তানী পথটো পলাশবাৰী গুমী প্ৰকল্পৰ কামত ব্যৱহাৰ কৰিবলৈ বান-নিয়ন্ত্ৰণ বিভাগে গড়কাপ্তানী বিভাগৰ পৰা কেতিয়া লৈছিল ?

খ) এই পথটোত বাননিয়ন্ত্ৰণ বিভাগে কিমান টকা খৰছ কৰিছে ?

গ) বৰ্তমান উক্ত পথটো কোন বিভাগৰ হাতত আছে ?

ঘ) যদি বাননিয়ন্ত্ৰণ বিভাগে গড়কাপ্তানী বিভাগক এৰি দিছে তেন্তে কেতিয়া এৰি দিয়া হৈছে ?

শ্ৰীছামছিং হাঞ্চে, ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) ১৯৮৫ চনৰ মে মাহৰ পৰাই বাননিয়ন্ত্ৰণ বিভাগে পলাশবাৰী গুমী প্ৰকল্পৰ কামত ব্যৱহাৰ কৰিবলৈ লয়।

খ) এই বিভাগে ব্যৱহাৰ কৰা সময় খিনিত মেৰামতিৰ বাবে ১২ লাখ ৩৯ হাজাৰ টকা খৰছ হয়।

গ) গড়কাপ্তানী বিভাগৰ হাতত আছে।

ঘ) প্ৰকল্পৰ কাম শেষ হোৱাৰ বাবে ১।১।৮৮ তাৰিখৰ পৰা এই বিভাগে পথটোৰ মেৰামতিৰ দায়িত্ব এৰি দিছে।

শ্ৰীকমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ৰাস্তাটোৰ কাৰণে বাননিয়ন্ত্ৰণ বিভাগে কিমান টকা খৰছ কৰিছে ? এই খৰছৰ ভিতৰত কিমান টকা মাষ্টাৰ ৰোলৰ কাৰণে কৰিছে ? কিমান টকা এমপ্লয়ীৰ কাৰণে আৰু কিমান টকা মেটেল আদিৰ খৰছ কৰিছে বেলেগ বেলেগ মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীছামছিং হাঞ্চে ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ছয়গাওঁ গুমী গড়কাপ্তানী ৰাস্তাটো সৰ্ব্বমুঠ ৬ কিঃ মিঃ দীঘল। যোৱা ২ বছৰ ৮ মাহ ধৰি আমাৰ প্ৰকল্পৰ কাম চলিছে সেয়ে এই ৰাস্তাটোৰ ওপৰেদি

আমাৰ বিভাগৰ গাড়ী মটৰ আদি চলাচল কৰিছে। সেই কাৰণেই মেৰামতিৰ দায়িত্ব আমি নিজেই লৈছো আৰু এই কামৰ কাৰণে সৰ্ব্বমুঠ খৰছ ১২ লাখ ৩৯ হাজাৰ টকা খৰছ হৈছে। তাৰ ভিতৰত চেইলিং বল্ডাৰৰ কাৰণে ৩২ লাখ আৰু সৰু সৰু শিল গুটিৰ কাৰণে ১০.৫২ লাখ খৰছ হৈছে আৰু লগতে ৫ খন দলং দিয়া হৈছে, এই দলংত খৰছ হৈছে ১.৭ লাখ টকা। সৰ্ব্বমুঠ ১২ লাখ ৩৯ হাজাৰ টকা এই ধৰণৰ হিচাপত দেখুৱা হৈছে।

শ্ৰীকমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো বৰ গুৰুত্বপূৰ্ণ এই কাৰণেই যে ৰাস্তাটো ৬ কিঃ মিঃ আৰু ১৯৮৬ চনতে এই ৰাস্তাটোৰ কাৰণে ১৩ লাখ টকা খৰছ কৰিছে। এতিয়া বাননিয়ন্ত্ৰণ বিভাগে এই ৰাস্তাটো গড়কাপ্তানী বিভাগক এৰি দিম বুলি কৈছে কিন্তু সেই বিভাগে এতিয়াও ৰাস্তাটো লোৱা নাই। নোলোৱাৰ কাৰণটো হৈছে গড়কাপ্তানী বিভাগে যি অৱস্থাত ৰাস্তাটো এৰি দিছিল বাননিয়ন্ত্ৰণ বিভাগে এৰি দিয়াৰ সময়ত ৰাস্তাটো সেই অৱস্থাত নাই কাৰণেই লোৱা নাই। গতিকে ৬ কি. মিঃ ৰাস্তাত ১৩ লাখ টকা খৰচ কৰাৰ পিচতো কিন্তু এই ৰাস্তাটোত গাড়ী, মটৰ বা এম্বাচেদৰ গাড়ী চলিব পৰা অৱস্থাত নাই। গতিকে এই ক্ষেত্ৰত দুৰ্নীতি হোৱা বুলি আমাৰ অনুমান হয়। গতিকে এই ৰাস্তাটোৰ সম্পৰ্কে মন্ত্ৰী মহোদয়ে এটা তদন্ত কৰিবনে?

শ্ৰীছামছিং হাঞ্চে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, উক্ত ৰাস্তাটো ৬ কি: মি: নহয় চাৰে ছয় কি: মি: হে আৰু ১৩ লাখ টকা নহয় ১২ লাখ ৩৯ হাজাৰ টকা। মই মাননীয় সদস্যক জনাব খুজিছোঁ যে সেই ৰাস্তাটো ইতিমধ্যে গড়কাপ্তানী বিভাগৰ কেচা ৰাস্তা আছিল। অকমানহে মেৰামতি কৰা আছিল। কিন্তু আমাৰ বিভাগে কামৰ বাবে ট্ৰাক আদি চলোৱাৰ কাৰণে আমি নিজেই দায়িত্ব লৈ মেৰামতিৰ কাম কৰি দিছোঁ। ইতিমধ্যে পি ডব্লিউ ডি য়ে এই ৰাস্তাটোত পকী কাম কৰা আৰম্ভ কৰিছে আৰু ১ কি: মি: ৰাস্তা পকী কৰা হৈছেই।

শ্ৰীকমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগক কোন তাৰিখত ৰাস্তাটো দিয়া হৈছিল মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীছামছিং হাঞ্চে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো লোৱাৰ কথা নহয়। আমি যোৱা মে' মাহত উক্ত ৰাস্তাটোৰ কাম কৰিছোঁ আৰু ৩১ ডিচেম্বৰত ১৯৮৭ চনত কাম শেষ কৰিছোঁ। ১ তাৰিখে আমি ৰাস্তাটো মেৰামতিৰ পিচত এৰি দিছোঁ। গড়কাপ্তানী বিভাগে ইতিমধ্যেই

পকী কৰাৰ কাম আৰম্ভ কৰিছে সেয়ে ৰাস্তাটো এতিয়া সেই বিভাগৰ হাতত আছে বুলি জনা যায়।

শ্ৰীদেবেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, কামৰূপ জিলাৰ ধাৰাপুৰ, গুৱাহাটী ইত্যাদি ঠাই বিলাকত বানপানী হৈ আছে সেই বিলাকৰ ওপৰত কিবা ব্যৱস্থা লব নেকি মন্ত্ৰী মহোদয়ে জনাবনে ?

মাননীয় অধ্যক্ষ : এইটোৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীহলিৰাম টেৰাং : গড়কাপ্তানী বিভাগৰ পৰা বাননিয়ন্ত্ৰণ বিভাগে যদি পথ লব পাৰে বা এনেদৰে লয় তেনেহলে বাননিয়ন্ত্ৰণ বিভাগৰ পৰা গড়কাপ্তানী বিভাগলৈ মথাউৰি কেইটামান পথ কৰিবলৈ দিব পাৰে নেকি ?

শ্ৰীছামচিং হান্সে, ( মন্ত্ৰী ) : আকৌ এবাৰ কব লাগে।

শ্ৰীহলিৰাম টেৰাং : বাননিয়ন্ত্ৰণ বিভাগে গড়কাপ্তানী বিভাগৰ পৰা যি ধৰণে পথ নিজৰ কামৰ কাৰণে লৈছে ঠিক সেই ধৰণে বাননিয়ন্ত্ৰণ বিভাগে এই বিভাগৰ পৰা মথাউৰি কেইটামান গড়কাপ্তানী বিভাগৰ পথ হিচাবে ব্যৱহাৰ কৰিবলৈ দিব পাৰেনে ?

শ্ৰীছামচিং হান্সে, ( মন্ত্ৰী ) : গড়কাপ্তানী বিভাগক নিদিয়ে সকলোৰে কাৰণে দিয়া হয় আৰু সকলোৱে ব্যৱহাৰ কৰে।

শ্ৰীদুৰ্গা দাস বড়ো : এক কিলোমিটাৰ পাক্কা হৈ গৈছেহি এই ৰাস্তাটো।

শ্ৰীহলিৰাম টেৰাং : অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে বাননিয়ন্ত্ৰণ বিভাগে গড়কাপ্তানী বিভাগৰ ৰাস্তা ব্যৱহাৰ কৰিবলৈ লোৱাৰ দৰে গড়কাপ্তানী বিভাগকো ব্যৱহাৰ কৰিবলৈ বাননিয়ন্ত্ৰণ বিভাগৰ মথাউৰি কেইটামান এৰি দিবনে ?

শ্ৰীছামচিং হান্সে, ( মন্ত্ৰী ) : গড়কাপ্তানী বিভাগে বিচাৰিলে মথাউৰি এৰি দিব পাৰি।

শ্ৰীহলিৰাম টেৰাং : যদি মন্ত্ৰী মহোদয়ে পাৰে বুলি কয় তেনেহলে এই সদনতে মই প্ৰশ্ন কৰিছিলো কপিলিৰ পাৰৰ মথাউৰিটোৰ কাৰণে যি খিনি নৰ্মচ্ লাগে সেইখিনি ৰাখি ৰাস্তাৰ কাৰণে ব্যৱহাৰ কৰিবলৈ দিব লাগে বুলি আৰু তেতিয়া নহব বুলি কৈছিল। যদি এতিয়া হয় বুলি কয় তেনেহলে এতিয়া সেই মথাউৰিটো বাইজক ৰাস্তাৰ কাৰণে ব্যৱহাৰ কৰিবলৈ এৰি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীছামচিং হান্সে, ( মন্ত্ৰী ) : আমি উপযাচি দিব নোৱাৰো। গড়কাপ্তানী বিভাগে বিচাৰিলে দিব পাৰি।

শ্ৰীহলিৰাম টেৰাং ঃ অধ্যক্ষ মহোদয়, এইটোৰ কাৰণে মই বাৰম্বাৰ দৰ্খাস্ত দিছো। বিধায়ক হিচাবেও দিছো কিন্তু এতিয়া পৰ্য্যন্ত এবি দিয়া নাই।

শ্ৰীছামচিং হান্সে, ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, সুকীয়াকৈ প্ৰশ্ন কৰিলেও গড়কাপ্তানী বিভাগে আমাক বিচৰা নাই। বিচাৰিলে দি দিম।

## বিষয় ঃ ধিং সমষ্টিত বিদ্যুৎ যোগান।

শ্ৰীশ্বহীদুল ইছলামে সুধিছে ঃ

* ৩০৩। মাননীয় ৰিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধিং সমষ্টিত কিমান খন গাৱঁত বিদ্যুৎ যোগান ধৰা হৈছে ?

(খ) উক্ত গাওঁবিলাকৰ নাম কি ?

(গ) ধিং সমষ্টিৰ কোন কোন গাওঁ বিদ্যুৎ যোগানৰ আচনিত অন্তৰ্ভুক্ত হোৱা নাই ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( শক্তি ( বিদ্যুৎ ) আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ধিং থানাত ৬৬ খন, ৰূপহীহাত থানাত ১৬১ খন আৰু লাহৰিঘাট থানাত ১৮৯ খন গাঁৱত ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহলৈকে বিদ্যুৎ যোগান ধৰা হৈছে।

(খ) উক্ত গাওঁ বিলাকৰ নামৰ তালিকা অতি সোনকালে সদনত দিয়া হব।

(গ) ধিং থানাৰ ৫ খন, ৰূপহীহাত থানাৰ ১০ খন আৰু লাহৰিঘাট থানাৰ ২৫ খন গাওঁ বিদ্যুৎ যোগান আচনিত অন্তৰ্ভুক্ত হোৱা নাই। গাওঁবোৰৰ নামৰ তালিকা অনুবদ্ধ ( ১ ) ত গাথি দিয়া হ'ল। ( See at Annexure I )

শ্ৰীশ্বহীদুল ইচলাম ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ৰিদ্যুতিকৰণ কৰা হৈছে কিন্তু মোৰ প্ৰশ্ন হৈছে কাৰেণ্ট যে যায় গোটেই ৰাতি আশা নিৰাশাৰ মাজত থাকোতে ৰাতি পুৱাই যায় তাৰ কাৰণে কি ব্যৱস্থা কৰিছে আৰু মোৰ দ্বিতীয় প্ৰশ্ন হৈছে দুই তিনিটা খুটি পুতি অথচ কাৰেণ্টৰ ব্যৱস্থা নাই আৰু অফিচাৰ সকলক কৈ কৈ ভাগৰি পৰিছো গতিকে বিদ্যুত বিভাগক তাৰ পৰা উদ্ধাৰ কৰাৰ কাৰণে চৰকাৰে বিষয়া সকলক লৈ আৰু শতকৰা

পঞ্চাশ ভাগ প্ৰাইভেট পাৰ্টিক দি আৰু শতকৰা পঞ্চাশ ভাগ বিদ্যুত পৰিষদৰ কাৰণে ৰাখি হলেও এই বিভাগটোক উদ্ধাৰ কৰাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, তেনেকুৱা ব্যৱস্থাৰ কথা আহিব নোৱাৰে। বিদ্যুত যোগানৰ কাৰণে যিমান পৰা যায় উন্নতি কৰিবলৈ ব্যৱস্থা লোৱা হৈছে আৰু ভৱিষ্যতেও ইয়াৰ ওপৰত আৰু ব্যৱস্থা লোৱা হৈ থাকিব। তেখেতৰ প্ৰশ্ন দুটা ইয়াৰ লগত সংলগ্ন নাছিল যদিও মই উত্তৰ দিছো।

( Starred Question No. 304 was not called for. )

**বিষয় ঃ কঠালগুৰিৰ গেছ টাৰবাইন তাপ বিদ্যুৎ কেন্দ্ৰ।**

শ্ৰীকুসুম্বৰ টাইৰাই গগৈয়ে সুধিছেঃ

* ৩০৫। মাননীয় শক্তিবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডুলীয়াজান সমষ্টিৰ অন্তৰ্গত কঠালগুৰিত প্ৰস্তাৱিত প্ৰায় ৫৮০ মেগাৱটৰ গেছ টাৰবাইন তাপ বিদ্যুৎ কেন্দ্ৰটো স্থাপন কৰিবলৈ নেপকো ( NEEPCO ) A. S. E. B ক দিয়া হৈছে ?

(খ) উক্ত উদ্যোগটিৰ কাম কেতিয়া আৰম্ভ হ'ব আৰু কিমান কৰ্ম্মচাৰী নিযুক্তি দিয়া হ'ব ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( শক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) কঠালগুৰিত ৫৮০ মেগাৱট গেছ টাৰবাইন তাপ বিদ্যুৎ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ নাই, অৱশ্যে ২৮০ মেগাৱত শক্তিৰ এটা তাপ বিদ্যুৎ কেন্দ্ৰ উক্ত ঠাইত স্থাপনৰ বাবে পৰিকল্পনা আয়োগে অনুমোদন দিছে। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ নিৰ্ম্মানৰ কাম NEEPCO ক দিছে, কিন্তু ৰাজ্য চৰকাৰে কামটো অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক দিবৰ বাবে অনুৰোধ জনাইছে।

(খ) বৰ্ত্তমানে জনা নাযায়।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, কঠালগুৰিত প্ৰস্তাৱিত ২৮০ মেগাৱট গেচ টাৰবাইন প্ৰকল্পটো নেপকোক দিয়া বুলি জনৰৱ উঠিছে আৰু এই লৈ বিদ্যুত পৰিষদ আৰু ছাত্ৰ সন্থাই আন্দোলনৰ কাৰ্য্য-সুচী

হাতত লৈছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ইতিমধ্যে এই প্ৰকল্পটো নেপকোক দিয়া হ'ল নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে এই কথা ইয়াৰ আগতে প্ৰশ্নৰ সন্দৰ্ভত উত্থাপিত হৈছিল আৰু আমি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিছিলো। কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় পৰ্য্যায়ত নেপকোক দিয়াৰ কাৰণে মত পোষণ কৰিছিল আৰু তাৰ প্ৰতিবাদকল্পে আমি আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মই নিজেও কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা বিলোচনা কৰি থকা স্বত্বেও কোনো সদিছামূলক সমাধান পোৱা নাই।

শ্ৰীহৰিৰাম টেৰাং ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে কঠালগুৰিৰ ২৮০ মেগাৱট গেচ টাৰবাইন প্ৰকল্পটো নেপকোক দিয়াটো থাতাং হোৱা নাই। অসম চৰকাৰে যিহেতু অসম ৰাজ্যিক বিদ্যুত পৰিষদক দিয়াৰ কাৰণে কৈছে আৰু আমিও কওঁ অসমৰ সম্পদ অসমতে ব্যৱহাৰ হব লাগে আৰু এই সম্পৰ্কত কঠালগুৰি প্ৰকল্প দাবী কমিটি বুলি এটা কমিটি কৰি আন্দোলনো গঢ়ি উঠিছে এই পৰিপ্ৰেক্ষিতত অসম চৰকাৰে পুনৰ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা উত্থাপন কৰিব নেকি ? এইটো নেপকোক নিদি অসম ৰাজ্যিক বিদ্যুত পৰিষদক দিব লাগে, এইটো আমাৰ সম্পদ আমাৰ কাৰণে ব্যৱহাৰ হব লাগে। এইটোৰ ওপৰত হস্তক্ষেপ কৰিব দিব নালাগে আৰু এইটোত দৃঢ় ভাবে লাগিব লাগে। তেনে ধৰণে মেঘালয় আৰু নগালেণ্ডতো দিছে।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( মন্ত্ৰী ) ঃ মই ধন্যবাদ দিছো। মই এইটো স্পষ্ট ভাবে কৈছো যে কেন্দ্ৰীয় চৰকাৰৰ লগত বহুবাৰ আলোচনা বিলোচনা কৰিছোঁ যদিও তেওঁলোকে আমাৰ পক্ষ সমৰ্থন কৰা নাই। তথাপিও আমাৰ ফালৰ পৰা দাবী উত্থাপন কৰি আছো।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক কব খুজিছো যে আমাৰ ফালৰ পৰা চৰকাৰী ভাবে নেপকোক নিদি এ-এচ-ই-বিক দিয়াৰ কাৰণে এটা প্ৰস্তাব চৰকাৰী ভাবে এই সদনত আনিব নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহেমেন দাসৰ প্ৰশ্নৰ লগত মই একমত যিহেতু প্ৰকৃতাৰ্থত অসমৰ সম্পদ অসমতে ব্যৱহৃত হব লাগে অসমৰ ৰাজ্যিক বিদ্যুত পৰিষদক দিব লাগে এইটোত আমাৰ আপত্তি নাই।

শ্ৰীহেমেন দাস ঃ প্ৰস্তাৰ এটা আনিব লাগে। সদনৰ যোগে দাবী

জনাব পৰা হব ।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : ধন্যবাদ । মইও প্ৰস্তাৱ গৃহীত হোৱা বিচাৰিছো ।

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, যিহেতু নেপকোৱে কাম কৰিবলৈ লৈছে আৰু তেওঁলোকক যিহেতু কাম কৰিবলৈ দিয়া হৈছেই গতিকে প্ৰস্তাৱ লোৱাৰ সলনি কাম কৰিবলৈ ধৰাৰ আগতে ইন্‌জাংচন দি কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ ওপৰত বৰ্ত্তমান কাম বন্ধ কৰিব লাগে । নহলে নেপকোৱে কাম আৰম্ভ কৰিব পাৰে ।

মাননীয় অধ্যক্ষ : **An injunction can be given by the court of Law only.**

শ্ৰীজয়নাথ শৰ্ম্মা : এইটো গভৰ্ণমেণ্টে কৰিব ।

শ্ৰীকুসুম্বৰ টাইৰাই গগৈ : নেপকোৰ তৰফৰ পৰা সুকীয়াকৈ প্ৰকল্পৰ কাম আৰম্ভ কৰিছে । ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত এই বিষয়টো আলোচনা কৰা বুলি কৈছে কিন্তু আলোচনাৰ পিচতো কেন্দ্ৰীয় চৰকাৰে নেপকোক দিয়াৰ পিচৰ পৰিস্থিতিত বিভিন্ন সংগঠনে আন্দোলন কৰাৰ পিচত আৰু কেন্দ্ৰীয় চৰকাৰক যোগাযোগ কৰা নাই বুলি জানিব পাৰিছো । গতিকে অসম ৰাজ্যিক বিদ্যুত পৰিষদক দিয়াৰ কাৰণে আৰু প্ৰাৰম্ভিক কাৰ্য্য অসমৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে আৰু যিহেতু অসমৰ স্বাৰ্থ নষিমুৱ কৰিবলৈ ওলাইছে এই ক্ষেত্ৰত ক্ষীপ্ৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ৰ তৰফৰ পৰা লবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই এইটো কৈছোৱেই যে আমাৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ লগত যি বিলাক যোগাযোগ চলোৱা হৈছে আৰু যিহেতু কথাটো হাউচত ওলাইছে ইয়াৰ বাবে জোৰ-দাৰদি কেন্দ্ৰীয় চৰকাৰৰ লগত আকৌ আলোচনা কৰিম ।

Shri A. F. Golam Osmani : Sir, the consensus of the House, it appears, is in favour of a resolution to give work to lessee. Will the Government be pleased to enlighten the House as to whether this matter was discussed in the meeting of the N. E. C ? As we understand, Sir, the money earmarked for power generation within the ambit of NEC has been allotted against the Scheme. My second point is

that whether Assam Government is aware of the fact or rather whether they have any such fact at the disposal to show that the Government of India has taken a very grim view of the capacity of the ASEB to execute the work in view of the inordinate delay in executing Langpi-Barapani power project by ASEB ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে প্ৰশ্ন কৰিছে এন, ই, চিত আলোচনা হৈছে নে নাই, তেখেতে কোৱা মতে ইয়াৰ পিচত আৰু হোৱা নাই ।

Shri A. F. Golam Osmani : My point is that whether an impression has guided the Government of India to give this work to NEPCO in view of the incapability or inefficiency or inordinate delay made by the State Electricity Board in executing the lower Langpi power project.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এই গেচটাৰবাইন প্ৰকল্পটো স্থাপন কৰাৰ অভিজ্ঞতা অসম ৰাজ্যখনৰ আছে বুলি ভাৰত চৰকাৰে স্বীকাৰ কৰিছে কিন্তু হাইডেল প্ৰোজেক্টৰ কথাটো বেলেগ । এইটো কেন্দ্ৰীয় চৰকাৰে একচেতিয়া ভাবে লৈছে আৰু ইয়াত ৰাজ্য চৰকাৰৰ হাত নাই ।

শ্ৰীভৰত চন্দ্ৰ নৰহ : কঠালগুৰী প্ৰকল্পটো স্থাপন কৰা সম্পৰ্কত আমাৰ প্ৰস্তাৱ লোৱা এনেয়ে পলম হৈছে, সেই কাৰণে আমি ইনজাংশ্যন বা যদি প্ৰস্তাৱ লও তেতিয়াহলে এই প্ৰকল্পটো স্থাপন কৰাত বাধাপ্ৰাপ্ত হৰ । নেপকোই ইতিমধ্যে প্ৰস্তাৱ লৈ কাম আৰম্ভ কৰিছেই । গতিকে এইটো বিবেচনা কৰিব লাগে ।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এইটো পৰীক্ষা-নিৰিক্ষা কৰি পিছত জনোৱা হব । মই আমাৰ মুখ্য মন্ত্ৰী মহোদয়ৰ লগত এই বিষয়ে আলোচনা কৰিছো আৰু ভাৰত চৰকাৰকো বহুবাৰ জনাইছো । যিহেতু অসমত গেচ আছে সেয়েহে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক এই প্ৰকল্পটো দিব লাগে । গতিকে এনে ক্ষেত্ৰত যদি এগমেণ্ট এটিটিউদ লয় তেতিয়াহলে জোৰ-জবৰদস্তী কৰিটো কাম কৰিব নোৱাৰি । তেনেকৈ কাম কৰিলে প্ৰকল্পটো স্থাপন কৰাত বাধাপ্ৰাপ্ত হৈ যাব । আমাৰ মাননীয় সদস্য

হেমেন দাস ডাঙৰীয়াই যিটো পৰামৰ্শ আগবঢ়াইছে সেই বিষয়ে আলোচনা কৰি চাম।

বিষয়: সমবায় বিভাগত কণিষ্ঠ পৰিদৰ্শকৰ পৰা অতিৰিক্ত পঞ্জীয়ক পৰ্য্যায়লৈ খালি থকা পদ।

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে:

*৩০৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) সমবায় বিভাগত কণিষ্ঠ পৰিদৰ্শক / হিচাব পৰীক্ষক পৰ্য্যায়ৰ পৰা অতিৰিক্ত পঞ্জীয়ক পৰ্য্যায়লৈ প্ৰত্যেক পৰ্য্যায়ৰ কিমান পদ খালি আছে আৰু কিমান পদ কিমান বছৰ ধৰি খালি আছে?

(খ) উক্ত খালি পদবোৰ পূৰণ নকৰাৰ কাৰণ?

(গ) উক্ত খালি পদবোৰ পূৰণ কৰাৰ বাবে কিবা কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছেনে আৰু যদি হৈছে, কেতিয়ামানে পূৰণ কৰাৰ আশা আছে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) উত্তৰ তলৰ ফৰ্মত দিয়া হৈছে।

| খালি পদৰ নাম | খালি পদৰ সংখ্যা | | | |
|---|---|---|---|---|
| | এবছৰ কাল | এবছৰ অধিক | দুই বছৰৰ অধিক | তিনি বছৰৰ অধিক |
| (১) কণিষ্ঠ হিচাব পৰিদৰ্শক/পৰীক্ষক | ৫৩ | — | — | ১০০ |
| (২) অধীনস্থ অভিযন্তা | — | — | — | ৪ |
| (৩) জ্যেষ্ঠ হিচাব পৰিদৰ্শক / পৰীক্ষক | ১৩ | — | — | — |
| (৪) প্লেনিং এণ্ড ৰিচাৰ্চ এচিষ্টেণ্ট | — | — | — | ২ |
| (৫) সহ পঞ্জীয়ক | ৮ | — | — | — |
| (৬) সহকাৰী পঞ্জীয়ক | — | ৩৫ | — | — |
| (৭) উপ-পঞ্জীয়ক | ৪ | — | — | — |
| (৮) যুটীয়া-পঞ্জীয়ক | | | | |
| (ক) বিভাগীয়-১<br>(খ) অসম সেৱা সন্থা-১ | ২ | — | — | — |

| খালি পদৰ নাম | খালি পদৰ সংখ্যা | | | |
|---|---|---|---|---|
| | এবছৰ কাল | এবছৰৰ অধিক | দুই বছৰৰ অধিক | তিনিবছৰৰ অধিক |
| (৯) অতিৰিক্ত পঞ্জীয়ক | — | ২ | — | — |
| (১০) ষ্টেটিষ্টিকেল অফিচাৰ | — | — | — | ১ |
| (১১) সমবায় শিক্ষা বিষয়া | — | — | — | ১ |
| (১২) কাৰ্য্যবাহী অভিযন্তা | — | — | — | ১ |

(খ)। (১) তিনি বছৰৰ ওপৰকাল খালি হৈ থকা কনিষ্ঠ পৰিদৰ্শকৰ পদবোৰ পূৰণ কৰাৰ কাৰণে ১৯৮৩-১৯৮৫ চনত যাবতীয় ব্যৱস্থা লোৱা হৈছিল যদিও অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত বহুতো যোগ্য ব্যক্তিয়ে নানান কাৰণত অংশ গ্ৰহণ কৰিব নোৱাৰাৰ হেতু পুণৰ বিজ্ঞাপন দিয়া হয়, আৰু সেইমতে বৰ্ত্তমান লিখিত আৰু মৌখিক পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীৰ বাচনিৰ কাম চলি আছে।

(২) কিছু জ্যেষ্ঠ হিচাব পৰিদৰ্শক / পৰীক্ষকক সহ পঞ্জীয়কলৈ প্ৰমোচন দিয়া হৈছিল। উক্ত প্ৰমোচনৰ নিয়মীয়াকৰণ ( Regularisation ) অসম লোক সেৱা আয়োগৰ অনুমোদন ক্ৰমে হ'ব লাগে। এনে নিয়মীয়াকৰণৰ পলম হোৱাত উক্ত সহ পঞ্জীয়কসকলক সহকাৰী পঞ্জীয়কলৈ প্ৰমোচন দিব পৰা হোৱা নাছিল। ইতিমধ্যে এনে কিছু প্ৰমোচনৰ নিয়মীয়াকৰণ হৈছে আৰু সেইমতে সহকাৰী পঞ্জীয়কৰ পদ কিছু সোনকালে পূৰণ কৰা হ'ব।

(৩) অতিৰিক্ত পঞ্জীয়কৰ পদ দুটা নতুনকৈ সৃষ্টি কৰা হৈছে। পূৰণ কৰা পদ্ধতি সম্পৰ্কে বৰ্ত্তমান কৰ্মচাৰী বিভাগৰ লগত যোগাযোগ চলি আছে।

(৪) বাকী খালি পদসমূহ পূৰণ কৰিবৰ বাবে ব্যৱস্থা চলি আছে।

(গ)। (খ) ত উল্লেখ কৰা মতে ব্যৱস্থা লোৱা হৈছে আৰু যিমান সম্ভৱ সোনকালে পূৰণ কৰাৰ চেষ্টা কৰা হ'ব।

কুমাৰ দীপক দাস : মাননীয় অধ্যক্ষ মহোদয়, যিহেতু যথেষ্ট খিনি পদ এতিয়াও খালি আছে আৰু তিনিবছৰ ধৰি এই পদবিলাক খালি হৈ আছে, সেয়েহে ডিপাৰ্টমেণ্ট চলোৱাত যদি অসুবিধা হোৱা নাই তেতিয়াহলে এই পদ বিলাক চাৰেণ্ডাৰ কৰাটো ভাল হব নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : তেনেকুৱা প্ৰশ্ন হব নোৱাৰে, বহুতো অসুবিধা থকাৰ কাৰণে আমি এই পদবিলাক পূৰণ কৰিব পৰা নাই।

কুমাৰ দীপক দাস : যিহেতু তিনি বছৰ এই পদবিলাক খালি হৈ আছে তেনেক্ষেত্ৰত দিপাৰ্টমেণ্ট কেনেকৈ চলিছে ? সেই কাৰণেই মই এই কথাটো কৈছো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : এই বিষয়ে মই আপোনাক এটা কথা কব বিচাৰিছো যে এই পদবিলাক পূৰণ কৰাৰ কাৰণে আগতে জাননী দি নিয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছিল কিন্তু অসম আন্দোলনৰ সমাপ্তিৰ পিছত যেতিয়া আমি প্ৰাৰ্থী সকলৰ বয়স ছবছৰ কাল বৃদ্ধি কৰি দিয়াৰ সিদ্ধান্ত ললো তেতিয়া আমি পুনৰ বিজ্ঞাপন দিব লগা হ'ল। পুনৰ বিজ্ঞাপন দিয়াৰ কাৰণে এই পদ বিলাক পূৰণ কৰাত কিছু পলম হ'ল। এই পদ বিলাক পূৰণ কৰাৰ কাৰণে ব্যৱস্থা কৰি থকা হৈছে।

## বিষয় : ববদিকৰাই জলসিঞ্চন প্ৰকল্প

শ্ৰীৰবীন শইকীয়াই সুধিছে :

* ৩০৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শোণিতপুৰ জিলাৰ ববদিকৰাই জলসিঞ্চন প্ৰকল্পটোত ৩ টা ( বাই পাছ) কৰি নিৰ্ম্মান কৰা হৈছিল নেকি ?

(খ) যদি হৈছিল, কি উদ্দেশ্য আগত ৰাখি কৰা হৈছিল ?

(গ) এই জলসিঞ্চন প্ৰকল্পটোৰ পৰা জলবিদ্যুৎ উৎপন্ন কৰাৰ বাবে জল-বিদ্যুৎ প্ৰকল্প স্থাপন কৰিব নেকি ?

(ঘ) এই বিষয়ে শক্তি দপ্তৰৰ লগত আলোচনা কৰি কাৰ্য্যকৰী ব্যৱস্থা হাতত লবনে ?

শ্ৰীপবিন্দ্ৰ ডেকা ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) জলবিদ্যুৎ উৎপন্ন কৰাৰ বাবে।

(গ) সম্ভাবনা আছে।

(ঘ) হয়, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ লগত এই বিষয়ে যোগাযোগ কৰি থকা হৈছে।

শ্ৰীৰবীন শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ উত্তৰ যদিও জলসিঞ্চন মন্ত্ৰীৰ পৰা জানিব বিচৰা হৈছে তথাপি বিদ্যুৎ বিভাগৰ মন্ত্ৰীৰ পৰা ববদিকৰাই জলসিঞ্চন আচঁনিৰ পৰা এই বিদ্যুৎ প্ৰকল্পটো স্থাপন কৰাৰ ক্ষেত্ৰত আৰু তাৰ

পৰা ৪ মেগাওৱাট বিদ্যুৎ শক্তি উৎপাদন হব আৰু সেই বিদ্যুৎতে গোটেই অসমত প্ৰভাৱ পেলাব নোৱাৰে আৰু সেই কাৰণে এ, এচ, ই, বিয়ে ব্যৱস্থা কৰিব পৰা নাই বুলি জনাইছে, এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। বিদ্যুৎ বিভাগৰ লগত বিলেণ্যান আছে কাৰণে এই কথাখিনি কৈছো।

মাননীয় অধ্যক্ষ : আপুনি আন এটা প্ৰশ্নৰ ওপৰত পৰিপূৰক প্ৰশ্ন উত্থাপন কৰিব নোৱাৰে।

Hon. Member is to ask question to the Hon. Irrigation Minister. You cannot discuss the Unstarred Question here. You can put supplementary question on Starred Question only.

শ্ৰীৰবীন্ শইকীয়া : মই এইটো কথা উনুকিয়াইহে দিছো। আমাৰ জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে বিদ্যুৎ বিভাগৰ মন্ত্ৰীৰ লগত এই সম্পৰ্কে আলোচনা কৰিলে ভাল হয়।

শ্ৰীপবিন্দ্ৰ ডেকা : অধ্যক্ষ মহোদয়, তাত ৪ মেগাওৱাট বিদ্যুৎ শক্তি উৎপাদন কৰাৰ ব্যৱস্থা আছে আৰু এই ব্যৱস্থাটো কাৰ্যকৰীকৰণ কৰাৰ কাৰণে শক্তি আৰু বিদ্যুৎ মন্ত্ৰীৰ লগত আলোচনা কৰিম আৰু বিদ্যুৎ পৰিষদৰ লগত যোগাযোগ কৰা হৈছে।

## বিষয় : পানী তোলা উন্নয়ন খন্দৰ অন্তৰ্গত মিণি ষ্টেডিয়াম নিৰ্মাণ।

শ্ৰীভবেন বৰুৱাই সুধিছে :

* ৩০৮। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চাবুৱা বিধান সভা সমষ্টিৰ পানী তোলা উন্নয়ন খন্দৰ অন্তৰ্গত নিৰ্মাণ কৰিবলৈ লোৱা মিনি ষ্টেডিয়ামৰ কাম কেতিয়া আৰম্ভ হব ?

(খ) কি কাৰণত নিৰ্মাণৰ কাম ইমান পলম হৈছে ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ ( ক্ৰীড়া আৰু যুৱকল্যান মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) মাটিৰ আৱন্তন সম্পূৰ্ণ ৰূপে পোৱাৰ পিছত।

(খ) মাটিৰ আৱন্তন সময় মতে নোপোৱাৰ বাবে।

শ্ৰীভবেন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে মিনি ষ্টেডিয়ামৰ বাবে নিম্নতম কিমান বিঘা মাটিৰ প্ৰয়োজন হয় ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মাটিৰ তেনে ধৰণৰ কোনো ধৰাবন্ধা নিয়ম নাই তথাপি কমেও ১৬ বিঘা মাটি হলে মিনি ষ্টেডিয়াম নিৰ্মাণৰ কাৰণে সুবিধা হয় ।

শ্ৰীদেৱ কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, আমি বাতৰি কাকতত পোৱা মতে ২৫ খন মিনি ষ্টেডিয়াম নিৰ্মাণ কৰা হব বুলি কোৱা হৈছিল আৰু যোৱা এবছৰ আগতে এই সম্পৰ্কত গ্ৰাণ্টও দিয়া হৈছিল । কিন্তু পি, ডব্লিউ, ডি ৰ হেমাহিৰ কাৰণে তাত কোনো কাম হোৱা নাই । গতিকে এবছৰ ধৰি এই গ্ৰাণ্ট বিলাক হেন্দ আপ হৈ আছে । এইক্ষেত্ৰত ব্যৱস্থা লব নেকি ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ (মন্ত্ৰী) : এই কথাটো আমাৰ দৃষ্টি গোচৰ হৈছে আৰু প্ৰশাসনীয় দিশত পৰ্য্যালোচনা চলি আছে । আমি এই পৰ্য্যবেক্ষণ কৰি অতি শীঘ্ৰে ইয়াৰ ব্যৱস্থা ল'ম ।

শ্ৰীভবেন বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে মাটি আবংটন সম্পূৰ্নৰূপে পোৱাৰ পাচত ইয়াৰ ব্যৱস্থা লোৱা হব । কিন্ত মই জনাব বিচাৰিছো যে যোৱা ১৯৮৭ চনৰ মে মাহতেই ২০ বিঘা মাটি বিভাগক দিয়া হৈছে । এই বিষয়ে মন্ত্ৰী মহোদয় অবগতনে ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ ( মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে চাবুৱাত মিনি ষ্টেডিয়ামৰ কাৰণে ১ লাখ টকা ডিব্ৰুগড়ৰ উপায়ুক্তৰ হাতত জমা দিয়া হৈছে ।

## Re : Rural Indebtedness.

Shri Holiram Terang, asked :

*309. Will the Minister, Cooperation, be pleased to state :

1. The steps taken by the Government for relief of rural Indebtedness ?

2. The interest rate permitted by the Government for lending money and crops in rural areas ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) The Assam Rural Indebtedness Act, 1975, কাৰ্য্যকৰী হোৱাৰ দিনৰ পৰা এই আইনৰ অধীনত সুবিধা পাব পৰা লোক সমূহ বিশেষকৈ অনুসূচীত জাতি, অনুসূচীত জনজাতি, উপায়ন্ত কৃষক ও ভূমিহীন শ্ৰমিকক ঋণৰ পৰা মুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰদেয় ঋণৰ ওপৰত মৰেতৰিয়াম দিয়া হৈছে, আদালতত চলি থকা গোচৰ / ডিক্ৰি সমূহক অকাৰ্য্যকৰী কৰা হৈছে। ঋণ আদায়ৰ বাবে সকলো তৰিব লগা গোচৰ ২ বছৰৰ কাৰণে নিষিদ্ধ কৰা হৈছে। প্ৰয়োজন অনুসৰি এই নিষেধাজ্ঞা ২ বছৰৰ অধিক কাললৈ বঢ়োৱাৰ ব্যৱস্থা এই আইনত চামিল কৰা হৈছে। মৰেতৰিয়ামৰ কাল চোৱাত ধৰুৱা সকলক সুদ দিয়াৰ পৰা অব্যাহতি দিয়া হৈছে। ধৰুৱাক বন্ধকী সম্পত্তি ঘূৰাই দিয়া আৰু এনে ক্ষেত্ৰত ঋণ আদায়ৰ ৫ (পাঁচ) বছৰৰ ভিতৰত ধৰুৱাক ঋণ মুক্ত ঘোষণা কৰাৰ ব্যৱস্থা কৰা হৈছে। ধাৰ দিওঁতাৰ ওচৰত থকা বন্ধকী অস্থাৱৰ সম্পত্তি ততালিকে ধৰুৱাক ঘূৰাই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

খ) কৃষি ঋণ চৰকাৰে নিদিয়ে। কৃষি ঋণ Commercial / Nationalised আৰু সমবায় বেংকে NABARD এ বান্ধি দিয়া সুদৰ হাৰত দি থাকে।

কৃষি ঋণৰ ওপৰত বেংকে লোৱা প্ৰচলিত সুদৰ হাৰ তলত দিয়া ধৰণৰ।

| হ্ৰস্ব ম্যাদী কৃষি ঋণ | সমবায় সমিতিৰ পৰা বেংক সমূহে লোৱা বছৰেকীয়া সুদৰ হাৰ শতকৰা | সমবায় সমিতিৰ সদস্য সকলৰ পৰা সমবায় সমিতি সমূহে লোৱা বছৰেকীয়া সুদৰ হাৰ শতকৰা |
|---|---|---|
| (১) ৫০০০ টকালৈকে | ১০·০০ টকা | ১১·৫০ টকা |
| (২) ৫০০০ টকাৰ ওপৰৰ পৰা ১০,০০০ টকালৈকে | ১০·৫০ টকা | ১২·৫০ টকা |
| (৩) ১০,০০০ টকাৰ ওপৰৰ পৰা ২০,০০০ টকালৈকে | ১২·৫০ টকা | ১২·৫০ টকাৰ পৰা ১৪·০০ টকা |
| (৪) ২৫,০০০ টকাৰ পৰা | ১২·৫০ টকা | ১৪·০০ টকাৰ পৰা ১৫·৫০ টকা |

শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'ক' প্ৰশ্নৰ উত্তৰ প্ৰায় ঠিকেই দিছে কিন্তু 'খ' প্ৰশ্নটো আচলতে বেলেগ ধৰণৰ আছিল। 'কুৱেচন ইজ এবাউট দি ইণ্টাৰেষ্ট ৰেট পাৰ্মিটেড বাই দি গভৰ্ণমেণ্ট ফৰ লেণ্ডিং মানি এণ্ড ক্ৰপচ্ ইন ৰুৰেল এৰিয়াচ' ইয়াৰ দুটা দিশ আছে—এটা হৈছে চৰকাৰে দিয়া ঋণ আৰু আনটো হ'ল বেচৰকাৰী ঋণ। 'হোৱাট আই ওৱানটেড টু নো ইজ—হোৱাট ইজ ডি মিনিমাম অৰ মেক্সিমাম এমাউন্ট অৱ ইণ্টাৰেষ্ট পাৰমিটেড বাই দি গভৰ্ণমেণ্ট টু বি টেকেন বাই দি প্ৰাইভেট মানি লেণ্ডাৰচ 'ইন ভিলেজেচ' ? ইয়াৰ লগতে প্ৰশ্ন কৰোতে আগতে মুখ্য মন্ত্ৰী মহোদয়ে উত্তৰ দিছিল, অসমত কেইজন মানি লেণ্ডাৰক পাৰ্মিট দিয়া হৈছিল। ঠিক তেনে ধৰণে অসমৰ গাওঁ অঞ্চলত কৃষিৰ ক্ষেত্ৰত কিমান সুদৰ হাৰত টকা ঋণ দিবলৈ এলাউ কৰা হৈছে। আচলতে মই বেঙ্ক বা নামবাৰ্ডৰ জৰিয়তে কিমান সুদৰ হাৰত দিয়া হৈছে সেইটো বিচৰা নাই। মই বিচাৰিছো ব্যক্তিগত মানুহ বিলাকে ধাৰ দিওঁতে কিমান হাৰৰ সুদত দিয়ে আৰু এই বিষয়ে কি ব্যৱস্থা লৈছে।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মাননীয় সদস্য গৰাকীয়ে প্ৰশ্নটো অলপ টেকনিকেলী কৰিছে। আমাৰ গাওঁ অঞ্চলত যি সকল কৃষক আছে সেই সকলক সমবায় সমিতি সমূহৰ জৰিয়তে ঋণ দিয়া হয় অৰ্থাৎ বেঙ্কে সমবায় সমিতি সমূহক ঋণ দিয়ে আৰু সমবায় সমিতিৰ সদস্য সকলে সমবায়ৰ পৰা লয় আৰু নিয়ম অনুসৰিয়েই ব্যৱস্থা কৰা হৈছে। তেখেতে যিটো বিচাৰিছে সেইটো ভালধৰণে উত্থাপন কৰিলে তাৰ উত্তৰ দিব পৰা যাব।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটোত কোৱা হৈছে যি সকল মহাজনে গাওঁ অঞ্চলত ঋণ দিয়ে তেওঁলোকে কিমান সুদৰ হাৰত দিয়ে। আমি জনামতে শতকৰা ১২'৫০ টকা হাৰ সুদত দিয়ে আৰু এই নিয়মেই গাওঁ অঞ্চলত চলি আছে। এতিয়া কথা হ'ল এই মানি লেণ্ডৰ সকল ৰেজিষ্টাৰ্ড হব লাগে নেকি ? গাওঁ অঞ্চলত মহাজনৰ সুদৰ হাৰত দুখীয়া ৰাইজ জৰ্জৰিত হৈছে। গতিকে তেওঁলোকৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : এই ক্ষেত্ৰত মই কৈছোৱেই যে ১৯৭৫ চনৰ 'ডি আসাম ৰুৰেল ইনডেবটেডনেচ এক্ট' মতে ব্যৱস্থা লোৱা হৈছে। কাবুলী বা তেনেধৰণৰ টকা ধাৰ দিওতা লোক গাৱঁত সোমাই অধিক হাৰৰ সুদত টকা দুখীয়া কৃষকক ঋণ দি সৰ্ব্বশ্ৰান্ত কৰিব নোৱাৰে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা এই আইনৰ দ্বাৰা লোৱা হব।

Mr. SPEAKER : Next Question No. 310 to be put by Hon. Member, Shri Jabbar.

**Re : Scheme to Protect the Villages.**

Shri Abdul Jabbar asked :

* 310. Will the Minister, Flood Control be pleased to state :

(a) Whether the Government is considering any scheme to protect the villages of either side of the Tangni river ( also known as daipan river ) ?

(b) Whether the Government is aware that Kakalbhangi river has already eroded vast areas ?

শ্ৰীছামছিং হাঞ্চে ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) নহয় ।

(খ) হয় জানে ।

শ্ৰীআব্দুল জব্বৰ : অধ্যক্ষ মহোদয়, এই টাঙনী নদীখন 4 টা সমষ্টিৰ মাজেৰে বৈ গৈছে । মাননীয় মন্ত্ৰী মহোদয়ে অহা বানপানীৰ আগে আগে গড়া খহনীয়াৰ প্ৰতিৰোধ কৰাৰ ব্যৱস্থা লব নেকি ?

শ্ৰীছামছিং হাঞ্চে ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি স্কীমৰ কথা কৈছে সেইটো আমি টি এ চি মিটিঙত উত্থাপন কৰিছিলো । টি এ চি য়ে ৰিকমেন্দ নকৰিলে লব পৰা নাযাব ।

শ্ৰীআব্দুল জব্বৰ : মাননীয় অধ্যক্ষ মহোদয়, এই নদীখন 4 টা সমষ্টিৰ মাজেৰে গৈছে যেতিয়া হাজাৰ হাজাৰ বিঘা মাটি ক্ষতিগ্ৰস্ত হৈছে আৰু গড়াখহনীয়াৰ কবলত পৰিছে । গতিকে সেইটো গুৰুত্বৰ কথা হৈছে । অহা বানপানীৰ আগতে এই স্কীমটো লোৱাৰ বাবে চেষ্টা কৰাৰ তেখেতে আশ্বাস দিব নেকি ?

শ্ৰীছামছিং হাঞ্চে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয় আমাৰ বিভাগৰ তথ্য

মতে হাজাৰ হাজাৰ বিঘা মাটি নহয়, ৫০ বিঘা মাটিহে গৈছে ।

শ্ৰীআব্দুল জব্বৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, বহুত বছৰ ধৰি গড়াখহনীয়া চলি আছে । সেইটো নতুন নহয় । অৱশ্যে ককালভাঙা নদীৰ গড়াখহনীয়া কম ।

শ্ৰীছামছিং হাঞ্চে ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, অকল টাঙনী নদীৰ খহনীয়া নহয় আৰু তিনিটা নদীত গড়াখহনীয়া চলি আছে ।

## বিষয় ঃ গড়াখহনীয়াৰ পৰা মালিবাৰী বজাৰ ৰক্ষা কৰাৰ ব্যৱস্থা ।

শ্ৰীগোপীনাথ দাসে সুধিছে ঃ

*৩১১ । মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত "নতুন মালিবাৰী বজাৰখন" জলজলী নদীৰ গড়াখহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে চৰকাৰে অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

খ) যদি কৰে তেন্তে কেতিয়া কৰিব ?

গ) যদি নকৰে তেন্তে ইয়াৰ কাৰণ কি ?

শ্ৰীছামছিং হাঞ্চে, ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) "নতুন মালিবাৰী বজাৰখন" প্ৰতিৰক্ষাৰ বাবে এখন আঁচনি নৱম কাৰিকৰী উপদেষ্টা সমিতিৰ অনুমোদন হৈ আছে যদিও বিত্তীয় অভাৱৰ কাৰণে সোনকালে কাৰ্য্যকৰী কৰিব পৰা নহব ।

খ) প্ৰশ্ন নুঠে ।

গ) প্ৰশ্ন নুঠে ।

শ্ৰীগোপীনাথ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বজাৰখন কৃষিজাত সামগ্ৰী বেচা কিনা গুৰুত্বপূৰ্ণ বজাৰ । মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে মিটিঙত পাছ হৈ আছে । টকাৰ কাৰণে কাম কৰিব পৰা নাই । অহা বানপানীৰ আগে আগে স্কীম কৰাৰ কাৰণে ব্যৱস্থা কৰিব নেকি ?

শ্ৰীছামছিং হাঞ্চে ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, আমাৰ হাতত যেতিয়া টকা পইচা নাথাকে তেতিয়া আশ্বাস দি থাকিলে নহব । সেই কাৰণে মই কৰিব

পৰা নাযাব বুলি কৈছো।

শ্ৰীগোপী নাথ দাস : মাননীয় অধ্যক্ষ মহোদয়, এইখন এখন গুৰুত্বপূৰ্ণ বজাৰ। এই বজাৰখন দুই এবছৰৰ ভিতৰতে ধ্বংস হৈ যাব। মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব নে?

শ্ৰীছামছিং হাঞ্চে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো যে এটা গুৰুত্বপূৰ্ণ কথা এইটো সচা। কিন্তু টকা পইচাৰ অভাবৰ কাৰণে কৰিব পৰা নাই।

## বিষয় : শদিয়াত জল পৰিবহনৰ কাৰ্য্যালয় স্থাপন।

8th April

শ্ৰীমতী জ্যোৎস্না সোনোৱালে সুধিছে :

* ৩১২। মাননীয় জলপৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শদিয়া মহকুমালৈ বা শদিয়া মহকুমাৰ পৰা অহা যোৱা কৰাত একমাত্ৰ জল পৰিবহন ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰিব লগা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে জল পৰিবহনৰ নাওঁ আৰু পাৰঘাটৰ উন্নয়নৰ কি ব্যৱস্থা চৰকাৰে লৈছে?

(গ) শদিয়া মহকুমাত জলপৰিবহনৰ কাৰ্য্যালয় স্থাপন চৰকাৰে কৰিব নে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) শদিয়া-চৈখোৱা আৰু চৈখোৱা-পাগলাম এই দুটা পাৰঘাটৰ আভ্যন্তৰিন জলপৰিবহন বিভাগে মুঠতে বৰ্ত্তমানে ৬ খন নাঁও চলায় আৰু কেইখনমান নাওঁ দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(গ) এতিয়ালৈ তেনে প্ৰস্তাৱ হোৱা নাই।

শ্ৰীমতী জ্যোৎস্না সোনোৱাল : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে ৬ খন নাওঁ আছে। এই নাওঁকেইখন খৰালীত লাগি ধৰে আৰু বাৰিষাও নচলে। ইতিমধ্যে ১৭ জন মানুহ মৃত্যুমুখত পৰিছে। ইয়াক লৈ এটা জীৱন মৰণৰ অৱস্থা হৈ পৰিছে। গতিকে মই মন্ত্ৰী মহোদয়ক

অনুৰোধ কৰিছো যাতে ব্ৰহ্মপুত্ৰৰ ওপৰত চলিব পৰা পৰ্য্যায়ৰ নাওঁ যোগান ধৰা হয়। যদি আমি নাওঁ নেপাও তেতিয়া হলে মোৰ নিজৰে মৃত্যু হব। জলসিঞ্চনৰ কাৰ্য্যালয় ডিব্ৰুগড়ত আছে কিন্তু শদিয়াত নাই বৰ্ত্তমান শদিয়াত এটা কাৰ্য্যালয় স্থাপনৰ ব্যৱস্থা কৰিব নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মাননীয় সদস্যা গৰাকীয়ে যি প্ৰশ্ন কৰিছে কথাটো এনে ধৰণৰ—আমি বিপদ হোৱাটো নিবিচাৰো। বিপদ কেতিয়া আহিব সেইটো কোনেও কব নোৱাৰে যদি কোনোবাই বিপদ আহিব বুলি জানে তেওঁ নাস্তিক হব লাগিব। শদিয়া আৰু চৈখোৱাত এইখিনি সুবিধা দিয়া হৈছে। তথাপি এই কথাটো উল্লেখ কৰিছে যেতিয়া মই নিশ্চয় চাম। তাত আৰু কেনেদৰে বেছি সুবিধা দিব পৰা যায় তাৰ কাৰণে আমি যত্ন কৰি চাম। বানপানী শুকাই গলে নাওঁ নচলা হয়েই কাৰণ নাওঁ বান্ধিত লাগি ধৰে। গতিকে নাওঁখন যাব নোৱাৰে। আমি যাতে তেখেতক ভাল সুবিধা দিব পাৰো বিশেষকৈ মহিলাক প্ৰথম সুবিধা দিবৰ কাৰণে ব্যৱস্থা লম। ১৭ জন লোক মৰিছে বুলি যি অভিযোগ কৰা হৈছে আচলতে তেওঁলোক অৰুনাচলৰ মানুহ আৰু অৰুনাচলৰ নাওঁ।

শ্ৰীমতী জ্যোৎস্না সোনোৱাল : মাননীয় অধ্যক্ষ মহোদয়, বিপদ আগতীয়াকৈ জনাটো নাস্তিকৰ কথা নহয়। মন্ত্ৰী মহোদয়ে নাৱঁৰে যোৱা নাই। শদিয়ালৈ নাৱঁত গলে গম পালেহেতেন।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই এতিয়ালৈকে ৫ বাৰ গৈছো। আগতে এবাৰ নাৱঁৰে গৈছিলো। তেতিয়া মই মন্ত্ৰী হোৱা নাছিলো। যি হেতু আমাৰ মাননীয়া সদস্যা গৰাকীয়ে কৈছে, তাত সুবিধা দিবৰ কাৰণে ব্যৱস্থা কৰিম।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, যিহেতু শদিয়া মহকুমাটোৰ লগতে অৰুনাচল লাগি আছে সেয়ে প্ৰতিৰোধৰ ফালৰ পৰা গুৰুত্বপূৰ্ণ। গতিকে এইটো কথা বুজিব পৰা গৈছে চেণ্ট্ৰেল গৰ্ভনমেণ্টৰ পৰা কিছুমান টকা আছে এন ই ছিৰ পৰা ইয়াক কৰাৰ ব্যৱস্থা নাই। কিন্তু ইয়াৰ লগত শদিয়া অৰুনাচল জৰিত আছে। গোটেই ভাৰতবৰ্ষৰ মানুহ অৰুনাচললৈ যায়। সেই কাৰণে শদিয়া অঞ্চলৰ পৰা অহা যোৱা কৰিছে। ( হাঁহিৰ ৰোল উঠে )

মাননীয় অধ্যক্ষ : আপোনাৰ প্ৰশ্নটো কি ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে কথাটো ভালকৈ নুশুনিলে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব কেনেকৈ ? মই কৈছো অৰুনাচল জৰিত আছে। সেই কাৰণে চেণ্ট্ৰেল গভৰ্ণমেণ্টৰ এন. ই. চি, ৰ পৰা টকা পাব লাগে। এনে ধৰনৰ ঘাটৰ উন্নতি হব লাগে।

মাননীয় অধ্যক্ষ মহোদয় : আপুনি কি ঘাটৰ কথা কৈছে, ভালকৈ কওক।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী : অধ্যক্ষ মহোদয়, এন, ই, চি, যোগে চেণ্ট্ৰেল গভৰ্নমেন্টৰ পৰা যি টকা পায়, সেইটোৰ দ্বাৰা ঘাটৰ উন্নতি হব লাগে। মই এইটোহে কৈছো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ঠিকেই কৈছে। আমি চেণ্ট্ৰেল গভৰ্ণমেন্টৰ লগত যোগাযোগ কৰিছো। আপোনালোকেও যোগাযোগ কৰক। সকলোৰে সহযোগত নিশ্চই টকা কেইটা পোৱা যাব। তেতিয়াহে ভাল হব।

**Starred Ouestion No. 313 was not called for.**

## বিষয় ঃ বুঢ়ীসুতীৰ নদীৰ গড়াখহনীয়া ৰোধ।

**শ্ৰীগনেশ বড়োয়ে সুধিছে :**

* ৩১৪। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ জিলাৰ বুঢ়ীসুতী নদীৰ গড়াখহনীয়া ৰোধ কৰিবৰ বাবে স্থানীয় বিধায়কৰ অনুমোদন সহ দিয়া ৰাইজৰ আবেদনৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) এই বিষয়ে কি কাৰ্য্যকৰী ব্যৱস্থা লৈছে ?

(গ) যদি লোৱা নাই অনুগ্ৰহ কৰি অতি সোনকালে কিবা ব্যৱস্থা লবনে ?

**শ্ৰীছামছিং হাঞ্চে ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) নৱম কাৰিকৰী উপদেষ্টা সমিতিত এই অঞ্চলৰ ৰক্ষণা-বেক্ষণৰ কাৰণে এখন আচনি অনুমোদন হয় যদিও বিত্তীয় অভাৱত আচনিখন কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই।

(গ) বিত্তীয় স্বচ্ছলতা সাপেক্ষে বিবেচনা কৰা হব।

শ্ৰীগনেশ বড়ো : মাননীয় অধ্যক্ষ মহোদয়, কোক্ৰাঝাৰৰ এই বুঢ়িসুতি নদীত জলসিঞ্চন প্ৰকল্পৰ প্ৰস্তাৱ আছে। এই কোক্ৰাঝাৰ জিলাৰ বুঢ়ীসুতি নদীৰ মজলীয়া জলসিঞ্চন প্ৰকল্পৰ কাম আচঁনিখন ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগৰ অনুমোদন পালে আৰু বাৰ্ষিক পৰিকল্পনাৰ অৰ্ন্তভুক্ত হলে, আৰম্ভ কৰিব পৰা যাব। প্ৰাথমিক জৰিপৰ পিচত মুঠ প্ৰায় ২৫ কোটি টকা প্ৰকল্পৰ প্ৰতিবেদন ভাৰত চৰকাৰৰ কেন্দ্ৰীয় জল আয়োগলৈ পৰীক্ষা নিৰিক্ষা কৰি পৰিকল্পনা আয়োগলৈ দাখিল কৰিবৰ বাবে পঠোৱা হৈছে। ইয়াত মজলীয়া বিধৰ জল-সিঞ্চন প্ৰস্তাৱ আছে। কথা হ'ল এই কামটো আৰম্ভ হৈছিল। কামটো হৈ উঠাৰ কাৰণে বহুত দিন বাকী থাকিব। এই নদীত বৰ্ত্তমানো গড়াখহনীয়া হৈছে। নদীৰ কাষ জহি গৈ আছে। সেই নদীৰ কাষতে মোৰ ঘৰ। মোৰো ঘৰটো অনতি পলমে নদীত জাহ যাবৰ উপক্ৰম হৈছে। জলসিঞ্চন প্ৰকল্পটো হোৱাৰ আগতে গড়াখহনীয়া প্ৰতিৰোধ কৰি মোৰ লগতে ওচৰৰ গাওঁ কেইখনক কেনেকৈ বচাব পাৰি তাৰ কাৰণে চৰকাৰে অতি সোনকালে কাৰ্য্যকৰী কৰিব নে?

শ্ৰীহামছিং হাঞ্চে ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এইটো এটা গুৰুত্বপূৰ্ণ কথা। আমাৰ জনজাতীয় সকলৰো ভৱিষ্যতৰ আশা আকাংখ্যা আছে। তেওঁলোকৰ ৰক্ষণা বেক্ষণৰ কাৰণে চেণ্ট্ৰেল গৰ্ভনমেণ্টেও কৈছে। কিন্তু এই বিষয়টো টি. এচ. পি; ৰ মাজত আছে। গতিকে যেতিয়ালৈকে কিলয়াৰিঙ্কাই নহব, তেতিয়ালৈকে কৰিব পৰা নেযাব।

## বিষয় : আমগুৰি লতিবাৰীত গভীৰ নলী নাদ আঁচনি।

শ্ৰীবল্লেশ্বৰ চৰকাৰে সুধিছে :

* ৩১৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অভয়াপুৰি দক্ষিণ সমাষ্টৰ অন্তৰ্গত আমগুৰি লতিবাৰী নামৰ ১৯৮৭-৮৮ চনৰ অনুসূচীত জাতিৰ **Component plan** ৰ ( **Deep Tube Well** ) নলীনাদ আচঁনিখন কি অৱস্থাত আছে?

(খ) উক্ত আচঁনিখনৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰা হব?

শ্ৰীপবিন্দ্ৰ ডেকা ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) উক্ত আচঁনিখনৰ প্ৰশাসনীয় অনুমোদন ( Administrative Approval ) ইতিমধ্যে দিয়া হৈছে ।

(খ) এতিয়া বিশদ প্ৰাক্কলন বনোৱাৰ পিছত কাৰিকৰী অনুমোদন ( Technical Sanction ) দিয়া হব আৰু তাৰ পিছতহে ৮৮-৮৯ চনৰ বিত্তীয় বছৰত কাম আৰম্ভ কৰিব পৰা যাব বুলি আশা কৰা হৈছে ।

( No Supplementary )

বিষয় : গোলাঘাট জিলাত জলসিঞ্চনৰ আচঁনি ।

শ্ৰীদেবেশ্বৰ বৰায়ে সুধিছে :

* ৩১৬ । মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত অসম চৰকাৰে গোলাঘাট জিলাত গোলাঘাট সমষ্টিত কিমানটা জলসিঞ্চনৰ বিভিন্ন আচঁনি গ্ৰহণ কৰিছে আৰু ইয়াৰ বাবে কিমান টকা মঞ্জুৰী দিছে ?

(খ) ১৯৮৬-৮৭ চনৰ জনজাতি উপ-আচঁনিৰ অধীনৰ গোলাঘাট সমষ্টিৰ অসম-নগা ৰাজ্য সীমান্ত এলেকা মেৰাপানীৰ ওচৰৰ চেলচেলি জলসিঞ্চন আচঁনি কিমান দূৰ কাৰ্য্যকৰী হৈছে ?

(গ) যদি হোৱা নাই ইয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীপবিন্দ্ৰ ডেকা ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৬-৮৭ চনত অসম চৰকাৰে গোলাঘাট জিলাৰ গোলাঘাট সমষ্টিত মুঠ ৪ খন ক্ষুদ্ৰ জলসিঞ্চন আচঁনিৰ কাম কাৰ্য্যকৰী কৰিবৰ কাৰণে ৫৮.৮৮ লাখ টকাৰ প্ৰসাশনিক অনুমোদন দিয়ে আৰু ১৯৮৭-৮৮ চনত ২ খন ক্ষুদ্ৰ জলসিঞ্চন আচঁনিৰ বিপৰীতে ১৫.৩৮ লাখ টকাৰ প্ৰসাশনিক অনুমোদন দিয়ে ।

(খ) ১৯৮৬-৮৭ চনত অসম চৰকাৰে প্ৰশাসনীক অনুমোদন জনোৱা জনজাতি উপ-আচঁনিৰ অধীনৰ গোলাঘাট জিলাৰ গোলাঘাট সমষ্টিৰ অন্তৰ্গত চেলচেলী প্ৰবাহমান ক্ষুদ্ৰ জলসিঞ্চন আচঁনিখনৰ মূলকেন্দ্ৰ স্থান নগা ৰাজ্যৰ পাদদেশত অৱস্থিত আৰু ইয়াৰ উপকৃত এলেকা দৈয়াং বনাঞ্চলৰ অন্তৰ্গত । এই আচঁনিৰ

কাম কাৰ্য্যকৰী কৰাৰ অৰ্থে ১৯৮৬-৮৭ চনত বিশদ প্ৰাক্কলন তৈয়াৰ কৰা হৈছিল কিন্তু উক্ত বছৰৰে জুন মাহত চেলচেলী নৈৰ বানপানীয়ে নিৰ্দ্ধাৰিত মূল কেন্দ্ৰ স্থানৰ নৈৰ গতি সলনি হোৱাত নতুনকৈ জৰীপ আদি কৰি প্ৰাকক্লন প্ৰস্তুত কৰিব লগীয়া হ'ল। এই পৰিপ্ৰেক্ষিতত নতুনকৈ জৰীপ আদি কৰি পূৰ্ব্বৰ প্ৰাকক্লনৰ কিছু সালসলনি ঘটাই পুনৰ বিশদ প্ৰাক্কলন যুগুতাই থকা হৈছে। আচঁনিৰ অন্তৰ্ভুক্ত এলেকা বন বিভাগৰ পৰিসীমাত পৰা হেতুকে বন-বিভাগৰ অনুমোদনৰ আৱশ্যক আৰু ইতিমধ্যে সেইবাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

(গ) আচঁনি ৰূপায়ণৰ অৰ্থে ওপৰত উল্লেখিত বিষয় সমূহৰ ওপৰত ব্যৱস্থা লোৱা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনত চাৰিটা আঁচনিৰ কথা কোৱা হৈছে। এই আঁচনি কেইটা কি কি মন্ত্ৰী মহোদয়ে জনাব নে? দ্বিতীয়তে এই চেলচেলি আঁচনি প্ৰবাহমান ক্ষুদ্ৰ জলসিঞ্চন আঁচনিত ধৰা হৈছে। ইয়াৰ কাৰণে ইতিমধ্যে প্ৰাক্কলন প্ৰস্তুত হৈছে। কিন্তু বাতৰি কাকতত বিজ্ঞাপন দিয়া হোৱা নাই। নদীখনৰ গতি সলনি হৈছে। গতিকে কাৰ্য্যকৰী হোৱাত কিমান বছৰ লাগিব মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীপবিন্দ্ৰ ডেকা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাত্ৰ চাৰিটা আঁচনিৰ কাম চলিছে।

**1. L I S from Doyang in Matharap, No. 2. I M P. L I S from Doyang in Athgaon, 3. Exploratory-cum-productive D T W in Kabau, 4 Chalcheli F I S in Merapani area.**

মেৰাপানী এৰিয়াত আমি যিমান সোনকালে কৰিব পাৰো চেষ্টা কৰিম। নদীৰ গতি সলনি হলেও তাক পৰীক্ষা কৰি চোৱা হব। এই বাজেট বছৰতে যাতে কাম আৰম্ভ কৰিব পৰা যায় তাৰ কাৰণে চৰকাৰে আঁচনিৰ ব্যৱস্থা লব।

**Starred Question No. 317 was not called for.**

বিষয় : অসম ৰাজ্যিক পৰিবহন নিগমৰ লাভ লোকচান।

শ্ৰীনীলমনি দাসে সুধিছে :

*৩১৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম ৰাজ্যিক পৰিবহন নিগমৰ যোৱা তিনি বছৰত কিমান লাভ লোকচান হৈছে ?

(খ) অসম ৰাজ্যিক পৰিবহন নিগমে কৰ্ম্মচাৰীৰ দৰ্ম্মহাৰ শিতানত যোৱা বছৰত সৰ্ব্বমুঠ কিমান টকা খৰচ কৰে ?

(গ) অসম ৰাজ্যিক পৰিবহন নিগমে যোৱা বছৰ গাড়ী মেৰামতিৰ বাবে সমুদায় কিমান টকা খৰচ কৰিছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হিচাপ পৰীক্ষা নোহোৱা উদবৃত্ত পত্ৰ অনুসৰি যোৱা তিনিবছৰ লোকচান হৈছে এনেদৰে :

| | |
|---|---|
| (১) ১৯৮৪ — ৮৫ চন : | ৬৩২.৪২ লাখ টকা |
| (২) ১৯৮৫ — ৮৬ চন : | ৭১১.৭২ লাখ টকা |
| (৩) ১৯৮৬ — ৮৭ চন : | ৬৪৩.৪৫ লাখ টকা |

(খ) ৯৯০.১১ লাখ টকা।

(গ) ২৭৯.০০ লাখ টকা।

শ্ৰীনিলমণি দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো হিচাব দিলে তাৰ পৰিপ্ৰেক্ষিতত এটা কথা লক্ষ্য কৰিছো পৰিবহন নিগমে কৰ্ম্মচাৰী সকলক যিদৰে দৰমহা দিয়া হয়, দেখা যায় যে পৰিবহন নিগমৰ লোকচান হয়।

( প্ৰশ্নোত্তৰ কাল অতিবাহিত হয় )

## UNDISPOSED STARRED QUESTIONS

( To which oral answers were not called for want of time. However, written answers deemed to have been laid on the table as follows : )

## Re : Sonkosh river on the western border.

Shri Mithius Tudu asked :

* 319. Will the Minister, Flood Control be pleased to state :

(a) Whether the Government is aware that the Sonkosh river on the Western Border of Assam has been causing immense damage to the land life and property of the people of Gossaigaon Sub-Division ?

(b) If so, the steps taken by the Government to protect lives and properties of the people ?

শ্ৰীছামছিং হাঞ্চে (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়, অৱগত ।

খ) ইতিমধ্যে বানপানী আৰু গড়াখহনীয়াৰ প্ৰতিৰোধ কল্পে ড্ৰাইনামাৰীত শিলৰ বান্ধ আৰু বুকুজ তৈয়াৰ কৰা হৈছে । ইয়াৰ উপৰিও ডাইনামাৰীৰ নামনিত গকুল কটা বাজুগাওঁ আৰু জৰাগুৰি অঞ্চলত শিলৰ বান্ধি আৰু শিলৰ স্পাৰ নিৰ্মাণ কৰা হৈছে ।

## Re : Lift Scheme of Kapoha

Mosir Uddain Sheikh asked :

* 320. Will the Minister, Irrigation be pleased to State :

(a) Is the lift Irrigation schemes of kapoha within Barpeta district functioning properly ?

(b) The total area irrigated by this scheme of present ?

(c) Whether the extension of channels in 2nd and 3rd phase has been stopped by the Government ?

(d) If so, the reasons thereof ?

Sri Pabindra Deka ( Minister, Irrigation ) replied :

(a) Yes.

(b) During Pre Kharif crop season in the current year total 145 Hect. area have been irrigated up to 28-3-88.

(c) There is no proposal for 2nd and 3rd phase of the scheme and hence the question of stopping extention of canal does not arise.

(d) Question does not arise.

## UNSTARRED QUESTIONS AND ANSWERS

(To which written replies were laid on the table )

### Re : Number of Pool Cars.

Shri Muktar Hussain asked :

556. Will the Minister Transport be pleased to State :

(a) The number of cars under the possession of State Transport Pool Department ? ( please give the number )

(b) What amount has been spent to repair those cars in 1985-86, 1986-87 and 1987-88 ?

(please give the expenditure against the number of the car)

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) পুল পৰিবহন বিভাগৰ অধীনত মুঠ ৫৪ ( চোৱান্ন ) খন গাড়ী আছে। গাড়ীৰ নম্বৰৰ তালিকা গাঁথি দিয়া হৈছে। ( See at Annexure II )

(খ) ১৯৮৫-৮৬, ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ চনত কোন গাড়ীৰ বিপৰীতে মেৰামতিৰ বাবদ কিমান টকা খৰচ কৰা হৈছে তাৰ হিচাব গাড়ীৰ নম্বৰৰ বিপৰীতে খৰচৰ তালিকা গাঠি দিয়া হৈছে। ( See at Annexure II )

## Re : Irrigation Scheme Near Dharmimukh.

Shri Digendra Purkayastha asked :

557. Will the Minister, Irrigation be please to State :

(a) Whether there is any proposal for an Irrigation Scheme near Dharmimukh in Dholai constituency ?

(b) If so whether the Said Scheme has been sanctioned and when the work is expected to be started ?

Shri Pabin Deka ( Minister, Irrigation ) replied:

(a) Yes.

(b) Yes, the Scheme has been Administra-tively approved vide No. IGN ( P) 21/87/2 dt. 6.3.87 for Rs. 19,47,700/ The work is expected to be started in the year 1988-89.

## Re: Regularise the service of Master Roll and Work charge employee.

Shri Ramendra De asked

558. Will the Minister, Irrigation be pleased to state :

(a) Whether Assam Government is taking any step to regularise the services of the Master Roll and work charge employees of the Irrigation Department ?

(b) The total number of Master Roll and work charge employees are working in Hailakandi and Karimganj Division ? ( Furnish names with full address including the date of appointment. )

Sri Pabindra Deka ( Minister of Irrigation ) replied :

(a) Yes.

(b) The number of Master Roll and work charge employees in Haiakandi and Karimganj are as follows :

| Name of Division. | Nos. of Master Roll | Nos. of Work charge |
|---|---|---|
| 1. Karimganj Division (1) Karimganj. | 138 Nos. | 29 Nos. |
| 2. Hailakandi Division (I) Hailakandi. | 72 Nos. | 63 Nos. |

N. B. : The names with full address including the date of appointment is enclosed herewith.

## Re : Damage caused by River Barak.

Sri Abdul Rob Laskar asked :

559. Will the Minister, Flood Control be pleased to state :

(a) Whether the Government is aware that the village Dhakhin Krishnapur under Silchar Sub- Division of Cachar District is situated on the bank of the River Barak and within the embankment and as such both the dewlling houses and the standing paddy were submurge every year due to flood watci ?

(b) Whether the Government is aware that there is along standing demand by the villagers for constructing a ring bundh from Sonabarighat Ferry to village Dhamali via Dhakhin Krishnapur ?

(c) Whether the Government is aware that in the year 1966 there was a breach of the embankment infront of the village Dhakhin Krishnapur causing loss of life and property and completely demaged the dwelling house ?

(d) Is it a fact that for the safty of the embankment dwelling houses and paddy a ring band is highly necessary to be constructed from Sonabarighat Ferry to Dhamali village. ?

(e) Will the Government take necessary step for the house ?

**Sri Samsing Hanse ( Minister, Flood Control ) replied :**

(a) Yes, a part of the village being on river side is affected by flood water when it spills bank.

(b) Yes.

(c) No.

(d) The ring bund is not considered technically feasible.

(e) Does not arise.

## বিষয়ঃ স্টীল অথৰিটি অফ ইণ্ডিয়াৰ পৰা ক্ৰয় ।

**শ্ৰীস্বৰূপ উপাধ্যায়ে সুধিছে ঃ**

৫৬০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এম এছ ( ই আৰ ডব্লিউ ) পাইপচ আৰু প্লেটেড ষ্ট্ৰেইনাৰ এচিই/ জেদ-১/ টবি এইট/৩০৮/৮৬-৮৭/২-এ তাৰিখ ঃ ১২-৮-৮৬ নিবিদা মতে কিমান আৰু কোন কোন ফাৰ্মৰ পৰা কিনা হ'ল জনাবনে ?

(খ) চৰকাৰী প্ৰতিষ্ঠান স্টীল অথৰিটি অফ ইণ্ডিয়াৰ পৰা ক্ৰয় নকৰাৰ কাৰণ জনাবনে ?

(গ) ইৰিগেচন দিপাৰ্টমেণ্টৰ চেক্ৰটাৰীয়ে ১০ আগষ্টৰ অসম ট্ৰিবুনত দিয়া স্পষ্টিকৰণ মতে ওপৰোক্ত ক্ৰয়ত ১ঃ.৭৬ লাখ টকা লাভ কেনেকৈ হ'ল জনাবনে ?

( ১৭ আগষ্টৰ অসম ট্ৰিবুনত প্ৰকাশিত হৈছিল )

**শ্ৰীপ্ৰবিন্দ্ৰ ডেকা ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ**

(ক) তলত উল্লেখ কৰা ৬ টা প্ৰতিষ্ঠানৰ পৰা মুঠ ৫৮৪৮৭ মিটাৰ

ই আৰ ডব্লিউ পাইপ আৰু ৫৩৩৪ মিটাৰ শ্লটেড চেট্ৰইনাৰ কিনা হয়। সামগ্ৰী সৰ্বৰাহ কৰা প্ৰতিষ্ঠানৰ নাম আৰু যোগান ধৰা সামগ্ৰীৰ পৰিমাণ এনে ধৰণৰ : ৩০০ মিলিমিটাৰ ই আৰ ডব্লিউ পাইপ।

১। মেচাৰ্চ অজন্তা টিউব লিমিটেড — ১২,৭৭০ মিটাৰ।
২। মেচাৰ্চ টিউব মিল ( ইণ্ডিয়া ) — ৩,০৬০ "
৩। মেচাৰ্চ ডেকা ইণ্টাৰনেচনেল — ২৮০ "
৪। মেচাৰ্চ কামাখ্যা বিজিনেচ চেণ্ডিকেট। — ১,৭৩০ "

২৫০ মিলিমিটাৰ ই আৰ ডব্লিউ পাইপ

১। মেচাৰ্চ অজন্তা টিউব লিমিটেড — ৩০০০ মিটাৰ
২। মেচাৰ্চ টিউব মিলচ [ ইণ্ডিয়া ] — ২৫০ মিটাৰ

২০০ মিলিমিটাৰ ই আৰ ডব্লিউ পাইপ

১। মেচাৰ্চ অজন্তা টিউব লিঃ — ১৫,২৯৭ মিটাৰ
২। মেচাৰ্চ টিউব মিলচ [ ইণ্ডিয়া ] — ৮,৩৮০ মিটাৰ
৩। মেচাৰ্চ বি এচ টি লিঃ — ১১.৬৫২ মিটাৰ
৪। মেচাৰ্চ হিন্দুস্টান পাইপ — ৩৫০ মিটাৰ
৫। মেচাৰ্চ ডেকা ইণ্টাৰনেচনেল — ২৫০ মিটাৰ

১৫০ মিলিমিটাৰ ই আৰ ডব্লিউ পাইপ

১। মেচাৰ্চ, বি এচ টি লিঃ — ৪'৭৫ মিটাৰ

২০০ মিলিমিটাৰ শ্লটেড ষ্ট্ৰেইনাৰ

১। মেচাৰ্চ অজন্তা টিউব লিঃ — ৩,০৬৪ মিটাৰ
২। মেচাৰ্চ ডেকা ইন্টাৰনেচনেল — ২,২৭০ মিটাৰ

(খ) চৰকাৰী প্ৰতিস্থান ষ্টীল অথৰিটি অৰ ইণ্ডিয়াৰ পৰা ক্ৰয় নকৰাৰ কাৰণ হ'ল :

---

১। প্ৰতিষ্ঠানে নিবিদা দাখিল নকৰিলে। (২) জলসিঞ্চন বিভাগে বিছৰা স্পেচিফিকেচন মতে তেওঁলোকে ই আৰ ডব্লিউ পাইপ নিৰ্ম্মাণ নকৰে আৰু (৩) তেওঁলোকে শ্লটেড চেট্ৰইনাৰ নিৰ্ম্মাণ নকৰে।

(গ) ষ্টীল অথৰিটি অৰ ইণ্ডিয়া লিমিটেডক যোগানৰ নিৰ্দ্দেশৰ লগতে সম্পূৰ্ণ টকা আগতীয়াকৈ দিব লাগে আৰু যোগানৰ নিৰ্দ্দেশ দিয়াৰ পৰা কমেও ৬ মাহৰ আগতে তেওঁলোকে সামগ্ৰী যোগান ধৰাৰ নজীৰ নাই। ফলত অগ্ৰীম-

ভাৰে আদায় দিয়া ধনৰ ওপৰত শতকৰা ৮ টকা হাৰত সুত ধৰিলেও ইয়াৰ পৰিমাণ হ'বগৈ ১১'৭৬ লাখ টকা।

ষ্টীল অথৰিটি অব ইণ্ডিয়া লিমিটেড বিভাগে বিচৰা ৭ মিঃ মিঃ ডাঠ ই আৰ ডব্লিউ পাইপ তৈয়াৰ নকৰে। তেওঁলোকে নিৰ্ম্মাণ কৰা পাইপ মাত্ৰ ৬'৩৫ মিঃ মিটাৰ ডাঠ। ৭ মিঃ মিটাৰ ডাঠ পাইপৰ দাম ইয়াতকৈ পাতল ৬'৩৫ মিঃ মিটাৰ পাইপৰ সমমূল্যৰ বুলি ধৰিলেও ৰুৰকেল্লাৰ পৰা পৰিবহনৰ খৰছ আৰু সুদৰ পৰিমাণ আদি অন্তৰ্ভুক্ত কৰি ষ্টীল অথৰিটি অব ইণ্ডিয়াৰ পৰা ললে উক্ত সামগ্ৰীৰ মূল্য ৩০০'৫৫ লাখ টকা হ'ল হেতেন।

বিভাগীয় ক্ৰয় বৰ্ডৰ দ্বাৰা অনুমোদিত নিৰিখত এই সামগ্ৰী কিনোতে মুঠ খৰচ হয় ২৯৬'১৪ লাখ টকা।

এতেকে ষ্টীল অথৰিটি অব ইণ্ডিয়া লিমিটেডৰ পৰা সামগ্ৰী ক্ৰয় নকৰাৰ ফলত পৰোক্ষ ভাবে ৪'৪১ লাখ টকা বিভাগৰ ৰাহি হৈছে। ১০ আগষ্টৰ অসম ট্ৰিবুন কাকতত প্ৰকাশিত স্পষ্টীকৰণতো ৪'৪১ লাখ টকাহে ৰাহি হোৱা বুলি কোৱা হৈছিল। মাননীয় সদস্যই উল্লেখ কৰাৰ দৰে ১১'৭৬ লাখ টকা নহয়।

## বিষয় ঃ ক্ষুদ্ৰ গ্ৰাম্য ক্ৰীড়াঙ্গন।

শ্ৰীমতিদাসে সুধিছে ঃ

৫৬১। মাননীয় ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৭-৮৮ বিত্তীয় বছৰত ক্ষুদ্ৰ গ্ৰাম্য ক্ৰীড়াঙ্গন নিৰ্ম্মানৰ বাবে কোনো উন্নয়ন খণ্ড এলেকাৰ স্থান ঘোষনা কৰিব লগা আছেনে ?

(খ) যদি আছে উন্নয়ন খণ্ড কেইটাৰ নাম আৰু স্থান কি কি ?

(গ) যদি নাই তেন্তে আগন্তুক বিত্তীয় বছৰত বাদ পৰা উন্নয়ণ খণ্ডসমূহত দিয়া হব নেকি ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ ( ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়,

(খ) এতিয়াও নিৰ্ব্বাচন কৰা হোৱা নাই।

(গ) হয়, নিৰ্ব্বাচন সাপেক্ষে দিয়া হব।

**Re : Rampur and Daha Barman bastee protection.**

Shri Altaf Hossain Mazumdar asked :

562. Will the Minister, Flood Control be pleased to State :

(a) Will the Government start the work of Rampur and Dalu Barman Bastee ( S. T. & S. C. ) Protection work. which has been approved by T. A. C. and the Board of protect the poor Scheduled Caste and Scheduled Tribe Villagers under Flood Control Division, Silchar ?

(b) Has Flood Control Division, Silchar surveyed the drainage system of Dead Harang Barakhal, Hearakhal, Dolchera which innundates the entire schedule caste Village Hearbond, part of Sonapur Village, Ranghar Village, Simultala Village ?

(c) What are main reasons for innundation of the above Villages even in dry seasons as well as in rainy season ?

(d) What steps are necessary to prevent the aforesaid innundation ?

(e) Will the Government take early appropriate to protect the aforesaid Village ?

Shri samsing Hanse ( Minister, Flood Control ) replied :

(a) The Plan fund being inadequate. This scheme could

not be take up for execution.

(b) Yes:

(c) The accumulation of Water is due to inadequate drainage facilities in the area.

(d) Improvement of the drainage of the area is necessary.

(e) This will be considered after completion of the detailed investigations.

## Re : Number of G. P. S. S in Ruposi and Mandia blocks of Barpeta District.

Sri A. F. Golam Osmani asked :

563 Will the Minister, cooperation be pleased to state :

(a) How many G. P. S. S are there in Ruposi and Mandia blocks of Barpeta District ? ( please indicate their areas of operations with the Head quarters )

(b) Who are Secretaries of the above G. P. S. S. ( Please mention their dates of deployment with the respective G. P. S. S )

(c) The number of G. P. S. S Secretaries who are attached with the same G. P. S. S for more than 5 years [ Please name the relevent G. P. S. S ]

(d) The Secretaries under reference against whom proceedings for derakiction of duties were instituted in last 5 years and with results ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা. ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বৰপেটা জিলাৰ অন্তৰ্গত ৰুপসী আৰু মন্দিয়া খণ্ড উন্নয়ন এলেকাত

বৰ্ত্তমান ১৪ খন গাওঁ পঞ্চায়ত সমবায় সমিতি আছে। সমিতিৰ অন্তৰ্গত এলেকা আৰু মুখ্য কাৰ্য্যস্থান তলত দিয়া ধৰণৰ ঃ— ( সমিতি সমূহৰ এলেকা গাওঁ পঞ্চায়ত এলেকাৰ লগত একে )

| ৰূপসী খণ্ড উন্নয়ন | মুখ্য কাৰ্য্যস্থান |
|---|---|
| ১। দক্ষিণ তিতাপানী সমবায় সমিতি লিঃ | বৰভিঠা। |
| ২। উত্তৰ তিতাপানী " " | বালাগাওঁ। |
| ৩। দক্ষিণ ৰূপসী " " | কলগছিয়া। |
| ৪। উত্তৰ ৰূপসী " " | চৰুহাবিদ। |
| ৫। পূৰ্ব ডুমকা চোকা বাউসী সমবায় সমিতি লিঃ | সৰভোগ। |
| ৬। পশ্চিম ডুমকা চোকা বাউসী " " " | চ'কচ'কা। |

| মন্দিয়া উন্নয়ন খণ্ড | |
|---|---|
| ১। পূৰ্ব মন্দিয়া সমবায় সমিতি লিঃ | মন্দিয়া। |
| ২। পশ্চিম মন্দিয়া ,, ,, ,, | সত্ৰকানাৰা। |
| ৩। বাঘবৰ ,, ,, ,, | বাঘবৰ। |
| ৪। ফুলৰা চতলা ,, ,, ,, | তাৰাকান্দি। |
| ৫। বাঘমৰাচৰ ,, ,, ,, | নগৰবেৰা। |
| ৬। মইনা বড়ী ,, ,, ,, | মইনা বড়ী। |
| ৭। পূৰ্ব জনীয়া ,, ,, ,, | মেধিবটাৰী। |
| ৮। পশ্চিম জনীয়া ,, ,, ,, | কাদং। |

মন্দিয়া খণ্ড

| খ) সমিতিৰ নাম | সম্পাদকৰ নাম | নিয়োগ কৰা তাৰিখ |
|---|---|---|
| ১। পূৰ্ব মন্দিয়া সমবায় সমিতি লিঃ | শ্ৰীবদিউৰ জামান, কেদাৰ সম্পাঃ | জুলাই, ১৯৮০। |
| ২। পশ্চিম মন্দিয়া ,, ,, ,, | শ্ৰীআব্দুল হুছেইন ,, সম্পাদক | ,, ,,। |
| ৩। বাঘবৰ ,, ,, ,, | শ্ৰীআকবৰ হুছেইন ,, সম্পাদক | ২৫।৭।৮১। |
| ৪। ফুলৰা চতলা ,, ,, ,, | শ্ৰীকন্দৰ্প কলিতা ,, সম্পাদক | ২৮।৭।৮৬। |
| ৫। বাঘমৰাচৰ ,, ,, ,, | শ্ৰীজে এন নাথ ,, সম্পাদক | ১৬।১।৮৬। |
| ৬। মইনা বড়ী ,, ,, ,, | শ্ৰীইছাহক আলি ,, সম্পাদক | ১৬।৮।৮৬। |
| ৭। পূৰ্বজনীয়া ,, ,, ,, | শ্ৰী আব্দুল হুচেইন, কেডাৰ নহয় | ২২।10।74। |
| ৮। পশ্চিমজনীয়া ,, ,, ,, | শ্ৰী আব্দুল মানান, কেদাৰ সম্পাদক | — |

ৰূপহী খণ্ড

| সমিতিৰ নাম | | | | সম্পাদকৰ নাম | নিয়োগ কৰা তাৰিখ |
|---|---|---|---|---|---|
| ১। দক্ষিণ তিতাপানী সমবায় সমিতি লিঃ | | | | শ্ৰীওৱাজেদ্ আলি আহ্মেদ, কেদাৰ সম্পাদক | ১।১৯.৮ |
| ২। উত্তৰ তিতাপানী | ,, | ,, | ,, | শ্ৰী আব্দুল চালাম, | ,, নবেম্বৰ ১৯৮৭। |
| ৩। দক্ষিণ ৰূপসী | ,, | ,, | ,, | শ্ৰী আজিজুৰ ৰহমান জামান্দ | ,, ,, |
| ৪। উত্তৰ ৰূপসী | ,, | ,, | ,, | শ্ৰীগুৰুচৰণ দাস, | ,, ১।২।৮০ |
| ৫। পূৰ ভুম্‌কা চ'কা বাউসী | ,, | ,, | ,, | শ্ৰীদিবাকৰ নাথ, ( নিলম্বিত হৈ আছে ) | ,, ১।৬।৮২ ( নিলম্বিত হোৱা তাৰিখ ২৫।২।৮৮ ) |
| ৬। পশ্চিম ভুমকা চ'কা বাউসী | ,, | ,, | ,, | শ্ৰীভৱত দাস, কেদাৰ সম্পাদক | ১।১২।৭৯ |

গ) পাচ বছৰতকৈ অধিককাল একেৰাহে একেখন সমিতিত চাকৰি কৰি থকা সম্পাদকৰ সংখ্যা ৭ জন। সমবায় সমিতি কেইখনৰ নাম তলত দিয়া ধৰণৰঃ

| | | | |
|---|---|---|---|
| ১। পূৱ মন্দিয়া | সমবায় | সমিতি | লিঃ। |
| ২। বাঘবৰ | ,, | ,, | ,, |
| ৩। পূৱ জনীয়া | ,, | ,, | ,, |
| ৪। পূৱ ডুম্‌কা চ'কা বাউসী | ,, | ,, | ,, |
| ৫। পশ্চিম ডুম্‌কা চ'কা বাউসী | ,, | ,, | ,, |
| ৬। পশ্চিম মন্দিয়া | ,, | ,, | ,, |
| ৭। উত্তৰ ৰূপসী | ,, | ,, | ,, |

ঘ) ১। ফুলবা চতলা সমবায় সমিতিৰ সম্পাদক শ্ৰীকন্দৰ্প কুমাৰ কলিতাক সমিতিৰ ধন আত্মসাৎ কৰাৰ অভিযোগত কেডাৰ মেনেজমেণ্টৰ মুখ্য কাৰ্য্যবাহী বিষয়াই ৯।৩।৮৪ তাৰিখে চাকৰিৰ পৰা নিলম্বিত কৰে। কিন্তু অভিযোগ প্ৰমাণ কৰিব নোৱাৰাত ১।২।৮৬ তাৰিখে তেওঁক চাকৰিত পুনঃ সংস্থাপন কৰা হয়।

২। পশ্চিম মন্দিয়া সমবায় সমিতিৰ সম্পাদক শ্ৰীআব্দুল হুচেইনক অনিয়মীতভাবে শস্যৰ বীজ বিক্ৰি কৰাৰ অভিযোগত ১৬।৭.৮৬ ইং তাৰিখে চাকৰিৰ পৰা নিলম্বিত কৰা হয়। কিন্তু তদন্ত কৰাৰ পিছত সেই অভিযোগ প্ৰমাণ কৰিব নোৱাৰাৰ ফলত তেওঁক ১।২।৮৬ ইং তাৰিখে পুনঃ চাকৰিত সংস্থাপন কৰা হয়।

৩। পূৱ ডুম্‌কা চ'কা বাউসী সমবায় সমিতিৰ সম্পাদক শ্ৰীদিবাকৰ নাথক নিজৰ কৰ্ত্তব্যৰ প্ৰতি অবহেলা দেখুৱাৰ অভিযোগত ২৫।২।৮৮ ইং

তাৰিখৰ পৰা চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে। বিষয়টোৰ ওপৰত এতিয়াও অসম কেডাৰ মেনেজমেণ্ট সমবায় সমিতিৰ মুখ্য কাৰ্য্যবাহী বিষয়াৰ অধীনত তদন্ত চলি আছে।

বিষয়: উত্তৰ শালমাৰা মহকুমাৰ জপেয়া পঞ্চায়তৰ অন্তৰ্গত গাওঁবিলাকত বিদ্যুৎ যোগান।

শ্ৰীমকবুল হুচেইনে, সুধিছে ঃ

৫৬৪। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ জপেয়া পঞ্চায়তৰ অন্তৰ্গত কীৰ্ত্তনপাৰা, কাচাৰপেটি, টুপগাওঁ, টুপকাৰ চাৰ, ব্ৰালাৰচৰ আদি গাওঁ সমূহত বিদ্যুৎ যোগান দিয়াৰ বাবে কোন চনত কেতিয়া খুটাপুতি বিদ্যুৎ তাৰ লগোৱা হয় ?

(খ) আজি পৰ্য্যন্ত উক্ত গাওঁ সমূহ লৈ বিদ্যুৎ যোগান নিদিয়াৰ কাৰণ কি ?

(গ) বহুত দিন ধৰি উক্ত গাওঁ সমূহত বিদ্যুৎ যোগান নিদিয়াৰ ফলত উক্ত ঠাই সমূহৰ বহুত তাৰ চুৰি হোৱা কথা সচানে ?

(ঘ) যদি সচা, তেন্তে মুঠ কিমান পৰিমাণৰ তাৰ চুৰি হৈছে জনাবনে ?

(ঙ) উক্ত চুৰি, কাৰ্য্যৰ বাবে বিভাগীয় কৰ্তৃপক্ষই কি ব্যৱস্থা লৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( শক্তি ( বিদ্যুৎ ) আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) জপেয়া পঞ্চায়তৰ অন্তৰ্গত উক্ত গাওঁ কেইখনত ১৯৮৫ চনৰ মাৰ্চ মাহত খুটা পুতি বিদ্যুৎ যোগান দিয়াৰ বাবে তাঁৰ লগোৱা হৈছিল।

(খ) ১৯৮৫ চনৰ জুন মাহত হোৱা প্ৰবল বানপানীত মানাহ আৰু আই নদীৰ ওপৰেদি যোৱা উচ্চ চাপৰ ১১ কে, ভি লাইনটো উট্ৰাই নিয়ে। যিহেতু পি এচ চি খুটাৰ দাৰা মানাহ্ আৰু আই নদীৰ ওপৰেদি লাইন টনা কাৰিকৰি দিশৰ পৰা সম্ভৱ নহয়, গতিকে বিকল্প ব্যৱস্থা হিচাবে জি, এচ টাৱাৰ নিৰ্মান কৰিছে উক্ত গাওঁ সমূহত বিজুলী যোগান দিব পৰা হব।

(গ) কিছু তাঁৰ চুৰি হোৱা সচাঁ।

(ঘ) চুৰি হোৱা তাঁৰ আনুমানিক ১৩'৯ কিঃ মিঃ ( তেৰ দশমিক ন কিলোমিটাৰ )।

(ঙ) বিষয়টো আৰক্ষী বিভাগক তদন্তৰ বাবে জনোৱা হৈছে।

## Re : Closure of Marboat Service.

Shri Shio Shambhu Ojha asked :

565. Will the Minister Transport be pleased to state :

(a) The following Marboat Services of Inland Water Transport Ferries under Inland Water Transport Division, Silchar remained closed for how many days date wise and the reason for closure in between the period 7th August, 1986 to 7th March, 1988 ?

(a) Madhuramukh Ferry.

(b) Jatinga Ferry.

(c) Rani ferry.

(d) Rajnagar ferry.

(e) Lakhipur ferry.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) (১) মধুৰামুখ ( গান্ধীঘাট ) — ১০৩ দিন,

(২) জাতিঙ্গা — ৭৪ দিন,

(৩) ৰানী — ২৭ দিন আৰু

(৪) ৰাজনগৰ — ৩৩ দিন। লক্ষিপুৰ নামৰ পাৰঘাট কাছাৰ আভ্যন্তৰীন জলপৰিবহন সংমণ্ডল বিভাগৰ অধিনত কোনো ঘাট নাই।

কাৰণ সমূহ আৰু তাৰিখৰ তালিকা ইয়াত গাঠি দিয়া হল।

See at ( Annexure III )

## Re : Shortage of Buses.

Shri Sheikh Abdul Hamid, asked :

566. Will the Minister, Transport be pleased to state :

(a) Is it in the knowledge of the Government that for shortage of buses for which passengers are suffering every day of Barpeta to Satra Kanara bus line ?

(b) If so, whether Government will make necessary arrangement for more buses to that route ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) চৰকাৰে জনা নাই ।

(খ) উক্ত পথত চাহিদা অনুযায়ী বাচ চলি আছে, গতিকে অধিক বাচ চলোৱাৰ প্ৰস্তাব বৰ্ত্তমানে নাই ।

## বিষয় : ৰৰফুকন গড় কাপ্তানী আলিত বেচৰকাৰী লাইন বাছ চলোৱাৰ অনুমতি ।

শ্ৰীকিৰন কুমাৰ গগৈয়ে সুধিছে :

৫৬৭। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰূগড় জিলাৰ অন্তৰ্গত ৰৰফুকন গড়কাপ্তানী আলিয়েদি মুঠ কিমান খন বেচৰকাৰী লাইন বাছ চলোৱাৰ অনুমতি (পাৰমিট) দিয়া হৈছে ?

(খ) গাড়ী সমূহৰ নম্বৰ উল্লেখ কৰিবনে ?

(গ) অনুজ্ঞাপত্ৰ পোৱা আটাইবিলাক বাছ উক্ত আলিয়েদি চলাচল কৰিছে নে ?

(ঘ) যদি চলা নাই, তেন্তে বিভাগীয় কৰ্তৃপক্ষই অনুজ্ঞাপত্ৰধাৰী নিৰ্দ্দিষ্ট আলিত নচলা বাছ সমূহ চলাচলৰ বাবে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ৪০ খন ।

(খ) এ, এছ, কিউ— ৯৭১১, ৮৯৪০, ৯৫০৫, ৯৩০৬, ৯৪৯৩, ৯১৩১, ৮৭৮৮, ৮৮২২, ৯৩৪৯, ৮৮৭১, ৮৫৩৬, ৬৫৬৫, ৯৬৯৫ ।

এ, এম, বি— ৭৩০৪ ১৬৯৮, ৩৭৯, ৪৩১৩, ৬০৫, ৩১১, ৪৬৯, ৬১৯, ২০৩০, ৩৬৪১, ৩১৪৮, ৯৬১, ২১১৭, ৩৫১৬, ১৫৫৫, ৭৭৩৯, ১৩২৭, ৭০৯ ।

এ, আৰ, টি— ১১৯৮, এ, এম, এছ— ২৮৩৬, এ, এম, ই,— ৭৪১৩।

এ, এম, জেদ— ৭৯৮৪, এ, এচ, ইউ— ২৬২৯, ৩০৫৩, এ, এচ, এন ৬৯৬৩, ৭১৮৯ ।

এ, এম, জেদ— ৯২৬৪ ।

(গ) হয় । কিন্তু কোনো কোনো বাচ কেতিয়াবা অনুজ্ঞাপত্ৰৰ নীতি নিয়ম উলঙ্ঘা কৰি আন পথেদি চলিব পাৰে ।

(ঘ) অনুজ্ঞাপত্ৰ পোৱা নিৰ্দ্দিষ্ঠ পথেদি বাছ নচলাই বে আইনি ভাবে আন পথেদি চলোৱা বাছ সমূহক প্ৰৱৰ্তক পৰিদৰ্শকে নিৰীক্ষনৰ দ্বাৰা ধৰা পেলায় আৰু বাছৰ মালিক সকলৰ বিৰুদ্ধে ভাৰতীয় মটৰ যান বাহন আইন মতে বিহীত ব্যৱস্থা লোৱা হয় ।

## বিষয় : ঘিলামৰাত এথন সংহত শিশু কল্যাণ কেন্দ্ৰ প্ৰতিষ্ঠা ।

শ্ৰীভৱত চন্দ্ৰ নৰহে সুধিছে ঃ

৫৬৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰদলনি উন্নয়ন খণ্ডৰ অধীনত ঘিলামৰাত এথন সংহত শিশু কল্যাণ কেন্দ্ৰ প্ৰতিষ্ঠা কৰিবলৈ ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক পৰামৰ্শ দিয়াটো সচানে ?

(খ) যদি সচা তেন্তে কেন্দ্ৰীয় চৰকাৰে এই পৰামৰ্শত অনুমোদন দিছে নেকি ?

(গ) যদি দিয়া নাই কেতিয়া দিব ?

শ্ৰীমতী ৰেখাৰাণী দাস বড়ো ( ৰাজ্যিক সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, সচা ।

(খ) দিয়া নাই ।

(গ) ১৯৮৮-৮৯ চনত এই বিষয়ে জানিব পৰা যাব বুলি আশা কৰিব পাৰি ।

**Re : New Schemes Sanctioned for the area between Pachnoi and Dhansiri rivers.**

Shri Silvious Condpan asked :

569. Will the Minister, Irrigation be please to state :

(a) What New Schemes have been sanctioned for the area lying between pachnoi river and Dhansiri river in Mazbat constituency for which serveral medium and minor schemes were suggested for in year 87-88.

Shri Pabindra Deka ( Minister, Irrigation ) replied :

(a) Only one number of new minor Irrigation Scheme namely Extension of Routa Irrigation Scheme Phase- II has been accorded with Administrative Approval ( A. A. ) in the year 1987-88 for the area lying between Pachnoi river and Dhansiri River in Mazbat constituency.

**Re : G. P. Level Cooperative Society.**

Shri Manilal Gowala asked :

570. Will the Minister Cooperation be pleased to state :

(a) Whether there is any Gaon Panchayat Level Cooperative Society for the Sephenjury Gaon Panchayat Area under the Karimgonj District ?

(b) If not, the reason for non-formation of the Cooperative Society inspite of repeated Public demand ?

(c) Will the Gorvernment take steps for the formation of such society in the said Gaon Panchayat ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) চেফানজুৰি ( Sephenjury ) গাঁও পঞ্চায়তৰ কাৰণে বৰ্তমান সুকীয়া গাঁও পঞ্চায়ত সমবায় সমিতি নাই। চেফানজুৰি গাঁও পঞ্চায়তৰ সকলো অঞ্চল কল্কলিঘাট ( Kalkalighat ) আৰু লৱাইৰপোৱা ( Lowairpowa ) গাঁও পঞ্চায়ত সমবায় সমিতিৰ দ্বাৰা সামৰি লোৱা হৈছে।

(খ) চেফানজুৰি গাঁও পঞ্চায়ত এলেকাৰ বাবে এখন বেলেগ গাঁও পঞ্চায়ত আৰু

(গ) সমবায় সমিতি গঠনৰ সকলো কাৰ্য্যকৰী ব্যৱস্থা ইতিমধ্যে লোৱা হৈ আছে।

বিষয় ঃ মৰিগাওঁ মহকুমাৰ গোৰজান বান্ধ।

শ্ৰীহৰেন্দ্ৰ বড়ায়ে সুধিছে :

৫৭১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মৰিগাওঁ মহকুমাৰ "গোৰজান বান্ধটো" পৰিদৰ্শন কৰি ৰাইজৰ আগত গোৰজান বান্ধটো বান্ধি খেতিয়ক ৰাইজৰ খেতি কৰাৰ সুবিধা কৰি দিব বুলি মন্ত্ৰী মহোদয়ে দিয়া আশ্বাস সচা নেকি ?

(খ) খেতিয়ক ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি উক্ত বান্ধটো দিয়াৰ ব্যৱস্থা লৈছে নেকি ?

(গ) যদি লোৱা নাই, বান্ধটো দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীপবিন্দ্ৰ ডেকা ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) আৱশ্যকীয় অনুসন্ধান জৰীপ ও কাৰিকৰী সম্ভাব্যতাৰ প্ৰতিবেদন তথা অনুকূল আৰ্থিক পুঁজি সাপেক্ষেমৰিগাওঁ মহকুমাৰ গৰজান অঞ্চলত খেতিৰ উপযোগী বান্ধ বন্ধাৰ কথা বিবেচনা কৰা হ'ব বুলি কোৱা হৈছিল।

(খ) বৰ্ত্তমানলৈকে লোৱা হোৱা নাই।

(গ) বৰ্তমান অনুসন্ধান ও জৰীপ আদিৰ প্ৰাক্কলন পৰীক্ষাধীন পৰ্য্যায়ত আছে। প্ৰাথমিক জৰীপ আদি কৰাৰ পিছত কাৰিকৰী দিশৰ পৰা সম্ভাব্য আৰু আথিক দিশৰ পৰা অনুকূল বুলি প্ৰতিপন্ন হলে আচঁনি প্ৰস্তুত কৰাৰ বন্দোবস্ত কৰা হব আৰু বিকেন্দ্ৰীকৃত মহকুমা ভিত্তিক পৰিকল্পনাৰ অনুমোদন

পালে প্ৰশাসনীয় অনুমোদনৰ ( Administrative Approval ) বাবে লব পৰা যাব।

বিষয়ঃ বিহগুৰি মৌজাত মিণি ষ্টেডিয়াম।

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে ঃ

৫৭২। মাননীয় ক্ৰীড়া ও যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহগুৰি মৌজাত প্ৰস্তাৱিত "মিনি ষ্টেডিয়াম" খনৰ কাম কেতিয়া আৰম্ভ কৰা হব আৰু ই কেতিয়া সম্পূৰ্ণ হৈ উঠিব ?

(খ) প্ৰস্তাৱিত "মিনিষ্টেডিয়াম" খনৰ বাবে কিমান ধন ধাৰ্য্য কৰা হৈছে ?

শ্ৰীপ্ৰবীণ কুমাৰ গগৈ (ক্ৰীড়া আৰু যুৱকল্যান মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বিহগুৰি মৌজাত "মিণি ষ্টেডিয়াম" নিৰ্মাণৰ সিদ্ধান্ত এতিয়াও হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

বিষয়ঃ মাৰ্ঘেৰিটাত পৰিবহন নিগমৰ আস্থান।

শ্ৰীকুল বাহাদুৰ চেত্ৰীয়ে, সুধিছে ঃ

৫৭৩ মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাৰ্ঘেৰিটাত পৰিবহন বিভাগৰ নিজা আস্থান ঘৰ নথকাটো সচানে ?

(খ) যদি সচা, তেন্তে কেতিয়ালৈ নিজাকৈ আস্থান ঘৰ সজা হব জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ

(ক) সচা।

(খ) অহা বিত্তীয় বছৰত ( ১৯৮৮-৮৯ চন ) নিৰ্ম্মান কাৰ্য্য আৰম্ভ কৰা হব।

বিষয় ঃ চাচনীৰ পৰা তিনিচুকীয়া আৰু শিৱসাগৰলৈ অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ

৫৭৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ঃ

(ক) যোৱা ১৯৮৬-৮৭ চনতে চাচনীৰ পৰা নাহৰকটীয়া হৈ ডিব্ৰুগড়/তিনিচুকীয়া আৰু নাহৰকটীয়া মৰাণহৈ শিৱসাগৰলৈ অসম ৰাজ্যিক পৰিবহন নিগমৰ বাচ দিয়াৰ প্ৰস্তুতি কৰাৰ পাচতো বৰ্ত্তমানলৈকে কিয় বাচ দিয়া নাই অনুগ্ৰহ কৰি জনাব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) তেনে প্ৰস্তুতি কৰা হোৱা নাছিল। এই পথচোৱা ৰাষ্ট্ৰীয়কৃত পথ নহয় কাৰণে পৰিবহন নিগমে বাচ প্ৰবৰ্ত্তন কৰা নাই।

## বিষয়ঃ বিজুলী যোগান আচনিত বিজুলী যোগান দিয়া গাওঁৰ সংখ্যা।

শ্ৰীকুসুম্বৰ টাইৰাই (গগৈ) য়ে সুধিছে ঃ

৫৭৫। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান খন গাওঁত গ্ৰাম্য বিজুলী যোগান আচনিত যোগান ধৰা হ'ল জনাবনে ?

(খ) বিজুলী শক্তি উৎপাদনতকৈ যোগানৰ বাবে অধিক বিজুলী লাইন দিয়াতো সচানে ?

(গ) ইতিমধ্যে গ্ৰাম্য অঞ্চলত দিয়া লাইন অনুপাতে বিজুলী যোগান দিব নোৱাৰাটো সচানে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( শক্তি, বিদ্যুৎ, আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসমত ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ১৭১৩০ খন গাওঁত গ্ৰাম্য বিজুলী যোগান আচনিৰ অধীনত বিজুলী যোগান ধৰা হৈছে।

(খ) আৰু (গ) উৎপাদন বিতৰণ আৰু গ্ৰাহকৰ চাহিদাৰ মাজত সমন্বয় ৰাখিহে বিজুলী লাইন টনা হয়। প্ৰয়োজনতকৈ অতিৰিক্ত বিজুলী লাইন টনা নহয়। বিজুলী শক্তিৰ সাধাৰণ নাটনিৰ বাবে বিজুলী শক্তিৰ চাহিদা শীৰ্ষ সময়ত ( Peak hours ) নিয়মিয়াতকৈ পূৰণ কৰিব পৰা নাযায়।

## Re : Licence of Rapseed Oil.

Shri Dinabandhu Choudhury asked :

576. Will the Minister Cooperation be pleased to State :

(a) Whether the Cooperative Societies named below were possiossing dealing licences of Rapseed Oil in the year 1986-87 ( Coop. Year ) ?

1. Bharalumukh Coop. Stores Ltd. , Guwahati.

2. Laxmi Manufacturing and supplies Coop. Societies Guwahati.

3. Machkhowa Prathamik Grahak Samabay Ltd., Guwahati.

4. Purbanchal Labour and Contract Co-operative Society Guwahati.

5. Ex-Service Co-operative Ltd. Mandakata, North Guwahati.

6. Srimantapur, Rupnagar Grahak Samabay Bhandar Ltd., Guwahati.

7. Panbazar Grahak Samabay Bhandar Ltd., Guwahati.

(b) Whether the byelaws of those Co-operative Societies permit them to deal in consumers goods ?

(c) Whether those Co-operative Societies lifted any quota of Rapseed Oil allotted by the Civil Supplies Department during 1986-87 and if so, give details of quantity ( in MT ) allotted quantity lifted with date and amount paid for ? ( societywise )

(d) If the quantity / quantities of Rapseed oil so allotted was / were lifted, whether the same were sold to the ration card holders of their respective areas directly, or sold to local G. P. S. S / F. P. shops as per direction of the local Authority ?

(e) What were the opening Balances and the closing balances as per their respective cash books on the datel dates of purchases and sales of purchases and sales of Rapseed oil and whether the purchases and sales of the same were duly posted to their respective purchases day books and sales day books and finally to the cash books ? ( Please furnish cash account of each of those societies for the year ending on 30th June, 1987 )

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) মান্দাকাটা এক্স চাৰ্ভিচ সমবায় সমিতিৰ বাদে সকলোৰে আছে । মান্দাকাটা এক্স চাৰ্ভিচ সমবায় সমিতি নামৰ কোনো সমবায় সমিতি অসম সমবায় সমিতি আইনৰ অধীনত পঞ্জীয়ন হোৱা নাই ।

(খ) উপৰুক্ত মান্দাকাটা এক্স চাৰ্ভিচ সমবায় সমিতিৰ বাদে বাকী কেউখনে এনে ব্যৱসায় কৰিব পাৰে ।

(গ) অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰা খোনপটীয়াকৈ উক্ত সমবায় কেইখনক ১৯৮৬-৮৭ ইং বছৰত বিভিন্ন মাহত দিয়া আমদানীকৃত পৰিশোধিত ৰেপছিড তেলৰ আবণ্টনৰ বিপৰীতে সমবায় কেইখনে উঠোৱা পৰিমান আৰু আদায় দিয়া মূল্য তলত দিয়া ধৰণৰ :

১। ভৰলুমুখ গ্ৰাহক সমবায় সমিতিয়ে অক্টোবৰ' ৮৬ ইং ৰ ১০ মেঃ টন আৰু নৱেম্বৰ' ৮৬ ইং ৰ ৫ মেঃ টন আবণ্টনৰ বিপৰীতে মুঠ ১৫ মেঃ টন তেল সৰ্ব্বমুঠ ১, ৫৭, ৫০০ টকা আদায় দিয়ে বুলি জনা গৈছে ।

২। লক্ষ্মী মেনুফেকচাৰ এণ্ড চাপ্লাইআৰছ কোঃ ছোছাইটি লিঃ ৰ অক্টোবৰ' ৮৬ ৰ ১০ মেঃ টন, ডিচেম্বৰ' ৮৬ ৰ ১০ মেঃ টন আৰু জানুৱাৰী' ৮৭ ৰ ১০ মেঃ টন তেলৰ আবণ্টনৰ বিপৰীতে কোনো পৰিমানৰ তেল প্ৰকৃততে সংগ্ৰহ কৰা নাই ।

৩। মেৰ্চ চ মাছখোৱা প্ৰাথমিক গ্ৰাহক সমবায় লিঃদে নৱেম্বৰ' ৮৬ তাৰিখৰ ১০ মেঃ টন, ডিচেম্বৰ' ৮৬ ৰ ১০ মেঃ টন আৰু জানুৱাৰী' ৮৭ ইং ৰ ৫ মেঃ টন

আবন্টনৰ বিপৰীতে কোনো পৰিমানৰ তেল সংগ্ৰহ কৰা নাই বুলি ৰৰ্ত্তমানৰ কৰ্মকৰ্ত্তা সকলে জনাইছে। কিন্তু ষ্টেট ট্ৰেডিং কৰপৰেচনৰ তথ্য মতে উক্ত সমুদায় তেল উঠোৱা বুলি জনা যায়। বিষয়টো তদন্ত কৰাৰ ব্যৱস্থা কৰা হৈছে।

৪। মেৰ্চাচ পূৰ্ব্বাঞ্চল লেবাৰ এণ্ড কণ্ট্ৰেক্ট সমবায় সমিতিয়ে অক্টোবৰ ৮৬ ৰ ১৫ মেঃ টন, নবেম্বৰ' ৮৬ ৰ ২০ মেঃ টন, ডিচেম্বৰ' ৮৬ ৰ ১০ মেঃ টন আৰু জানুৱাৰী' ৮৭ ৰ ১০ মে: টন তেলৰ আবংটনৰ বিপৰীতে মুঠ ৪০ মেঃ টন তেল ৪, ২০, ০০০ টকা আদায় দি উঠাইছে বুলি তথ্য দিছে। কিন্তু এছ টি চিৰ মতে ৫৫ মেঃ টন তেল উঠোৱা দেখা যায়। বিষয়টো তদন্তৰ ব্যৱস্থা কৰা হৈছে।

৫। মেচাৰ্চ ৰূপনগৰ শ্ৰীমন্তপুৰ গ্ৰাহক সমবায় ভাণ্ডাৰ লিঃ য়ে ডিচেম্বৰ '৮৬ মাহৰ ১০ মেঃ টন তেলৰ বিপৰীতে কোনো তেল উঠোৱা নাই বুলি সমিতিৰ সম্পাদকে জনাইছে, কিন্তু এছ, টি, চিৰ মতে উক্ত ১০ মেঃ টন তেল উঠোৱা বুলি জনা যায়। কিন্তু ৪।১১।৮৬ তাৰিখে ৫ টিন তেল ৮৪৯.৭৫ টকাত উঠাইছে বুলি পঞ্জীয়ক সমবায় সমূহৰ পৰা জনা যায়। বিষয়টো তদন্তৰ ব্যৱস্থা কৰা হৈছে।

৬। পানবজাৰ গ্ৰাহক সমবায় ভাণ্ডাৰ লিমিটেডে জানুৱাৰী '৮৭ মাহৰ ১৫ মেঃ টন আৰু ফেব্ৰুৱাৰী '৮৭ মাহৰ ৫ মে: টন তেলৰ আবণ্টনৰ বিপৰীতে জানুৱাৰী '৮৭ মাহৰ ১৫ মে: টন তেল উঠাইছে। এই সমবায়ৰ সকলো ৰেকড অৰ্থনৈতিক অভিযোগ তদন্ত শাখা ( বি, আই, ই, ও ) ই জব্দ কৰিছে বাবে মূল্যৰ বিষয়ে জনা নাযায়।

ঘ) ১। ভৰলুমুখ সমবায়ে সংগৃহীত তেল ৰাজহুৱা বিতৰণ পদ্ধতিৰ মাধ্যমেদি বিতৰণ কৰা হয়।

২। প্ৰশ্ন নুঠে।

৩। ওপৰৰ প্ৰশ্নৰ উত্তৰৰ দ্ৰষ্টব্য।

৪। সুলভ মূল্যৰ দোকান আৰু গেলামালৰ দোকানৰ যোগেদি বিতৰণ কৰা হয়।

৫। পৰিয়াল পৰিচয় পত্ৰৰ যোগেদি বিতৰণ কৰা হয়।

৬। পান বজাৰ গ্ৰাহক সমবায়ৰ সকলো নথি পত্ৰ অৰ্থনৈতিক অপৰাধ তদন্ত শাখাই জব্দ কৰা হেতুকে বিতৰণ সম্পৰ্কীয় তথ্য পোৱা নগল।

ঙ) ১। ভৰলুমুখ কো: স্টোৰ্চ লিঃ ৰ ২৮-১১-৮৬ তাৰিখে ১মঃ কোটা ১০ মেঃ

টন কিনাৰ সময়ত আৰম্ভনী উদবৃত্ত (opening balance) ৫,১২৬.৭৪ টকা সামৰণী উদবৃত্ত ( closeing balance ) ৫,২৬৫.৫৮ টকা আছিল। ২য় কোটা ৫ মেঃ টন ৩০।১২।৮৬ তাৰিখে উঠোৱাৰ সময়ত আৰম্ভনী উদবৃত্ত ১০,০৩৫.৭১ আৰু সামৰণী উদবৃত্ত ৯,১৫৮.১১ পইছা আছিল। ৰেপচিদ তেলৰ ক্রয় আৰু বিক্রিৰ হিচাব দৈনিক ক্রয়ৰ বহীত ( Purchase day book ) আৰু দৈনিক বিক্রিৰ বহীত ( sales day book ) ত ভৰ্ত্তি কৰা হৈছিল আৰু শেষত নগদ হিচাবৰ বহীত ভৰোৱা হৈছিল।

২। প্ৰশ্ন নুঠে।

৩। ঐ।

৪। পূৰ্ব্বাঞ্চল লেবাৰ আৰু কনটেক্ট কোঃ চছাইটি লিঃ ৰ তলত দিয়া ধৰণৰ :

| পৰিমান | ক্রয়ৰ তাৰিখ | আৰম্ভনী উদবৃত্ত | সামৰণী উদবৃত্ত |
|---|---|---|---|
| ১০ মেঃ টন | ৩০।১০।৮৬ ইং | ১,০৫,৭২০ /- | ৬১০/- |
| ২০ মেঃ টন | ৪।১২।৮৬ ইং | ২,১১,৮৩০ /- | ৫৩০/- |
| ১০ মেঃ টন | ৯।২।৮৭ ইং | ২,২২,১৭০ /- | ১,১৬,৯৭০/- |

ৰেপচিড তেলৰ ক্রয় আৰু বিক্রিৰ হিচাব দৈনিক ক্রয়ৰ বহী আৰু দৈনিক বিক্রিৰ বহীত ভৰ্ত্তি কৰা হৈছিল আৰু শেষত নগদ হিচাবৰ বহীত ভৰোৱা হৈছিল।

৫। শ্ৰীমন্তপুৰ ৰূপনগৰ গ্ৰাহক সমবায় ভাণ্ডাৰ লিঃ ৰ তলত দিয়া ধৰণৰ :

| পৰিমান | ক্রয়ৰ তাৰিখ | আৰম্ভনী উদবৃত্ত | সামৰণী উদবৃত্ত |
|---|---|---|---|
| ৫ টিন | ৩১।১০।৮৬ | ১৪,৯৪১.৩৩ /- | ১৩,৯১৮.৩৭ /- |

ক্রয় আৰু বিক্রিৰ হিচাব দৈনিক ক্রয়ৰ বহী আৰু দৈনিক বিক্রিৰ বহীত, শেষত নগদ হিচাবৰ বহীত ভৰোৱা হৈছিল।

৬। পানবজাৰ গ্ৰাহক সমবায় ভাণ্ডাৰ লিঃ ৰ নথি পত্ৰ পোৱা নগল বাবে তথ্য দিব পৰা নগল।

( ভৰলুমুখ কোঃঅপাৰেটিভ ষ্টোৰচ, লক্ষ্মী মেনুফেক্টৰিং আৰু চাল্লায়াৰ্চ কোঅপাৰেটিভ, পূৰ্বাঞ্চল লেবাৰ আৰু কনট্ৰেক্ট কোঃঅপাৰেটিভৰ আৰু শ্ৰীমন্তপুৰ, ৰূপনগৰ গ্ৰাহক সমবায় সমিতিৰ জমা খৰচৰ হিচাব লগত গাঠি দিয়া হ'ল। ( See at Annexure Iv ) বাকী দুখন সমিতিৰ হিচাব সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছে।

## বিষয়ঃ বেকী নৈৰ গড়াখহনীয়া ।

শ্ৰীদীনবন্ধু চৌধুৰী য়ে সুধিছে ঃ

৫৭৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বেকীনৈৰ ব্যাপক গড়াখহনীয়াৰ কবলত পৰা ঔগুৰি-চাপানা এলেকাৰ ভয়াবহ পৰিস্থিতিৰ বিষয়ে চৰকাৰ অবগত নে ?

(খ) যদি অবগত হয়, উক্ত এলেকা বেকীনৈৰ ব্যাপক গড়া-খহনীয়াৰ পৰা ৰক্ষা কৰাৰ বাবে কিবা ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীছামছিং হাঞ্চে ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) হয় । বৰ্ত্তমানে জৰুৰীকালিন কাম হিচাবে আমগুৰি-চাপানাত আনুমানিক ৩৪.০০ লাখ টকাৰ আঁচনি এখন কাৰ্য্যকৰী কৰিবলৈ লোৱা হৈছে।

## বিষয় ঃ জলসিঞ্চন প্ৰকল্পৰ পৰা বিদ্যুৎ উৎপাদন ।

শ্ৰীৰবীন শইকীয়াই সুধিছে ঃ

৫৭৮। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোনিতপুৰ জিলাৰ বৰভিকৰাই জলসিঞ্চন প্ৰকল্পটোৰ পৰা বিদ্যুৎ উৎপাদন কৰিব পৰা ব্যৱস্থা আছে বুলি চৰকাৰে জানেনে ?

(খ) এই বৰভিকৰাই জলসিঞ্চন প্ৰকল্পত যদি বিদ্যুৎ উৎপাদন কৰিব পৰা ব্যৱস্থা আছে তেন্তে এটা জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰাৰ কথা চিন্তা কৰি কাৰ্য্যকৰী ব্যৱস্থা হাতত লবনে ?

(গ) এই সন্দৰ্ভত বৰ্ত্তমান বিদ্যুৎৰ নাটনি হোৱা অৱস্থাত চাই বৰভিকৰাইত এটা জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবে অভিজ্ঞ কাৰিকৰী লোক সকলৰ লগত আলোচনা কৰিছে নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি, বিদ্যুৎ, আদি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে।

(খ) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰা এই বিষয়ে কোনো ব্যৱস্থা এতিয়ালৈকে লোৱা হোৱা নাই ।

(গ) এই প্ৰকল্পৰ পৰা হব পৰা 4 মেগাৱাট শক্তিয়ে সমগ্ৰ ৰাজ্যৰ বিদ্যুৎ চাহিদাৰ ওপৰত বিশেষ প্ৰভাৱ পেলাব নোৱাৰাৰ বাবে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে এই দিশত কোনো ব্যৱস্থা লোৱা নাই।

## বিষয় : বাছৰ ভাড়া বৃদ্ধিত জন সাধাৰণৰ প্ৰতিক্ৰিয়া।

শ্ৰীভবেন বৰুৱাই সুধিছে :

৫৭৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অলপতে ৰাজ্যিক পৰিবহন নিগমৰ বাছৰ ভাড়া বৃদ্ধি কৰাত জন সাধাৰণৰ মিশ্ৰিত প্ৰতিক্ৰিয়াৰ বিষয়ে চৰকাৰ অবগত নে ?

(খ) যদি অবগত, বাছৰ ভাড়া কমোৱাৰ কিবা ব্যৱস্থা লব নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## Re : E. R. W. Pipes.

Shri Holiram Terang asked :

580. Will the Minister, Irrigation be pleased to state :

(a) How much works of 300 mm and 200 mm ( dia ) E R W pipes had been, purchased by the department in 1987-88 ?

(b) Is it true the pipes had been purchased from private suppliers instead of the steel authority of India Ltd. (SAIL)

(c) If yes, who are the suppliers and what was the price difference between SAIL and the private suppliers ?

(d) Whether slotted pipes were also purchased along-with the above deals ?

Shri Pabindra Deka ( Minister of Irrigation ) replied :

(a) No purchase was made in the year 1987-88.

(b) In view of reply at (a) above, question does not arise.

(c) Question does not arise.

(d) Yes. Only slotted pipes were purchased in 1987-88.

বিষয় ঃ অৰুনাচল সীমালৈ চৰকাৰী বাছৰ ব্যৱস্থা ।

শ্ৰীমতী জ্যোৎস্না সোনোৱালে, সুধিছে ঃ

৫৮১ । মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া মহকুমাত ৰাইজৰ প্ৰবল জনমতৰ স্বত্বেও ৮ মাইল ঘাটৰ পৰা চুনপুৰাৰ অৰুনাচল সীমালৈ চৰকাৰী বাছ চলাৰ ব্যৱস্থা এতিয়ালৈকে কিয় কৰা নাই ?

(খ) ডিব্ৰুগড় জিলাৰ কোন কোন চহৰত চৰকাৰী বাছ আস্থান সজা হোৱা নাই জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যিক পৰিবহন নিগমৰ বাছ চলাবৰ বাবে নিম্নতম সা-সুবিধা খিনি এই পথত এতিয়ালৈ নোহোৱা বাবে নিগমৰ বাছ চলাৰ ব্যৱস্থা কৰিব পৰা নাই ।

(খ) পেঙেৰী, মাৰ্ঘেৰিটা, জাগুন, ডিগবৈ, শান্তিপুৰ ( শদিয়া ), ফিলোবাৰী আৰু কাকপথাৰত পৰিবহন নিগমৰ নিজা আস্থান সজা হোৱা নাই ।

বিষয় ঃ গড়াখহনীয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা ।

শ্ৰীমতী জ্যোৎস্না সোনোৱালে সুধিছে :

৫৮২ । মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শদিয়া মহকুমাৰ চুনপুৰাৰ পৰা বচাগাওঁলৈ হৈ থকা গড়াখহনীয়াৰ কথা চৰকাৰৰ অৱগত হোৱা স্বত্বেও কোনো ধৰণৰ প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণ কি ?

(খ) ছেখোৱা হাতীঘুলী বান্ধৰ নিৰ্ম্মাণ চলিত বিত্তীয় বছৰত শেষ হবনে ?

(গ) দিৰাক চুমণি বান্ধটোত কিমান টকা অনুমোদন কৰা হৈছে জনাবনে ?

শ্ৰীছামছিং হাঞ্চে ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) আচনি হাতত লোৱা হৈছে ।

(খ) এই বছৰত সম্পূৰ্ণ কৰা সম্ভৱ নহয় ।

(গ) সাহাৰ্য্য আৰু সংস্থাপন শিতানৰ পৰা দিবাক আৰু চুমণীত ক্ৰমে ১,৪৯,৯০০·০০ আৰু ৭,৮৯,৪০০·০০ লাখ টকাৰ আচনি হাতত লোৱা হৈছে ।

## Re : Silchar Sib–Bari Tarapur Road Cum Bundh.

Shri Karnendu Bhattacharjee, asked :

583. Will the Minister, Flood Control be pleased to State :

(a) Whether the Government is aware of the present condition of Silchar Sib-Bari Tarapur road cum bundh ?

(b) If so, what action Government propose to take for stopping the erosion and utilise the road cum bundh ?

Shri Samsing Hanse ( Minister, Flood Control ) replied :

(a) Yes.

(b) Protection meesure have been taken up.

## বিষয় : বুঢ়ী সুতীৰ নদীৰ জলসিঞ্চন প্ৰকল্প ।

শ্ৰীগণেশ বড়োয়ে সুধিছে :

৫৮৪ । মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহকৰি জনাবনে :

(ক) কোকৰাঝাৰ জিলাৰ বঙাইগাওঁ ডিভিজনৰ অন্তৰ্গত বুঢ়ী সুতী নদীৰ জলসিঞ্চন প্ৰকল্পৰ কাম কেতিয়াকৈ হব ?

(খ) বৰ্তমান ইয়াৰ কাম কাজ কি অৱস্থাত আছে অনুগ্ৰহ কৰি বিতংকৈ জনাবনে ?

শ্ৰীপবিন্দ্ৰ ডেকা ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) কোকৰাঝাৰ জিলাৰ অন্তৰ্গত বুঢ়ী সুতী নদীৰ মজলীয়া জলসিঞ্চন

প্ৰকল্পৰ কাম আচঁনিখন ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগৰ অনুমোদন পালে আৰু বাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্ভূক্ত হলে, আৰম্ভ কৰিব পৰা যাব।

(খ) প্ৰাথমিক জৰিপৰ পিচত মুঠ ২৪·৯৫ কোটি টকাৰ প্ৰকল্পৰ প্ৰতিবেদন ভাৰত চৰকাৰৰ কেন্দ্ৰীয় জলআয়োগলৈ পৰীক্ষা নিৰিক্ষা কৰি পৰিকল্পনা আয়োগলৈ দাখিল কৰিবৰ বাবে পঠোৱা হৈছে।

বিষয় : লেংটিচিঙা বজাৰ গড়াখহনীয়াৰ পৰা ৰক্ষা।

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে :

৫৮৫। মাননীয় বানানিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শালমাৰা মহকুমাৰ অন্তৰ্গত শ্ৰেষ্ঠ মৰাপাট বিক্ৰয় কেন্দ্ৰ লেংটিচিঙা বজাৰখন আই আৰু মানাহ নদীৰ গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ কিবা ব্যৱস্থা কৰিছেনে ?

(খ) যদি কৰিছে তেতিয়া হলে অতি শীঘ্ৰে উক্ত বজাৰখন আৰু বৃহত অঞ্চলখন ৰক্ষা কৰাৰ বাবে কাম আৰম্ভ কৰিবনে ?

শ্ৰীছামছিং হাঞ্চে (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, আবণ্টিত ধনৰ সচ্ছলতা সাপেক্ষে ব্যৱস্থা কৰা হৈছে।

(খ) লেং টিচিঙা বজাৰখন আৰু বৃহত অঞ্চলটো ৰক্ষা কৰিবৰ বাবে ইতিমধ্যে মঠাউৰী বহলোৱা (Widening) আৰু পাৰ বন্ধাৰ (Bank Revetment) কাম আৰম্ভ কৰা হৈছে।

বিষয় : বৈদ্যুতিকৰণ গাওঁৰ সংখ্যা।

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

৫৮৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬-৮৭, ১৯৮৭-৮৮ চনত কিমানখন গাঁও বৈদ্যুতিকৰণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) গোলাঘাট জিলাত কিমানখন গাঁও বৰ্ত্তমানলৈকে বৈদ্যুতিকৰণ কৰিলে ? (গাঁও সমূহৰ নাম দিব)

(গ) ১৯৮৬-৮৭, ১৯৮৭-৮৮ চনত গোলাঘাট জিলাৰ কোন কেইখন গাঁওলৈ

ৰিজুলী যোগানৰ ব্যৱস্থা হাতত লৈছে ?

(ঘ) এখন গাঁওলৈ এটা বৈদ্যুতিকৰণ খুটাৰ জৰিয়তে বিদ্যুতৰ যোগান ধৰিলে, গাঁওখন সম্পূৰ্ণ হোৱা বুজাই নেকি ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( শক্তি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ১৯৮৬-৮৭ চনত ২০৮১ খন আৰু ১৯৮৭-৮৮ চনত ফেব্ৰুৱাৰী মাহলৈকে ১৪০১ খন গাঁওৰ বৈদ্যুতিকৰণ কৰিছে।

(খ) গোলাঘাট জিলাত বৰ্ত্তমানলৈকে অৰ্থাৎ ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহলৈকে ৫৩৯ খন গাঁওৰ বৈদ্যুতিকৰণ কৰা হ'ল। গাঁও সমূহৰ নাম অনুবন্ধ 'ক' ত গাঠি দিয়া হ'ল।

(গ) ১৯৮৬-৮৭ চনত আৰু ১৯৮৭-৮৮ চনৰ ফেব্ৰুৱাৰী মাহলৈকে বৈদ্যুতিকৰণ হোৱা মুঠ ৯৬ খন গাওঁৰ নামবোৰ অনুবন্ধ 'খ' ত 'গ' ত গাঠি দিয়া হ'ল।

(ঘ) গাওঁখন বৈদ্যুতিকৰণ কৰা বুজায় কিন্তু সম্পূৰ্ণ হোৱা নুবুজায়।

## Re : Frequent Power Failure in the evening of Mangaldoi Town.

Shri Nilamani Das, asked :

587. Will the Minister, Power be pleased to state :

(a) The total 'dark-hours' in Mangaldoi Town of Darang District during 440 days starting from 1st Jan/87 upto 15th March, 1988 ?

(b) The main cause of frequent Power failure in the evenings of Mangaldoi Town ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি, বিদ্যুৎ, আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৭ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৮৮ চনৰ ১৫ মাৰ্চলৈকে ৪৪০ দিনৰ ভিতৰত দৰং জিলাৰ মঙ্গলদৈ চহৰত 'অন্ধকাৰ সময়ৰ' পৰিমাণ মুঠ ৪৭৮ ঘণ্টা ১৭ মিনিট আছিল।

(খ) বিজুলীৰ বিজুতি সঘনে ঘটাৰ কাৰণ হ'ল বিজুলী কৰ্ত্তন আৰু

লাইনৰ বিজুতি ।

## Re : Jonali Flow Irrigation Scheme.

Shri Mithias Tudu, asked :

588. Will the Minister, Irrigation be pleased to state :

(a) Whether it is a fact that the Jonali Flow Irrigation Scheme in Kokrajhar Division has been dropped ?

(b) If so, Why ?

(c) Whether any alternative arrangement has been taken up to irrigate lands which were covered under the Jonali Flow Irrigation Scheme ?

Shri Pabindra Deka ( Minister, Irrigation ) replied :

(a) Yes.

(b) Due to non receipt of possession of land from Forest Department on the ground that non forest use of forest land will be against the Government policy on Ecology and environment.

(c) No.

## Re : Scheme to protect South Salmara of Dhubri District.

Shri Mosir Uddin Sheikh asked :

589. Will the Minister, Flood Control be pleased to state :

(a) Whether the Government has any scheme to protect South Salmara of Dhubri District from erosion of Brahmaputra river ?

(b) If so, what schemes were taken to save the said age old Bazar place of Assam ?

শ্ৰীছামছিং হাঞ্চে ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয় আছে।

(খ) ১৯৮৫ চনত দক্ষিণ শালমাৰাত প্ৰতিৰোধৰ বাবে ৬টা কাঠৰ বুৰুজ দিয়া হয়। এই বছৰ ১৯৮৮ চনতো এই বজাৰৰ আগৰ ফালে শিলৰ আৰু কাঠৰ বুৰুজৰ কাম হাতত লোৱা হৈছে।

## Re : Rukni Medium Irrigation Scheme.

Shri Digendra Purkayastha asked :

590. Will the Minister, Irrigation be please to State:

(a) Whether the Rukni Medium Irrigation Scheme under Dholai constituency has been sanctioned ?

(b) If so whether the work of the said scheme started ?

Shri Pabindra Deka ( Minister, Irrigation ) replied :

(a) No.

(b) Question does not aries.

## বিষয় ঃ ষ্টেটফেডৰ লাভ লোকচান।

শ্ৰীৰামেন্দ্ৰ দেৱে সুধিছে ঃ

৫৯১। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ;

(ক) ১৯৮৩ ইংৰাজীৰ পৰা ১৯৮৭ ইংৰাজীৰ ডিচেম্বৰলৈকে ষ্টেটফেডৰ কিমান টকা লাভ বা লোকচান হৈছে ? ( বছৰ অনুযায়ী পৃথক পৃথক লাভ লোকচানৰ হিচাব দিব )

(খ) ১৯৮৩ ইংৰাজীৰ পৰা ১৯৮৭ ইংৰাজীৰ ডিচেম্বৰ মাহলৈকে শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দি ও বদৰপুৰ ষ্টেটফেডত কিমান টকা লাভ বা লোকচান হৈছে ? ( বছৰ অনুযায়ী পৃথক পৃথক উত্তৰ দিব )

(গ) ষ্টেটফেডৰ যোগেদি কি কি বস্তু যোগান দিয়া হয় ?
( লিষ্ট সদনৰ মেজত ৰখা হওঁক )

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সমবায় বছৰ অনুযায়ী ১৯৮৩ ইংৰাজীৰ পৰা ১৯৮৭ ইংৰাজী সমবায় বছৰলৈ ষ্টেটফেডৰ পৃথক পৃথক লাভ লোকচানৰ হিচাব এনে ধৰণৰ :

| সমবায় বছৰ | প্ৰকৃত লাভ/লোকচান | | |
|---|---|---|---|
| ১৯৮২-৮৩ | ৬৪·৮৮ লাখ | টকা | লোকচান |
| ১৯৮৩-৮৪ | ১৩·১৩ " | " | " |
| ১৯৮৪-৮৫ | ৮৬·৫১ ,, | " | লাভ |
| ১৯৮৫-৮৬ | ৬১০·৫১ " | " | লোকচান |
| ১৯৮৬-৮৭ | ২৭৯·৯৯ " | " | " |

(খ) ১৯৮৩ ইংৰাজীৰ পৰা ১৯৮৭ ইংৰাজীৰ ডিচেম্বৰ মাহলৈকে সমবায় বছৰ অনুযায়ী শিলচৰ, কৰিমগঞ্জ, হাইলাকান্দি ও বদৰপুৰ ষ্টেটফেডৰ পৃথক পৃথক কৈ লাভ লোকচান এনে ধৰণৰ :

শিলচৰ

| | | | | | | |
|---|---|---|---|---|---|---|
| সমবায় | বছৰ | ১৯৮২-৮৩ | ২২·৫৬ | লাখ | টকা | লোকচান |
| ,, | ,, | ১৯৮৩-৮৪ | ১৫·২৮ | " | " | " |
| ,, | ,, | ১৯৮৪-৮৫ | ৪৪·১৭ | " | " | লাভ |
| ,, | ,, | ১৯৮৫-৮৬ | ১·৮২ | ,, | ,, | ,, |
| ,, | ,, | ১৯৮৬-৮৭ | ১২·১৬ | " | ,, | " |
| ,, | ,, | ১৯৮৭-৮৮ | ০·৪৩ | ,, | ,, | ,, |

( Halfyear ending 31.12.87 লৈ )

কৰিমগঞ্জ

| | | | | | | |
|---|---|---|---|---|---|---|
| সমবায় | বছৰ | ১৯৮২-৮৩ | বিক্ৰিকেন্দ্ৰ খোলা হোৱা নাই । | | | |
| " | " | ১৯৮৩-৮৪ | | | | |
| " | " | ১৯৮৪-৮৫ | ৩১·৪৩ | লাখ | টকা | লাভ |
| " | ,, | ১৯৮৫-৮৬ | ১·৪৬ | " | " | লোকচান |
| " | " | ১৯৮৬-৮৭ | ২·৭৮ | " | " | লাভ |
| " | " | ১৯৮৭-৮৮ | ০·৪১ | " | " | লোকচান |

( Halfyear ending 31·12.87 লৈ )

উল্লেখ কৰিব পাৰি, বদৰপুৰত ষ্টেটফেডৰ Branch Office নোহোৱা

বাবে বদৰপুৰৰ ষ্টেটফেড Retail out let টো কৰিমগঞ্জ Branch Office ৰ তত্বাবধানত আছে আৰু বদৰপুৰ Retail out let ৰ লাভ লোকচান ও কৰিমগঞ্জৰ লাভ লোকচানৰ মাজত সামৰা আছে।

বদৰপুৰ

ইতিমধ্যে কোৱা হল যে বদৰপুৰ Retail out let টো কৰিমগঞ্জ Branch Office ৰ তত্বাবধানত আছে। বদৰপুৰ Retail out let টো খোলা হয় ১৯৮৩-৮৪ চনৰ পৰা।

তথাপি, Provisional Balance Sheet অনুযায়ী বদৰপুৰ Retail out let টোৰ ১৯৮৬-৮৭ আৰু ১৯৮৭-৮৮ ( ৩১।১২।৮৭ লৈ ) সমবায় বছৰ দুটাৰ লাভ লোকচান এনে ধৰণৰ ঃ

| | | |
|---|---|---|
| সমবায় বছৰ | ১৯৮৬-৮৭ | ১০, ৬৯৭·৪৯ টকা লোকচান। |
| সমবায় বছৰ | ১৯৮৭-৮৮ | ২, ০৯৬·৯৬ টকা লাভ। |

( Half yearly 31.12.87 লৈ )

হাইলাকান্দি

| | | |
|---|---|---|
| সমবায় বছৰ | ১৯৮২-৮৩ | খোলা হোৱা নাই। |
| " " | ১৯৮৩-৮৪ | |
| " " | ১৯৮৪-৮৫ | |
| " " | ১৯৮৫-৮৬ | ২·৪৬ লাখ টকা লাভ |
| " " | ১৯৮৬-৮৭ | ৩·০৭ " " " |
| " " | ১৯৮৭-৮৮ | ১·৫৪ " " " |

( Half yearly 31.12.87 লৈ )

(গ) ষ্টেটফেডৰ যোগেদি তলত দিয়া বস্তু সমূহৰ যোগান দিয়া হয়।
১] চাউল ২] চিমেণ্ট ৩] লিখা বহী ৪] গুৰ ৫] দালি ৬] নিমখ
৭] কৃত্ৰিম সাৰ ৮] বুট ৯] মিঠাতেল ১০] চাহপাত ১১] গমৰ বীজ
১২] ষ্টেচনাৰি ১৩] অন্যান্য খোৱা তেল ১৪] তৃপ্তি বনস্পতি
১৫] ধানৰ বীজ ১৬] টিনপাত ১৭] নিয়ন্ত্ৰিত কাপোৰ ১৮] এইচ এম টি ঘড়ী
১৯] অন্যান্য বীজ লোহাৰ বদ ২০] অনিয়ন্ত্ৰিত কাপোৰ ২১] চেনি
২২] আটা ময়দা ২৩] মৰাপাত ২৪] কাগজ ২৫] চিৰা আদি।

**Re : Taking over the ferries of river of Sonai of Cachar District.**

Shri Abdul Rob Laskar asked :

592. Will the Minister, Transport be pleased to state :

(a) Whether the Government is aware that there is a public demand for taking over the following ferries of river Sonai of Cachar district for public convenience by Inland Water Transport ?

1. Hathikhal
2. Amaldhar.

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে তেনে দাবী পোৱা নাই ।

## Re : Promotion of sports.

Sri Abdul Rob Laskar asked :

593. Will the Minister, Sports be pleased to state :

The Policy of the Government for promoting Sports and Culture in the state of Assam ?

শ্ৰীপ্ৰবীন কুমাৰ গগৈ ( ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক্ৰীড়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ নীতিকে অনুসৰণ কৰিছে । সুকীয়া কোনো নীতি এতিয়ালৈ লোৱা নাই ।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ কলা সংস্কৃতিৰ সংৰক্ষণ, প্ৰচাৰ, উন্নয়ন, গবেষণা, চৰ্চা আৰু বিকাশৰ বাস্তবায়নেই কলা সংস্কৃতিৰ উন্নয়নৰ চৰকাৰী নীতি ।

## Re : Ferries Connecting P. W. D. Roads.

Shri Altaf Hussain Mazumdar asked :

594. Will the Minister Transport be pleased to state :

(a) Is the Government aware that the following ferries are connecting P. W. D. roads viz-

1. Buribial

2. Bhari Bazar

3. Muchimukh ferry

Under Silchar Sub-division ?

(b) Will the Inland Water Transport take over these ferries from Panchayat as these are in main river viz Barak ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বুৰিবিয়াল আৰু ভৈৰী বজাৰ পাৰঘাট কেইটা গড়কাপ্তানী বিভাগৰ আলিবাটৰ লগত সংলগ্ন, মুছিমুখ পাৰঘাটৰ সংলগ্ন আলিবাটটো কোন বিভাগৰ সেই বিষয়ে তথ্য বিচৰা হৈছে ।

(খ) এই বিষয়ে পঞ্চায়ত বিভাগৰ লগত যোগাযোগ কৰা হৈছে ।

## Re : Removal Of Encroachment On The Madhuramukh Ferry.

Shri Altaf Hussain Mazumdar asked :

595. Will the Minister, Transport be pleased to state :

(a) Is it a fact that the Inland Water Transport Division of Silchar approached the Deputy Commissioner, Cachar and S. D. C., Sadar, Silchar to remove encroachment on the vehicular approach of Madhuramukh ferry.

(b) If so has the Revenue department, Deputy Commissioner, Cachar removed the encroachment if removed when ?

(c) Whether the Inland Water Transport division, Silchar has constructed the vehicular approach of

Madhuramukh ferry ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) হয়, ১৯৮৭ চনৰ অক্টোবৰ মাহত শিলচৰ চহৰৰ ফালে থকা এপ্ৰোছৰ অবৈধ দখল কাৰীক উচ্ছেদ কৰা হয় ।

(গ) এনে এপ্ৰোছ এতিয়াও বনোৱা হোৱা নাই ।

## Re : Number Of Villages Electrified In Barpeta.

Shri A. F. Golam Osmani asked ঃ

596. Will the Minister, Power be pleased to state :

(a) Number of villages electrified in Barpeta district from 1983-84 to 1986-87 ? ( Please furnish the figures block or circlewise which ever available ) ?

(b) Which are the villages electrified in Ruposi block and Mandia block last 2 years ?

(c) How many villages proposed to be electrified under R. E. C. programme in Ruposi and Mandia blocks of Barpeta district in 1987-88 ? ( Please furnish the name of villages )

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( শক্তি, বিদ্যুত, আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৩-৮৪ চনৰ পৰা ১৯৮৬-৮৭ চনলৈকে বৰপেটা জিলাত তলত উল্লেখ কৰা মতে মুঠ ৩৪৩ খন গাওঁ বৈদ্যুতিকৰণ কৰা হৈছে ।

| | |
|---|---|
| ১৯৮৩-৮৪ | ৩০ খন |
| ১৯৮৪-৮৫ | ৬৭ " |
| ১৯৮৫-৮৬ | ১২৫ " |
| ১৯৮৬-৮৭ | ১২১ " |
| | ৩৪৩ খন |

(খ) ৰূপহী আৰু মন্দিয়া খন্দত যোৱা দুই বছৰত বৈদ্যুতিকৰণ হোৱা গাওঁৰ নামৰ তালিকা অনুবন্ধ— ১ত গাঠি দিয়া হ'ল।

(গ) ১৯৮৭–৮৮ চনত ৰূপহী আৰু মন্দিয়া খন্দৰ অধীনত বৈদ্যুতিকৰণ কৰাৰ প্ৰস্তাবিত গাওঁ বোৰৰ নামৰ তালিকা অনুবন্ধ ২ত গাঠি দিয়া হ'ল।

( Annexure V )

## Re : Total Number of The Schemes Processed By The Deptt.

Shri A. F. Golam Osmani asked :

597. Will the Minister, Flood Control be pleased to state :

(a) The Total number of schemes processed by the Department exceeding the outlay of 60 lakhs from 1983-84 to 1986-87 ? ( Please furnish yearwise figures )

(b) Is it a fact that the schemes exceeding Rs. 60 lakhs have to be cleared by the Central Government ?

(c) If so how many schemes were forwarded to the Central Government for clearance ? ( Please furnish yearwise breakup of forwarding ).

(d) How many forwarded schemes have since been cleared by the Central Government. ( Please furnish yearwise breakup of schemes cleared ).

(e) How many of the cleared up schemes have since been put into execution ?

Shri Samsing Hanse ( Minister of Flood Control ) replied :

(a) Twelve Nos. of Estimates

(i) 1983-84 ........ 2 Nos.

(ii) 1984-85 ........ 1 No.

(iii) 1985-86 ........ 7 Nos.

(iv) 1986-87 ........ 2 Nos.

(b) Yes.

(c) 12 ( twelve ) Nos.

(i) 1983-84 ........ 2 Nos.

(ii) 1984-85 ........ 1 No.

(iii) 1985-86 ........ 7 Nos.

(iv) 1986-87 ........ 2 Nos.

(d) 1 ( one ) scheme.

(i) 1983-84 ........ Nil

(ii) 1984-85 ........ 1 No.

(iii) 1985-86 ........ Nil

(iv) 1986-87 .......... Nil

(e) 1 ( one ) scheme.

1984-85 protection of Palasbari Gumi ( Kandalpara ) from the erosion of river Brahmaputra.

(I) 1983-84 ........ Nil

(ii) 1985-86 ... ... ... Nil

(iii) 1986-87 ... ... ... Nil

## Re : No of Irrigation Scheme Working at Baghbor Constituency.

Sheikh Abdul Hamid asked :

598. Will the Minister, Irrigation be pleasedto state ;

(a) Number of Irrigation Schemes working at present in No. 45 Baghbar Constituency ?

(i) Major Irrigation Scheme.

(ii) Medium Irrigation Scheme.

(iii) Minor Irrigation Scheme.

(iv) Lift Irrigation Scheme.

(b) Whether any new Irrigation projects have been taken up or proposed in the current year in Baghbar Constituency ?

Shri Pabindra Deka ( Minister, Irrigation ) replied :

(a) (i) Nil.

(ii) Nil.

iii) One lift Irrigation Scheme.

iv) One as Stated in replies to ( iii ) above.

(b) No new Irrigation Schemes have been taken up or proposed in the year 1987-88 in the Baghbar Constituency under the decentralised Subdivisional Plan.

**বিষয় ঃ ঢকুৱাখানা সোনাৰী চাপৰি পথত ৰাজ্যিক পৰিবহন নিগমৰ বাছ চলাচল নিয়মীয়াকৰণ ।**

**শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

৫৯১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উঃ লঃ ঢকুৱাখানা সোনাৰী চাপৰি পথত চলা ৰাজ্যিক পথ পৰিবহন নিগমৰ বাছবোৰ প্ৰায়েই অনিয়মীয়া হোৱা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে বাছবোৰ নিয়মীয়া কৰিবলৈ চৰকাৰে ব্যৱস্থা হাতত লবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) হয় । মাজে সময়ে অনিয়মীয়া হয় ।

(খ) সেৱা সমূহ নিয়মীয়া কৰিবলৈ ৰাজ্যিক পৰিবহন নিগমে ব্যৱস্থা লৈছে ।

**বিষয় ঃ টেঙা আম বান্ধৰ শ্লুইচ গেট ।**

**শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ**

৬০০ । মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ঘিলামৰা বাননিয়ন্ত্ৰণ উপসংমণ্ডলৰ অধীনত থকা টেঙা আম বান্ধৰ শ্লুইচ গেটটো কি উদ্দেশ্যত নিৰ্মাণ কৰা হৈছিল ?

(খ) এই উদ্দেশ্য শ্লুইচ গেটটোৱে পূৰণ কৰিব পাৰিছে নে ?

(গ) যদি পৰা নাই চৰকাৰে শ্লুইচ গেটটো নতুনকৈ নিৰ্মাণ কৰিবলৈ আঁচনি লবনে ?

শ্ৰীছামছিং হাঞ্চে ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ঘিলামৰাৰ টেঙা আম মঠাউৰীত শ্লুইচ গেটখন মঠাউৰীৰ ভিতৰ ফালে থকা পানী ওলাই যাবৰ বাবে দিয়া হৈছিল ।

(খ) শ্লুইচ গেটখনে যান্ত্ৰিক অসুবিধা হেতু অচল হৈ আছে ।

(গ) এই বছৰ বাৰিষাৰ আগে আগে শ্লুইচ গেটখন মেৰামতি কৰি কাৰ্যাক্ষম কৰাৰ ব্যৱস্থা লোৱা হৈছে ।

## Re : Protection Scheme At The Village Kadobi And Chaprabari.

Shri Silvius Condpan asked :

601. Will the Minister, Flood Control be pleased to state :

(a) Whether the Department has taken up any scheme at village Kadobi and at Chaprabari village under Udalguri Subdivision to protect the villages and paddy land from erosion caused by Pachnoi river ?

(b) What protection schemes have been taken up at village Debpukhuri to protect the villages and paddy land from erosion caused by Pachnoi river ?

(c) Any protection schemes taken up in village No. 12 Rangapani to resist erosion caused by Rowta river and also Mazbat Town from Phuloguri river erosion ?

শ্ৰীছামছিং হাঞ্চে ( বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) কোনো আঁচনি হাতত লোৱা হোৱা নাই।

(খ) কোনো আঁচনি লোৱা হোৱা নাই।

(গ) কোনো আঁচনি এই বছৰ লোৱা হোৱা নাই।

১৯৮১-৮২ চনত "মাজবাট টাউন সংৰক্ষনৰ" বাবে এটা আঁচনি লোৱা হৈছিল।

## Re : Employment To Physically Handicapped Persons.

Shri Silvius Condpan asked :

602. Will the Minister, Social Welfare be pleased to state:

(a) The steps taken by the Government to ensure employment to physically handicapped persons as per their qualification ?

(b) Is these any standing order by the Government to all concerned to ensure employment to physically handicapped persons and whether it has been persued ?

Smti. Rekha Rani Das Boro ( Minister of State Women and Social Welfare ) replied :

(a) There is standing instruction of the Government to reserve 3% of the total vacancies for the physically handicapped persons.

(b) Yes, with the limit of reserved quota. It is being pursued.

## বিষয় ঃ মৰিগাওঁৰ বিদ্যুৎ যোগান দিয়া গাৱৰ সংখ্যা।

শ্ৰীহৰেন্দ্ৰ বৰাই সুধিছে :

৬০৩। মাননীয় শক্তি, বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানলৈকে মৰিগাওঁ বিধান সভা সমষ্টিৰ কিমানখন গাৱঁলৈ বিদ্যুতৰ যোগান ধৰা হৈছে ?

(খ) বিদ্যুৎ যোগান দিবলৈ বাকী থকা গাওঁ সমূহৰ নাম জনাবনে ?

(গ) উক্ত সমষ্টিত বিদ্যুতৰ যোগান দিবলৈ বাকী থকা গাওঁ সমূহলৈ বিদ্যুৎ যোগানৰ খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( শক্তি, বিদ্যুৎ আদি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্ত্তমানলৈকে মৰিগাওঁ বিধান সভা সমষ্টিত তলত উল্লেখ কৰা দৰে মুঠ ৪৮৪ খন গাৱঁত বিদ্যুৎ যোগান ধৰা হয়।

| | | |
|---|---|---|
| (১) | মৰিগাওঁ থানা | ৩২৬ খন |
| (২) | মিকিৰ ভেটা থানা | ৬৫ „ |
| (৩) | ৰহা থানা | ৯৩ „ |
| | মুঠ | ৪৮৪ খন |

(খ) মৰিগাওঁ সমষ্টিৰ চনকা গাওঁ ( চি, চি, ৮ ) খনহে বিদ্যুৎ যোগান দিবলৈ বাকী আছে।

(গ) হয়, ব্যৱস্থা গ্ৰহণ কৰা হব।

বিষয় ঃ বৰছলা সমষ্টিৰ খেতি পথাৰত পানী যোগানৰ বাবে গ্ৰহণ কৰা আঁচনি।

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে ঃ

৬০৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৭২ নং বৰছলা সমষ্টিৰ অন্তৰ্গত বিহগুৰি, বাহবাৰী, বৰছলা আৰু বৰগাঁও মৌজাৰ খেতি পথাৰত পানী যোগানৰ বাবে কিবা আঁচনি গ্ৰহণ কৰা হৈছেনে ?

(খ) যদি হৈছে তেন্তে আঁচনি সমূহৰ এটি লেখ ডাঙি ধৰিবনে ?

(গ) এই আচঁনি সমূহৰ কামৰ অগ্ৰগতি বৰ্ত্তমান কোন পৰ্য্যায়ত আছে ?

(ঘ) এই অঞ্চলত পূৰ্বতে স্থাপিত জলসিঞ্চন আচঁনি সমূহে জনসেৱা আগবঢ়োৱাত কিমান দূৰ সফল হৈছে ?

শ্ৰীপবিন্দ্ৰ ডেকা ( জলসিঞ্চন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ৭২ নং বৰছলা সমষ্টিৰ অন্তৰ্গত বিহগুৰি আৰু বৰছলা মৌজাৰ খেতি পথাৰত পানী যোগানৰ বাবে চৰকাৰী গভীৰ নলীনাদ আচঁনি লোৱা

হৈছে । ইয়াৰ উপৰিও ভাড়া খৰিদ ভিত্তিত অসম ৰাজ্যিক ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ণ নিগমৰ দ্বাৰা কৃষকৰ নিজা অগভীৰ নলীনাদ আৰু উত্তোলন কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে ।

(খ) তলত উল্লেখ কৰা চাৰিখন চৰকাৰী গভীৰ নলীনাদ আচঁনি লোৱা হৈছে ।

১। বিহগুৰী গভীৰ নলীনাদ জলসিঞ্চন আচঁনি ।

২। নিৰাই আঁতী, গেৰুৱা পথাৰ গভীৰ নলীনাদ জলসিঞ্চন আচঁনি ।

৩। দ'লবাৰী গভীৰ নলীনাদ জলসিঞ্চন আচঁনি ( জনজাতীয় এলেকাৰ আঁচনি ) ।

৪। নিজ বৰছলা গভীৰ নলীনাদ জলসিঞ্চন আঁচনি ।

( অনুসূচিত জাতিৰ বাবে বিশেষ সংযোগী আঁচনি )

ভাড়া খৰিদ ভিত্তিত জলসিঞ্চন উন্নয়ণ নিগমৰ দ্বাৰা লোৱা কৃষকৰ নিজা জলসিঞ্চন ব্যৱস্থাৰ তালিকা সংশ্লিষ্ট কৰি দিয়া হল । (See at Annexur VI )

(গ) বিহগুৰী গভীৰ নলীনাদ আঁচনি, নিৰাই আটি, গেৰুৱা পথাৰ গভীৰ নলীনাদ আঁচনি দলবাৰী গভীৰ নলীনাদ আঁচনি আৰু নিজ বৰছলা গভীৰ নলীনাদ আচঁনিৰ প্ৰশাসনীয় অনুমোদন ইতিমধ্যে দিয়া হৈছে । বিহগুৰী গভীৰ নলীনাদ আচঁনিৰ কাম কৰিবলৈ বৰ্ত্তমান ব্যৱস্থা হাতত লোৱা হৈছে । প্ৰশাসনীয় অনুমোদন পোৱা বাকী কেইটা আচঁনিৰ কাম ১৯৮৮–৮৯ চনত আৰম্ভ কৰা হব বুলি আশা কৰা হৈছে ।

(ঘ) এই অঞ্চলত পূৰ্ব্বতে স্থাপিত আঁচনি দুটাৰ, বাহবাৰী গভীৰ নলী–নাদ আচঁনিৰ পৰিকল্পিত ২২ টা নলীনাদৰ ভিতৰত ১৫ টা নলীনাদ সম্পূৰ্ণ হৈছে আৰু সজাজ ভেটি গভীৰ নলীনাদ আচঁনিৰ পৰিকল্পিত ৭ টা নলীনাদৰ বিপৰীতে ৬ টাৰ কাম সম্পূৰ্ণ হৈছে । এই দুটা আচঁনিৰ পৰা গড়ে শতকৰা ৭৫ ভাগ এলেকাত পানী যোগান দিয়াত সফল হৈছে ।

বিষয় ঃ মাঘেৰিটা সমষ্টিত বৈদ্যুতিকৰণ আঁচনি ।

শ্ৰীকুলবাহাদুৰ চেত্ৰীয়ে সুধিছে ঃ

৬০৫। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মাৰ্ঘেৰিটা বিধান সভা সমষ্টিত যোৱা বছৰ ১৯৮৭ চনত কিমান খন গাওঁত গ্ৰাম্য বৈদ্যুতিকৰণ কৰা হ'ল গাঁওৰ নামেৰে সৈতে জনাবনে ?

(খ) বাকী থকা গাওঁত কেতিয়া বৈদ্যুতিকৰণ কৰা হব জনাবনে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি, বিদ্যুৎ আদি বিভাগৰ মন্ত্ৰী) য়ে উৰত্ত দিছে :

(ক) মাৰ্ঘেৰিটা বিধান সভা সমষ্টিত ১৯৮৭ চনত ( জানুৱাৰীৰ পৰা ডিচেম্বৰ মাহলৈকে ) ২০ খন গাওঁত বৈদুতিকৰণ কৰা হৈছে। গাওঁবোৰৰ নাম অনুবদ্ধ 'ক' ত সংলগ্ন কৰি দেখুওৱা হৈছে। ( See at Annexure VII )

(খ) বাকী থকা গাওঁৰ ২০ খনৰ বৈদ্যুতিকৰণ ১৯৮৮ চনৰ ফেব্ৰুৱাৰী মাহলৈকে কৰা হৈছে, বাকী ২৩ খনৰ বৈদ্যুতিকৰণ ১৯৮৯ চনৰ মাৰ্চ মাহৰ ভিতৰত আৰু বাকী ৬ খন গাওঁত তাৰ পিচৰ বছৰত হব বুলি আশা কৰিব পাৰি।

## Voting On Demands For Grants.

মাননীয় অধ্যক্ষ ঃ এতিয়া আইটেম নং ২

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় গৃহমন্ত্ৰী ডাঙৰীয়াই ১৪ নং গ্ৰাণ্টৰ যোগেদি আৰক্ষী বিভাগৰ ষ্টাফৰ কাৰণে যি অনুদান বিচাৰিছে মই সেইটোৰ সমৰ্থন কৰিছো আৰু তাৰ ওপৰত যিটো কৰ্ত্তণ প্ৰস্তাব মাননীয় বিৰোধী দলৰ সদস্য সকলে আনিছে সেইটোৰ বিৰোধীতা কৰিছো। কিয়নু বিৰোধী পক্ষৰ সদস্য সকলে আৰক্ষী বিভাগটোক সমালোচনা কৰাৰ নামত সমালোচনা কৰাৰ উদ্দেশ্যে এই কৰ্ত্তণ প্ৰস্তাব আনিছে বুলি উপলব্ধি কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এজন মানুহ ভালনে বেয়া সেই কথাটো নিৰ্ণয় কৰিবলৈ হলে আন এজন মানুহৰ লগত তুলনা কৰি চাব লাগিব। তুলনা মূলক আলোচনাৰ যোগেদিহে এজন মানুহ ভাল নে বেয়া কব পৰা যায়। অসমত আৰক্ষী বিভাগে ভাল কাম কৰিছেনে বেয়া কাম কৰিছে সেইটো জানিবলৈ হলে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য বিলাকৰ লগত তুলনা কৰি চাব

লাগিব। তুলনা বিহীন আলোচনা হলে এটা বিভাগ ভাল নে বেয়া কব পৰা নাযায়। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যৰ আইন শৃংখলাৰ পৰিস্থিতি যে অতি ভাল সেই কথা বিৰোধী পক্ষৰ সদস্য সকলে উপলব্ধি কৰিছে। অনান্য ৰাজ্যৰ তুলনাত যোৱা ২ বছৰে আমাৰ ৰাজ্যৰ আইন শৃংখলাৰ পৰিস্থিতি সন্তোষজনক। অনান্য ৰাজ্যৰ তুলনাত অসমত কোনো দিনেই সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাই, যিটো অন্যান্য ৰাজ্য বিলাকত হৈ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, বাতৰি কাকতত আমি পঢ়িবলৈ পাইছো যে উত্তৰ প্ৰদেশত পুলিছে আইন শৃংখলা ভঙ্গ কৰাৰ অপৰাধত কংগ্ৰেছী বিধায়কক মাৰপিত কৰিব লগীয়া হৈছে। সেই জন বিধায়ক বিৰোধী পক্ষৰ সদস্য নাছিল। কংগ্ৰেছ পাৰ্টিৰ সদস্য আছিল। তাৰ পিচত আন এজন কংগ্ৰেছ বিধায়কক মাৰি পেলালে। আমাৰ ৰাজ্যত পুলিছে বিধায়কক বেয়া ব্যৱহাৰ কৰা দূৰৰ কথা জনসাধাৰণকে কোনো দিনে বেয়া ব্যৱহাৰ কৰা নাই। অৱশ্যে কালি বিৰোধী পক্ষৰ সদস্য সকলে এনেকুৱা কৰিছে, তেনেকুৱা কৰিছে বুলি কৈছে। অৱশ্যে এইটো কথা সত্য যে অধ্যক্ষ মহোদয়, আপুনি ৰাচ এখনত উঠিবলৈ গলে আপোনাৰ গাত ধুলি অলপ লাগিব পাৰে। এখন যুদ্ধ কৰিবলৈ গলে তাত দুই এজন সৈন্য মৰিব পাৰে। সেইটো কোনো ডাঙৰ কথা নহয়। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰ যন্ত্ৰত ভাল মানুহ বেয়া বেয়া মানুহ উভয়ে আছে। বেয়া সকলে বেয়া কাম কৰিবই। তাৰ কাৰণে পুলিচক দোষ দিলে নহব। পুলিছে বেয়া কাম কৰিলে ব্যৱস্থা লবই। উদাহৰণ স্বৰূপে অলপতে ভুমকাত যি ঘটনা হৈ গল সেই সম্পৰ্কত সত্যতা বিশুদ্ধ বুলি প্ৰমাণ হোৱাৰ আগতেই আমাৰ চৰকাৰে প্ৰাথমিক তদন্তৰ প্ৰতিবেদনৰ ওপৰতে ব্যৱস্থা ললে। ঘটনাত জড়িত প্ৰায় সকলোকেই চাচপেণ্ড কৰা হৈছে, আনকি এচ পিকো চাচপেণ্ড কৰা হৈছে। এনেকুৱা কাম আজিলৈকে কোনো চৰকাৰেই কৰা নাই। কিন্তু মই ভাবো যে ভুমকাৰ ঘটনাৰ সম্পৰ্কে পুলিচৰ ওপৰত যি ব্যৱস্থা লোৱা হল সেইটো বেচিকৈ লোৱা হৈছে বুলি অনুভব কৰো। কাৰণ প্ৰাথমিক তদন্তৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰিয়েই ইমান বেচি ব্যৱস্থা লব নালাগিছিল। তাৰ কাৰণে আজি পুলিচ সকল ডিমৰেলাইজ হৈছে। এই সদনতে শ্ৰীনাৰ্জাৰি ডাঙৰীয়া, শ্ৰীবসুমতাৰী ডাঙৰীয়াই এই ঘটনা উল্লেখ কৰাত পুলিচক দোষী বুলি ধৰি লৈ ব্যৱস্থা লোৱা হৈছে। সেই কাৰণেই মই এটা কথা ভাবো যে দোষ যিমান হয় সিমানহে দণ্ড দিব লাগে। মই গৃহমন্ত্ৰী মহো-

দয়ক অনুৰোধ কৰো যে জনজাতীয় সংগঠনে চিক্ৰৰ বাখৰ কৰিলে বুলিয়েই বেচি দণ্ড দিব নালাগে ।

আমাৰ ৰাজ্যৰ আইন শৃংখলাৰ পৰিস্থিতি অতি সন্তোষজনক ! মাননীয় উপাধ্যক্ষ মহোদয়, এই খিনিতে মই এটা কথা কব বিচাৰিছো যে আমাৰ চৰকাৰে দোষী বুলি ভবা দুজন পুলিচ বিষয়া শ্ৰীমোহন ৰাজ আৰু শ্ৰীঅসীম ৰায়ক চাচপেণ্ড কৰিলে । কিন্তু কেন্দ্ৰীয় চৰকাৰে তেওঁলোকক পুনৰ লৈ ললে । এখন চৰকাৰে দুজন বিষয়াক দোষৰ বাবে দণ্ড দিলে কিন্তু কেন্দ্ৰীয় চৰকাৰে তেওঁলোকক মাতি নি পুৰস্কাৰহে দিলে । এই কথাত কংগ্ৰেছী সদস্য সকলে প্ৰতিবাদ কৰিব লাগিছিল । কিন্তু নকৰিলে ।

( সময়ৰ সংকেট )

সেই কাৰণেই মই ভাবো যে বিশেষকৈ আমাৰ ইয়াৰ কংগ্ৰেছী সদস্য সকলে আৰক্ষী বিভাগটোক সমালোচনা কৰাৰ কোনো নৈতিক অধিকাৰ নাই ।

শ্ৰীপ্ৰেমেন দাস ঃ আমাৰ চৰকাৰে নিলম্বিত কৰা কোনো পুলিচ বিষয়াক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিছেনেকি ? এইটো হৈছে যদি বৰ সাংঘাটিক কথা ।

শ্ৰীভৰত নৰহ ঃ হয়, আমাৰ চৰকাৰে নিলম্বিত কৰা দুজন পুলিচ বিষয়াক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিছে । আনকি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য-চৰকাৰক ভদ্ৰতাৰ খাতিৰতো এবাৰ এই বিষয়ে সুধি নাচালে ।

কংগ্ৰেছ কৰ্ম্মী কিছুমানে অহা যোৱা কৰা বাছ বিলাকত বাধা দিয়াৰ কাৰণে, পথ বন্ধ কৰাৰ কাৰণে পথ ঠিক-ঠাক কৰা হৈছে । মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে বিদেশী নাগৰিক চিনাক্তকৰণ কৰিবৰ কাৰণে বিদেশী পঞ্জীয়ন বিষয়া ১৮ জন দিয়াৰ কথা আছিল । তাৰে মাত্ৰ ১০ জন দিছে বাকী ৮ জন দিয়া নাই । প্ৰধান মন্ত্ৰী শ্ৰীৰাজীৱ গান্ধীয়ে ২ এপ্ৰিল তাৰিখে জৰ্জ খেল পথাৰত কংগ্ৰেছ আইৰ সভাত কৈছে অসম চুক্তিৰ প্ৰতি আমাৰ কৰিব লগা একো নাই, মাথোন ৰাজ্য চৰকাৰৰ বাকী আছে । প্ৰধানমন্ত্ৰীৰ এই উক্তিৰ প্ৰতিবাদ কৰিছো । প্ৰধানমন্ত্ৰী এজনে এনে অসত্য আৰু ভিত্তিহীন কথা কব বুলি ভবা নাছিলো । ১৮ জন পঞ্জীয়ন বিষয়া আজি আঢ়ৈ বছৰে কিয় দিয়া নাই ? আৰু কোৱা হৈছিল যে অসম চুক্তি কাৰ্য্যকৰী কৰিবৰ কাৰণে অসম পুলিচ বিভাগত এদিচনেল মেচিনেৰী দিয়া হওক । আৰক্ষী বিভাগটো শক্তিশালী কৰা হওক । কিন্তু আজিলৈকে অতিৰিক্ত মেচিনেৰী দিয়া নাই । অসম চৰকাৰে তিনিটা বেটেলিয়ান খুলিছে । আৰক্ষী বিভাগে

ইয়াৰ বাবে নিজা পইচা খৰচ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ অসম চুক্তি ৰূপায়ণৰ দায়বদ্ধতা শেষ হলনে, ইয়াৰ উত্তৰ প্ৰধানমন্ত্ৰীয়ে দিবনে ? ৰাজ্যিক গৃহ মন্ত্ৰী শ্ৰীচিতাম্বৰণে দুই এপ্ৰিলত কৈছিল আই, পি, এচ বিষয়া সকল ভাৰত কেদাৰৰ। গতিকে তেওঁলোকে হাৰাশাস্তি নকৰিব বুলি মই আশা ৰাখিছো। তেওঁ কব বিচাৰিছে অসমৰ পুলিচ বিভাগে হাৰাশাস্তি কৰিব। মই ভাবো অসমত থকা আই, পি, এচ বিষয়া সকলক অসম চৰকাৰৰ লগত অসহযোগ কৰিবৰ কাৰণে কৈছে। ৰাজ্যিক গৃহ মন্ত্ৰী শ্ৰীচিতাম্বৰণে আই, পি, এচ বিষয়া সকলক এই কথাটো কৈ ভাবুকি দিছে। আই, পি, এচ, বিষয়া, মোহনৰাজ আৰু অচীম ৰায়ক অসম চৰকাৰে নিলম্বিত কৰাৰ পিচত দিল্লীলৈ নি উদাহৰণ দেখুৱাব খুজিছে ৰাজ্য চৰকাৰৰ লগত বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত সহযোগ নকৰিব। কাৰণ ৰাজ্য চৰকাৰে বৰ্খাস্ত কৰিলে কেন্দ্ৰই লৈ গৈ নিযুক্তি দিছে। দুই এপ্ৰিল তাৰিখে কোৱা এই কথা উদ্দেশ্য প্ৰণোদিত বুলি মই তাৰ প্ৰতিবাদ কৰিছো। জনজাতি অধ্যুষিত অঞ্চলৰ সম্পৰ্কত দুটা মান পৰামৰ্শ দিব বিচাৰিছো। জনজাতি অধ্যুষিত অঞ্চলত অজনজাতি লোকৰ পৰা জোৰ জুলুম কৰি চান্দা সংগ্ৰহ কৰিছে। নিদিলে ভাবুকি দিছে এই ঠাই ত্যাগ কৰি যাব লাগিব। কোকৰাঝাৰ, ওদালগুৰি আদি অঞ্চলত জনজাতীয় সংগঠনে তেনেকুৱা ভাবুকি দিছে আৰু ইয়াৰ পিচত দুই এজন বিধায়ক আছে। এই বিষয়ত আৰক্ষী বিভাগে অনুসন্ধান কৰিব লাগে। কাৰ্বি আংলঙত ননকাৰ্বি লোকৰ নিৰাপত্তা নোহোৱা হৈছে। এই সংগঠনবোৰে জনজাতীয় ছোৱালীক অত্যাচাৰ কৰিছে বুলি কৈ চিঞৰ-বাখৰ কৰিছে। জনজাতীয় ছোৱালীৰ মেখেলা, ব্লাউজ টানিনিছে বুলি কৈ ভিত্তিহীন অপপ্ৰচাৰ চলাইছে। যতেই অশান্তি হৈছে তাতেই বিৰোধী পক্ষই হাত দিছে। লামডিঙত অশান্তি হৈছে তাত এজন বিৰোধী পক্ষৰ সদস্য গ্ৰেপ্তাৰ হৈছে। এই অশান্তি বিৰোধী পক্ষৰ উচটনিত হৈছে।

শ্ৰীহেমেন দাস ঃ সমগ্ৰ বিৰোধী পক্ষক আক্ৰমণ কৰাটো সহ্য কৰা নহব।

Shri Altaf Hussain Mazumder : Sir, a point of order. Sir, there is some rule in the House. He has got the right to bring allegation against a legislator. I do not dispute it. But let him follow the procedure name the legislator, Sir.

Dr. Ardhendu Kumar Dey : Sir, Rule 146 (xii) of the Rules of Procedure and Conduct of Business in Assam

Legislative Assembly says that it shall not ordinarily seek to raise a discussion on a matter pending before any statutory tribunal or statutory authority performing any judicial or quasi-judicial functions or any commission or court of enquiry appointed to enquire into or investigate any matter. So, what the Hon'ble member is telling about Bhumka or about the Member – everything is subjudice.

শ্ৰীভৰত চন্দ্ৰ নৰহ : আৰক্ষী বিভাগে অনুসন্ধান কৰিলে গম পাব। অৱশ্যে সকলো সদস্য আছে বুলি কব নোৱাৰো। দুই এজন সদস্য আছে। আমাৰ গৃহমন্ত্ৰীয়ে এক হাজাৰ জনজাতীয় লৰাক নিযুক্তি দিয়াৰ কাৰণে জনজাতীয় ৰাইজৰ হৈ গৃহমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আৰক্ষী বিভাগৰ বাবে যিটো অনুদান বিচাৰিছে তাক সমৰ্থন কৰি আৰু কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Hon'ble Deputy Speaker : Now, Shri Maidul Islam Bora.

* শ্ৰীময়িদুল ইচলাম বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় গৃহ মন্ত্ৰী শ্ৰীভৃগু কুমাৰ ফুকন দেৱে আৰ্থিক বিভাগত যি অনুদান বিছাৰিছে উক্ত অনুদানৰ প্ৰতি সমৰ্থন জনাও। গণপৰিষদ চৰকাৰ গঠন হোৱাৰ দুই বছৰ তিনি মাহ পাৰ হৈ যোৱাৰ পাচত গৃহ বিভাগৰ এক বিশেষ পৰিবৰ্তন কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা দেখা গৈছে। ইয়াক আমি এক উল্লেখ যোগ্য দিশ বুলি কব বিছাৰিছো। পুলিচ প্ৰশাসনক ৰাজনৈতিক ভাবে ব্যৱহাৰ কৰা হোৱা নাই। আমি দেখা পাইছো পূৰ্ব্বৰ চৰকাৰৰ দিনত পুলিচ প্ৰশাসনক নিজৰ ঘৰুৱা কামত ব্যৱহাৰ কৰাৰ উপৰিও আন্দোলনকাৰী নেতাক মাৰ পিট কৰোৱাবলৈকে সেই কাৰ্য্য তেওঁলোকক কৰিবলৈ দিছিল। আনকি উচ্চ পদস্থ পুলিচ বিষয়াক মন্ত্ৰীয়ে দিচপুৰৰ পৰা হুকুম জাৰি কৰাৰ উদাহৰণ আছে। গতিকে সেই বিলাক সলনি কৰাৰ প্ৰচেষ্টা আমাৰ চৰকাৰে লৈছে। বৰ্ত্তমান চৰকাৰক আগুৱাই নিয়াৰ দায়িত্ব কেবল চৰকাৰৰেই নহয়। অসম বাসী অসমৰ যুৱক যুৱতী ছাত্ৰ-ছাত্ৰী সকলোৰে এই চৰকাৰক আগুৱাই নিয়াৰ দায়িত্ব আছে। উৱলী যোৱা সমাজ উদ্ধাৰ কৰাৰ বাবে যিটো কথা মাননীয় সদস্য হেমন দাস ডাঙৰীয়াই কৈছে তাৰ লগত সামঞ্জস্য ৰাখি মই এটা কথা কবলৈ বিছাৰিছো। থানাৰ পৰা গৃহ মন্ত্ৰীলৈ টেলিফোন কৰা ব্যৱস্থা যি মানসিকতা

*Speech not correected.

সেই মানসিকতা ত্যাগ কৰাৰ কাৰণে সমাজৰ সেই যুৱক শ্ৰেণীক আকোৱালী লবৰ বাবে সংস্কাৰ কৰিবৰ বাবে প্ৰচেষ্টা লোৱা উচিত। এনেকুৱা কিছুমান কথা আছে যে ,থানাৰ বিষয়া সকলে মন্ত্ৰী বা বিধায়ক সকলৈ থানাৰ পৰা আচামীয়ে কোৱা মতে টেলিফোন লগাই দিয়ে। তেনেকুৱা কথা এটাই মই আজি ব্যক্ত কৰিব বিছাৰিছো। এই ঘটনা দিচপুৰ থানাৰ পৰাই ঘটিছিল। ৰাতি এটা বজাত দিচপুৰ থানাৰ পৰা এজন বিষয়াই মোৰ তালৈ টেলিফোন কৰিছিল। যিহেতুকে মোৰ বন্ধু মানুহ এজনক ট্ৰাকৰ কাজিয়া এটাৰ কাৰণে থানালৈ লৈ যোৱা হৈছিল। বন্ধুজনে মোৰ নামটো কৈ টেলিফোন কৰিবলৈ কয়। টেলিফোন পোৱাত মই বিষয়া জনক কলো যে এই মাজ ৰাতি মই বিধায়ক হৈ থকা নাই। কালি ৰাতিপুৱা মই গৃহ মন্ত্ৰীৰ লগত কথা পাতিম। তেতিয়া মোৰ বন্ধুজনে টেলিফোনটো ধৰি কান্দিবলৈ ধৰিলে আৰু কলে যে গোটেই ৰাতি থানাত থাকিলে তেওঁৰ কষ্ট হব। কিন্তু মোৰ বন্ধু হলেও মই প্ৰশ্ৰয় দিয়াৰ কথা নাভাবি অলপ টানকৈয়ে কলো। মই কলো বন্ধু হলেও মই একো সহায় কৰিব নোৱাৰিলো। পুলিচ বিষয়াজনে হয়তো ভাবিছিল যে তেওঁৰ কামটোও হওক আৰু লগতে বিধায়কৰ টেলিফোন পালে তেখেতক এৰি দিব পাৰিব। এই ধৰণৰ কথা কিছুমান আছে নোহোৱা নহয়। দুই এজন যুৱক আছে গৃহ মন্ত্ৰী বা মুখ্য মন্ত্ৰীৰ নাম লৈ দুই এটা অঘটন ঘটাইছে। চৰকাৰে সেই কামত উদ্‌গনি উৎসাহ দিয়া নাই। গতিকে এনে অৱস্থাত যদি গৃহ মন্ত্ৰীক দোষাৰূপ কৰে তেন্তে খুব এটা ভাল নহব। আমিও আক্ৰমণ কৰাৰ মনেৰে পূৰ্ব্বৰ চৰকাৰক নাৰী ধৰ্ষনৰ পৰা আৰম্ভ কৰি অত্যাচাৰ, গ্ৰেপ্তাৰ কৰাৰ কথা সদনত কৈ থাকিব পাৰো। কিন্ত এই কথাৰ দ্বাৰা এইটো নুবুজাই বৰ্ত্তমান চৰকাৰৰ দিনত আমি ৰাইজক সেই অত্যাচাৰ কৰিম। আমাৰ বহুতো সদস্য ক্ষোভিত পূৰ্ব্বৰ চৰকাৰৰ দিনৰ ঘটনাৰ কথা ইয়াত কৈছে। পূৰ্ব্বৰ চৰকাৰৰ দিনত কি ঘটনা হৈছে আপুনি নিশ্চয় জানে সন্মুখত বহি থকা মন্ত্ৰী বিলাকৰ মুখলৈ চালেই গম পাব। তেওঁলোকক কেনেকৈ অমানবীয় অত্যাচাৰ কৰা হৈছিল। আমাৰ পৰিবহণ মন্ত্ৰীক এজন পুলিচ বিষয়াই মাৰপিট কৰিছিল। সেই পুলিচ বিষয়াজন তেখেতৰ সমষ্টিত বা অন্য ঠাইত আছে। সেই অত্যাচাৰৰ আখেজ লবলৈ চেষ্টা কৰা নাই বৰঞ্চ সংস্কাৰ কৰিবলৈ উৎসাহ উদ্দিপনা যোগাইছে। মই এটা সৰু উদাহৰণ দিছো আন্দোলনৰ শেষ ভাগত বৰ্ত্তমানৰ গৃহমন্ত্ৰী আৰু

মুখ্যমন্ত্ৰী আলোচনাৰ কালত দিল্লীৰ পৰা অহাত এয়াৰ পোৰ্টৰ পৰা গাড়ীৰে ইউনিভাৰচিটিলৈ লৈ গৈছো। ভৰত নৰহো আছিল। সেই সময়ৰ চৰকাৰে ছাত্ৰৰ মাজত পইচা দি বহু যুবক ৰাখি থৈছিল। ভৰত নৰহে কলে চুটকেচ আৰু বস্তু বিলাক ইয়াতে ৰাখি থওঁ নেকি? তেওঁ কলে পিচদিনা চাব কি অৱস্থা হয়। সচা কথা পিচদিনা ইউনিভাৰচিটিলৈ অহা সময়ত ফাচি বজাৰৰ মাজ মজিয়াত পুলিচ বিষয়াই ঘেৰাও কৰি অপমান কৰিছে আৰু বৰ্তমানৰ গৃহ মন্ত্ৰী, মুখ্যমন্ত্ৰীক গালি পাৰিছে। এতিয়াও তেওঁ ভাল পুলিচ বিষয়া হৈ আছে। আপোনালোকে এনে ব্যৱহাৰ কিয় কৰিছে বুলি সোধাত তেওঁ কলে যেনেকুৱা চৰকাৰ তেনেকুৱা কাম। আমাব গৃহ মন্ত্ৰীয়ে যেনে ধৰণে চলাইছে আজি তেনেকুৱা ব্যবহাৰ নাপাব। আজি ইয়াত সেই সময়ৰ গন্য মান্য বিধায়ক আছে। কি অত্যাচাৰ কৰিছিল নিশ্চয় মনত আছে। ইমাৰ্জিন্সিৰ সময়ত অসমৰ বাহিৰত কিছুমান ৰাজনৈতিক নেতাক দৌৰিবলৈ দি গুলিয়াই হত্যা কৰা হৈছিল। মোহন ৰাজ আৰু অচিম ৰায়ক অসম চৰকাৰৰ সন্মতি নোলোৱাকৈ দিল্লীলৈ লৈ গৈছে। ই কি নিকা প্ৰশাসনৰ নমুনা? পুলিচ বিভাগত বহুতো ভাল কাম হৈছে আমি ভাল পাইছো। আমাৰ দিনত ভাৰত-বৰ্ষৰ দ্বিতীয় নাৰী সদন বৰপেটাত হৈছে। অপৰাধীক ধৰিবৰ বাবে অনাতাৰ বাৰ্তা চিত্ৰ ব্যবহাৰ কৰা হৈছে, যান-বাহনৰ আমোল পৰিবৰ্ত্তন কৰা হৈছে, ভিতৰুৱা অঞ্চলত আৰক্ষী থানা বহুৱাইছে, শিলচৰত ৰিক্ৰিউটমেণ্ট চেণ্টাৰ বহুৱা হৈছে। দুই এজন সদস্যই কৈছে যে শিলচৰত ভৰ্ত্তিকৰা হোৱা নাই। গৃহ মন্ত্ৰীৰ পৰা জানিব পৰা মতে তাৰ জৰিয়তে মকৰল কৰা হৈছে। তাৰোপৰি জেল সংস্কাৰ কৰা ব্যবস্থা কৰা হৈছে। আমি মিছা আইনৰ অধীনত জেলত থাকোতে ভাত, তৰকাৰী বৰ্ণনা কৰিব নোৱাৰা অবস্থা আছিল। এতিয়া কয়দী সকলে পাবলগীয়া সা-সুবিধা পাইছে। তিনি হাজাৰৰো অধিক জনজাতীয় লোকক মকৰল কৰা হৈছে। বেক লগ পূৰণ কৰিছে। আলোচনা প্ৰসংগত কোৱা কথা বিলাক কাৰোবাৰ মনত লাগিলে বেয়া নাপাব আমাৰ চৰকাৰৰ দিনত বেয়া কাম নকৰে সেইটো স্পষ্ট কথা। এই খিনি কথা কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri A. F. Gulam Osmani : Mr Deputy Speaker Sir, in supporting the cut-motion against the demand on Police, I want to point out first the fact that if we make general

allegations against the police some times it becomes unproductive. We have seen how the Police is used for the purpose other than for which it is meant. Sir, Police has got many difficulties and they have to perform a very important function, that is maintenace of law and order. The people having experience of the administration wisely termed the Police as the guardian of law and order. It is not a negative approach which holds Police is enforces of law and order; rather they wanted to see the Police performing an important Social function and as such notice is seen, guardian of law and order, that means the society.

So, Sir, it is of paramount importance how police behaves in a particular situation. Sir, in this respect I want to cite an example. The London Police which still now generally regarded as the best function without arms inspite of great provocations. Sir, I want to emphasise this point that every administration, whether it is Congress or A.G.P. should remember that Police should act as the guardian of the society. Now, when we want to get something done which is against the rules, after Police is used as an instrument for the purpose for which it is not created and political parties also use the police force for political gains and the blame for this type of unholly a deployment of police force had to be shared by the force. This blame is taken by the Police force; but it, in fact, originates from the politicians or the administrators. So, Sir, criticims must be objective. Even when I pass before the Assembly House, happen to cast my eyes on the dilapidated types of camps where our police force is accomodated, I feel sorry for them, for they are living in most deplorable

condition of housing. Then Sir, how can we expect Police to be efficient. They are human beings and they want to have human comforts as well. In that end in view, a Housing Corporation was created and we have seen some improvement in the housing condition of the police force; but many things have still to be done. The politicians must not use the police force as their instrument for which police happen to be object of hatred of the society.

Sir, now I raise a very human type of problem how police has become rather insensitive to human sufferings and values. Sir, in the diaries written by the great Police administrators tike Charles Teggert and other Police administrators that the Police initially comes to serve the society with full sense of human values but deterriation appear subsequently. My learned friends, Bharat Narah and Mr. Moidul Islam Bora referred to the functioning of the Police force vis-a-vis the Assam Accord. Sir, I have seen the sentiments of this House when the Bhumka affair was mentioned by the members irrespective of party affiliation. The leader of the House, the Chief Minister as well as the Home Minister were unequivocably condemned the incidence and we were happy to see that the Government has done its duty fairly. We want to see that justice is done.

This Government is the child of a movement, run by the children of the movement itself. I am ready to use the terms revolution in the sense that you had some political commitment. Not only the Police but also other officials of the bureaucracy may be utilising your political commitment and sentiment to gain rather their own purposes. Sir, under the certain Clauses of Assam Accord, like Clauses 5 and 7 — a human problem is there. Sir, no sensible man will support these clauses and it will not serve the purpose of the Government. It is stated that the person

who have reinfiltrated to be taken by the police at the border of Bangladesh in the name of expulsion. Sir, in the name of expulsion what has happened is that even the young girls and married women were molested either on this side or on that side of the border. Sir, this type of incidence have hurt us. Sir, so many unseen incidence of this type are happening which we do not know. The other day ... ... ... ... ... .

Mr. Chidambaram, the Union Minister of state for Home Affairs incourse of commenting on the statement made by the Chief Minister of Assam used the word, 'deportation'. Sir, whether the terms 'expulsion' and 'deportation' have become synonimous ? The Chief Minister of Assam and the Home Minister made statement the otherday that it was a responsibility on the Government of India to take out these people ? I understand this is very correct. You cannot deport people. You can detect and determine but if you expel you will create another problem. Can I draw the attention of the Honourable Home Minister to the fact that suppose he is able to expel a lakh of people, then perhaps he will have to rush to the border to see the magnitude of the problems that would be created and there he will see that the expelled people are unable to go to the other side of the border. so, I say that police should not be blamed. The women, may be they are infiltrators may be they are foreigners, but they have their chastity. Should they be molested whether by the force belonging to the Bangladesh Rifles or our force or of the Border Security Force ? I would request the honourable Chief Minister to take up this matter with the Government of India to make them understand that this type of superfitial solution of expulsion will not be fruitful. Let there be a threadbare discussion. If you are to send those people in this way, it would not be legal. There should be a procedure. Why

Government of Assam will be blamed ? We brought it to the notice of the Chief Minister as well as Home Minister about this type of problems. But let us go to the root of the problem. You cannot solve the problem like that. May I tell the Treasury Branches of this House what the Prime Minister told us in one interview ? He said that it was not possible to send out people to Bangladesh. They come back being not allowed entry. Those who have come perhaps they are to stay. Our concern will be to see that there would be no further infiltration. I can say that The Prime Minister told this to a delegation of UMF as well as Citizens' Right Preservation Committee. This is the real assessment that they cannot be driven out but even if you think that they are foreigners and they are not entitled to have all the rights of Indian citizens you can declare them stateless and allow them to stay in their respective home steads. But you broke up their houses, their properties are looted but you cannot expel them. So, I draw the attention of the honourable Home Minister that substantial amount will be spent for this type of useless exercise but he should see that this type of inhuman thing should not happen. He should take up the matter with the Government of India and it should be responsibility of the Government of India to take out these people from Assam so long they stay here. He can keep surveillance and if necessary, he should demand sufficient financial assistance for the purpose of the service. We, as Members of the UMF will always support him in that demand.

Sir, only one more point I want to refer. Sir, this is about a small minority community. There is no representation of this community in this House. They are primarily a business community. They are generally called Marwaris. They are important people in India's economy. Because they have got money they are being

always molested by various type of forces. I do not want to blame the Government for that purpose because I know time and again, Government have warned the people who go for forcible collection of subscription. The other day, I have received a representation from Tinsukia. I think, Home Minster also has got a copy of this. Their representation is in connection with a kidnapping and demand for ransom. They may be very affluent but they also have the right to live in this State as any other citizen without molestation. You can take money from them in the form of taxes, but any type of political pressure or any type of pressure should not be there. This type of pressure put by some undesirable elements should not be tolerated. So sir, I make a special appeal to the authority that they should not have such feeling that because they have come from other states they are being treated in such a way. We should remember Jyoti Prasad Agarwala. We should also remember the great people coming from other states who enriched the culture as well as economy of this State. So, this community should not feel like that. I hope, the Home Minister will give due consideration to the representation made by Tinsukia Chambers' of Commerce. With this, I conclude sir.

* শ্ৰী মতি দাস : মাননীয় উপাধ্যক্ষ মহোদয়, পুলিচ বিভাগৰ কাৰণে মাননীয় গৃহমন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো— কাৰণ আমাৰ অসমৰ জনসাধাৰণৰ নিৰাপত্তা আৰু ৰক্ষণাবেক্ষণৰ বাবে এই বিভাগটো অতি গুৰুত্বপূৰ্ণ বিভাগ। কিন্তু মই ভাবো আমাৰ পুলিচ বিভাগটো নতুনকৈ সজাবব হৈছে। কিয়নো বিগত কিছু বছৰ ধৰি আমি দেখিবলৈ পাইছো যে পুলিচ বাহিনীৰ মন আমাৰ জনসাধাৰণৰ প্ৰতিকূলে গৈছে। তেওঁলোকৰ কাৰ্য্য জনসাধাৰণৰ অনুকূল আনিবলগা হৈছে। আজি অসমৰ পুলিচ বাহিনী প্ৰয়োজনতকৈ কম হোৱাৰ কাৰণে কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ লোক আনি অসমৰ আইন শৃংখলা ৰক্ষাৰ কামত লগোৱা হৈছে। এই বাহিনীৰ লোক সকলে দোষী-নিৰ্দোষী নিৰ্ব্বিচাৰে জনসাধাৰণক জীয়াতু ভোগাইছে।

* Speech not corrected

উপাধ্যক্ষ মহোদয়, প্ৰয়োজন হলে আমাৰ আৰু পুলিচ বাহিনী খুলিব লাগে। ইয়াৰ জৰিয়তে আমাৰ কিছু সংখ্যক নিবনুৱা সমস্যাৰো সমাধান হব লগতে পুলিচ বাহিনীৰ নাটনিও দূৰ হব। অধ্যক্ষ মহোদয়, আজি ইয়াত এই পুলিচৰ শিতানত যি মঞ্জুৰী বিচাৰিছে সেইয়া মোৰ বোধেৰে যথেষ্ট নহয়। আমাৰ ৰাজ্যৰ কিছুমান অঞ্চলত এতিয়াও থানা বা আউটপোষ্ট নাই সেইবোৰ অঞ্চলৰ ৰাইজে চোৰ-ডকাইতৰ ভয়ত প্ৰাণৰ ত্ৰাসত জীৱন নিৰ্ব্বাহ কৰিবলগা হৈছে। তেওঁলোকে জীয়াই থকাৰ মোহ হেৰুৱাবলগা হৈছে। আমাৰ মায়ং, লাহৰিঘাট আদি অঞ্চলত সঘনে চোৰ, ডকাইটি হৈ থাকে, তাৰ ৰাইজে সন্ত্ৰাসত থাকিবলগা হৈছে চৰকাৰে চোৰ, ডকাইটৰ ত্ৰাসৰ পৰা জনসাধাৰণক অভয় দিব পাৰিব লাগে। আমাৰ চৰকাৰে বিগত দুটা বছৰত তিনিটা নতুন পুলিচ বেটেলিয়ন খুলিছে- এইটো ভাল কথা হৈছে, কিন্তু মই ভাবো ইয়াৰ আৰু প্ৰয়োজন আছে আৰু যদি চৰকাৰেও ইয়াৰ আৰু প্ৰয়োজন বুলি ভাবিছে তেন্তে নতুন বেটেলিয়ন খোলাৰ ব্যৱস্থা হাতত লব লাগে। যাতে ৰাজ্যখনৰ আইন শৃংখলা ৰক্ষাৰ সময়ত প্ৰয়োজনীয় পুলিচ বাহিনী আমাৰ হাতত থাকে।

আৰু আমি দেখিছো কিছুমান টাস্কফোৰ্চ বাহিনী খোলা হৈছে কিন্তু মই দেখিছো এই টাস্কফোৰ্চ বাহিনীৰ বিশেষ একো কাম নাই বা তেওঁলোকক তেনেকুৱা কোনো প্ৰশিক্ষনৰ মাধ্যমেৰে লোৱা হোৱা নাছিল। মোৰ মায়ং অঞ্চলতো তেনে টাস্কফোৰ্চ বাহিনী আছে। যোৱা বছৰ যেতিয়া বানপানী হৈছিল আমি তেতিয়া তেওঁলোকৰ সহায় বিছাৰোতে কলে যে তেওঁলোকৰ এইটো দায়িত্ব নহয় বুলি মন্তব্য দিলে। গতিকে টাস্কফোৰ্চ বাহিনীটো হয়তো যি কামত ব্যৱহৃত হব লাগিছিল সেই কামত ব্যৱহৃত হোৱা নাই। গতিকে তেওঁলোক প্ৰশিক্ষন তথা যন্ত্ৰপাতি দি তেওঁলোকক যাতে আৰু বেছি কাৰ্য্যক্ষম কৰি তুলিব পাৰি তাৰ কাৰণে গৃহমন্ত্ৰী মহোদয়ে মনোনিবেশ কৰিব বুলি আশা কৰিলো। তাৰ পিছত, আমাৰ চৰকাৰ অহাৰ পিছত আমাৰ যিটো পুলিচ বাহিনী তেওঁলোকে অসমৰ ৰাইজক আপোন কৰি লব পৰা নাই বা তেনে মানসিকতা তেওঁলোকৰ ফিৰি অহা নাই। গতিকে বিশেষ নিৰ্দ্দেশযোগে তেওঁলোকে যাতে আগৰ ভাৱপ্ৰৱনতা বাদ দি আমি জনসাধাৰণক যি আশ্বাস দি আহিছিলো সেই আশ্বাসৰ আহিত যাতে পুলিচ বিভাগে কাম কৰিব পাৰে তাৰ কাৰণে বিভাগীয় নিৰ্দ্দেশ দিবলৈ গৃহমন্ত্ৰীক অনুৰোধ জনালো। কাৰণ বিভাগীয় নিৰ্দ্দেশ নাপালে তেওঁলোকে আমাৰ অনুৰোধ ৰক্ষা নকৰে কাৰণ তেওঁলোকে কয় যে তেওঁলোক অকল চৰকাৰৰ

নিৰ্দ্দেশতহে দায়িবদ্ধ ।

উপাধ্যক্ষ মহোদয়, আমাৰ ধৰমতুলত এটা আৰক্ষী চকী আছে এই আৰক্ষী চকীটোৰ কিবা প্ৰয়োজনীয়তা আছিল বুলি নাভাবো। আগৰ যিজন বিধায়ক তেওঁৰ কাষতে আৰক্ষী থানা লাগে বুলিয়ে বোধকৰো এই আৰক্ষী থানাখন হৈছে। কিন্তু যিবিলাক ঠাইত দিনে নিশাই চোৰ ডকাইতি এতিয়াও হয় তেনেঠাই বিলাকত কিন্তু আগৰ চৰকাৰে গুৰুত্ব দিয়া নাছিল। মই গৃহমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যিবিলাক এনে ধৰণৰ ঠাইত দিনে ৰাতি চোৰ ডকাইতি হয় বাইজে নিস্তাৰ পোৱা নাই সেই ঠাই বিলাকত আৰক্ষী থানা বা আৰক্ষী কেম্প দি জনসাধাৰণক ভয় সংকাৰ পৰা ৰক্ষা কৰিব লাগে। আনহাতে আমাৰ যিটো আৰক্ষী বাহিনী তেওলোকৰ ভাৱধাৰাৰ পৰিবৰ্ত্তন কৰি সময় সাপেক্ষে তেওঁলোকৰ পৰা যাতে সৰ্ব্বসাধাৰণ জনসাধাৰণে সহজে সহায় পায় আৰু দেশৰ জনসাধাৰণক ৰক্ষনাবেক্ষন দিব পাৰে, আইনশৃঙ্খলা অটুট ৰাখিব পাৰে তাৰ কাৰণে বিহীত ব্যৱস্থা লবলৈ গৃহমন্ত্ৰীক অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীদুৰ্গা দাস বড়ো : মাননীয় উপাধ্যক্ষ মহোদয়, গৃহ বিভাগৰ যিখিনি প্ৰয়োজনীয় টকাৰ বিপৰিতে কৰ্ত্তন প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধীতা কৰিছো অৱশ্যে তেখেত সকলেও টকা দিব নালাগে বুলি কোৱা নাই। এই বিভাগটোক আলোচনা বিলোচনা কৰিবলৈকেহে আৰু পৰামৰ্শ দিবলৈহে কৰ্ত্তন প্ৰস্তাৱ আনিছে। ময়ো এই বিভাগটোক প্ৰশংসা কৰিবলৈ বা বেয়া বুলি গৰিহনা দিবলৈ উঠা নাই। যেনেকৈ এখন চৰকাৰ কণ্টিনিউ কৰে পুলিচ বিভাগটোও আগতে আছিল এতিয়াও আছে আৰু ভবিষ্যতেও থাকিব। অসমৰ পুলিচ বিভাগটোৰ যি চৰিত্ৰ সেই চৰিত্ৰ দুই বছৰৰ ভিতৰতে জোৰকৈ অসম গণপৰিষদ চৰকাৰে সলনি কৰা কোনোমতেই সম্ভৱ নহয়। যি পুলিচ বাহিনীক অসমীয়া জাতিৰ ৰাজহাড় ভাঙি গোটেই অসমখনকে মযিমূৰ কৰিবলৈ কংগ্ৰেছ আই চৰকাৰে বিগত ৬ বছৰত প্ৰচেষ্টা চলাইছিল, যি অসমৰ পুলিচ বাহিনীয়ে অসমীয়া শিশু নাৰী পুৰুষক শিয়াল কুকুৰৰ নিচিনা ব্যৱহাৰ কৰিবলৈ কংগ্ৰেছ চৰকাৰে লগাইছিল সেই পুলিচ বাহিনীক দুই বছৰতে আমি প্ৰশংসা কৰিলে সত্যৰ অপলাপ কৰা হব। তথাপি এই পুলিচ বাহিনীৰ অপকৰ্ম্ম বিলাক নাইকীয়া কৰি সৎ কাম কৰিবৰ কাৰণে অসম গণপৰিষদ চৰকাৰে তেওঁলোকক সংশোধন কৰি লব লাগিব। আৰু তেনে সংশোধন এই ধৰণৰ আলোচনা বিলোচনাৰ মাজেদি

* Speech not corrected

সত পৰামৰ্শৰে তেওঁলোকৰ চৰিত্ৰ সংশোধনৰ চেষ্টা কৰিব লাগিব। এতিয়া এই পুলিচ বাহিনীৰ কৰ্ত্তন প্ৰস্তাৱটোৰ ওপৰত কি আছে কি নাই কব যোৱাৰ আগতে বৰ্ত্তমানৰ চলিত সময়ত জনসাধাৰণক সুৰক্ষা দিয়া আৰু আইন শৃংখলা ৰক্ষা কৰা সম্পৰ্কে পুলিচৰ দায়িত্বৰ বিষয়ে দুষাৰমান বক্তব্য ৰাখিব বিছাৰিছো। আমাৰ আগৰ দুই এজন বিৰোধী পক্ষৰ মাননীয় সদস্যই কৈছে যে সৰু সৰু বিক্ষিপ্ত ঘটনা বিলাক ৰাজ্যখনত ঘটি আছে। সৰু সৰু বিক্ষিপ্ত ঘটনা চোৰ ডকাইত আছে কাৰণেই পুলিচ বাহিনী নিয়ন্ত্ৰনৰ কাৰণে আছে কিন্তু এই সৰু সৰু ঘটনা বিলাকৰ কাৰণে ৰাজ্যখনত আইন শৃংখলা নষ্ট কৰা বুলি কোৱা যায় তেনেহলে সচা কথা নহব। আমাৰ মাননীয় সদস্য শ্ৰীভৰত নৰহ ডাঙৰীয়াই এটা কথা কৈছে যে তুলনা কৰি এটা কথা কোৱা উচিত। অসমৰ পুলিচৰ তুলনাত অন্য ৰাজ্যৰ পুলিচে কেনেকৈ আইন শৃংখলা ৰক্ষা কৰিব পাৰিছে, অন্য ঠাইত যদি তুলনামূলকভাবে আইন শৃংখলা অটুট আছে তেনেহলে আমাৰ ইয়াত শান্তি বিৰাজ কৰিছে বুলি ধৰিব নোৱাৰো।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা পৰহি ওদালগুৰিত ১৪৪ ধাৰা জাৰি কৰা বুলি দূৰদৰ্শন যোগে জানিব পাৰিলোঁ। জোৰ জুলুম কৰি চান্দা তুলি-বলৈ চেষ্টা কৰাৰ কাৰণেই এটা সৰু ঘটনা হোৱাত ১৪৪ ধাৰা জাৰি কৰিবলগীয়া হৈছে। এই ১৪৪ ধাৰাৰ অধীনত আজি ওদালগুৰি থানাৰ পুলিচে যদি বিহিত ব্যৱস্থা যদি কিবা লবলগা হয় তেনেহলে সেইটো পুলিচ বিভাগে কাৰোবাৰ ওপৰত অত্যাচাৰ কৰা বুলি এই সদনত যদি চিঞৰ বাখৰ কৰা হয় তেন্তে সেইটো ঠিক কথা নহব। তাৰ যি সকল বাসিন্দা, সেই বাসিন্দা সকলেই বাধ্য কৰাইছে এইটো কৰিবলৈ। তাত জোৰ জুলুম কৰি টকা পইচা বা চান্দা আদায় কৰিবলৈ চেষ্টা কৰা হৈছে। জনজাতীয় দুই এটা সংগঠনে অজনজাতীয়ক চিঠি যোগে কিবা দাবীও কৰা বুলি শুনিছোঁ। কৰবাত আকৌ কোনোবাই "মোৰ ঘৰত আজি দুটা মুৰগী দিব" বা কৰবাত মোক ছাগলী এটা দিবি আকৌ কৰবাত এনেও হৈছে যে কোনোবাই কাৰো-বাৰ পৰা ২০ বছৰ আগতে কিনা মাটি আকৌ ঘূৰাই খুজিছে যে সেই ২০ বছৰ আগৰ দামতে তেওঁলোকক ঘূৰাই দিব লাগে। ইয়াত অকল চান্দাৰ কথাই নহয় এইধৰনৰ বহু কথাই তাত আছে। বিশেষকৈ দুই এটা সংগঠনে এইটো কৰি আছে। সেয়ে এই অঞ্চলসমূহত পুলিচ বিভাগে বিশেষ দৃষ্টি দিয়া

* Speech not corrected.

উচিত। কোনোবা দিনা গৈ কোকৰাঝাৰ জিলাত যি অৱস্থা হৈছে সেই অৱস্থা ওদালগুৰিত নহব তাৰ কোনো মানে নাই। কোকৰাঝাৰ জিলাৰ অৱস্থা ওদালগুৰি মহকুমাত অচিৰে ঘটাবলৈ কোনোবাই কুট কৌশল ৰচনা কৰি আছে, সেই-টোলৈ আৰু বৰ বেছি দিন নাই। আমি হয়তো অলপ দিনৰ পিচত সেই ঘটনাৰ নায়ক, খল নায়ক কোন আৰু মূল নায়ক কোন এই বিলাক কথা ঘোষণা কৰিব পাৰিম। গতিকেই এই কথাটো আজি মই কৰ্তন প্ৰস্তাৱৰ আলোচনাৰ যোগেদিয়েই গৃহমন্ত্ৰী মহোদয়ক জনাব বিচাৰিছোঁ লগতে পৰামৰ্শও আগবঢ়াব খুজিছো যে যি বিলাক অঞ্চলত 'ক্ৰাইম' হয় আৰু অপৰাধ প্ৰৱনতাৰ সংখ্যা যত বেছি সেই অঞ্চল বিলাক বাছি উলিয়াই আৰক্ষী চকী যোগে, প্ৰয়ো-জন হলে আৰক্ষী চকী বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিব লাগে। আগৰ এজন মান-নীয় সদস্যই কোৱাৰ দৰে যে পুলিচে ৰাইফল লৈ দৌৰি যায় কিন্তু ফায়াৰিংৰ সময়ত গুলী নাই বুলি কোৱা অৱস্থাই যদি হয় তেন্তে ৰাইফল আৰু এদাল সাধাৰণ লাঠীৰ মাজত কোনো প্ৰাৰ্থক্য নাই বুলিয়েই আমি ভাবিম। মই গৃহমন্ত্ৰী ডাঙৰীয়াক সেই কাৰণেই কৈছোঁ আজিৰ পৰা ২০ বছৰ আগতে যি বিলাক মানুহ পুলিচত সোমাইছিল তেতিয়া যিধৰনে আমৰ্চ এমিউনেচনৰ প্ৰশি-ক্ষন দিছিল, আজি ২০ বছৰৰ পিচত যিবিলাক চফিষ্টিকেটেড্ অস্ত্ৰ সস্ত্ৰ ওলাইছে সেই বিলাকৰ জ্ঞান আগৰ প্ৰশিক্ষন প্ৰাপ্ত লোক সকলৰ নাই। সেই কাৰণেই এই অস্ত্ৰ সস্ত্ৰ সমূহ চলাব নজনা মানুহৰ কাৰণে লাঠী দালৰ নিচিনাই হৈছে। কাৰণ কি কৰিব লাগিব তেওঁলোকে নাজানে। সেয়ে তেওঁলোকক নতুনকৈ প্ৰশিক্ষন দিব লাগিব এল, এম, জি ৰ বিৰুদ্ধে ৰাইফলেৰে যুদ্ধ কৰাৰ কৌশল তেওঁলোকক শিকাব লাগিব। কেইদিনমান আগতে ওদালগুৰিত এটা ঘটনা হৈছে, অৱশ্যে তাত আজি কালি সঘনে ঘটনা ঘটিবলৈ লৈছে। কেইজনমান জনজাতীয় যুৱকে ৬ জনমান বিহাৰী মানুহক জোৰ জুলুম কৰি চান্দা বিচাৰিছে, তেওঁলোকৰ হাতত ৰছিদ আছে। পিচত তেওঁলোকে পুলিচক ঘটনাতো জনোৱাত পুলিচ আহি তাৰ কেইজনমান লৰাক এৰেষ্ট কৰিলে। তাৰ পিচত উপাধ্যক্ষ মহোদয়, সেই বিহাৰী মানুহকিজনক কিড্নেপ' কৰা হল। কিডনেপ কৰি নি বহুত মাৰপিটো কৰিলে আৰু ওদালগুৰি পুলিচক জনালে যে জনজাতীয় সংগঠনটোৰ লৰাকেইজনক এৰি নিদিলে আমি এই কিডনেপ কৰা মানুহ কেইজনক এৰি নিদিওঁ। উপাধ্যক্ষ মহোদয়, ওদালগুৰি থানাৰ পুলিচে

এই কামৰ বিপৰীতে কি কৰিলে শুনক, এই জনজাতীয় যুৱক কেইজনক চান্দা ঘূৰাই দিলে আৰু সেই জনজাতীয় যুৱক কেইজনক এৰি দিলে। তাৰ পিচত এই যুৱক কেইজন গৈ পিচত সেই বিহাৰী মানুহ কেইজনক এৰি দিয়ে। সেই কাৰনে কৈছোঁ এই পুলিচ বিভাগে কি কাৰনত এই জনজাতীয় যুৱক কেইজনক এৰি দিলে, টকা পইচা খিনিও ঘূৰাই দিলে সেইটো বিচাৰ কৰি চোৱা উচিত। নহলে কিছুমান জনজাতীয় সংগঠনে এইদৰে যি ধৰনে অত্যাচাৰ আৰম্ভ কৰিছে সেইটো ভৱিষ্যতে অন্যফালে ঢালখাব। গতিকে মই আজি এই কৰ্ত্তন প্ৰস্তাৱৰ যোগেদি আৰু এটা কথাকৈ সামৰণী মাৰিম। সেয়ে শেষত মই অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত এটা কথা কওঁ আজিৰ পৰা কেইদিনমান আগতে প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী আহিছিল আৰু ত্ৰিপুৰাৰ ৰাজহুৱা সভা এখনত কৈছিল যে যি সকল চাকমা বাংলাদেশী আছে সেই সকলক বাংলাদেশ চৰকাৰে ফিৰাই লোৱাৰ সম্পৰ্কত বাংলাদেশ চৰকাৰৰ লগত আমি আলোচনা কৰিম। ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীৰ এই কথাত মই তেখেতক ধন্যবাদ জনাইছোঁ যে বাংলাদেশী চাকমা আছে বুলি তেওঁ স্বীকাৰ কৰিছে। কিন্তু এই একেই ভাৰতবৰ্ষৰ অসমত থকা লাখ লাখ বিদেশী সম্পৰ্কে কোনো দিনেই ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে এবাৰো স্বীকাৰ নকৰিলে। এবাৰো নকলে অসমত থকা বিদেশী সম্পৰ্কে আমি বাংলাদেশ চৰকাৰৰ লগত আলোচনা বিলোচনা কৰি সমাধান কৰিম। এই কথাটো নোকোৱাৰ কাৰনেই আমাৰ গৃহমন্ত্ৰী মহোদয়ে অসম পুলিচ বিভাগৰ কেইবাখনো সভা পাতি সকলো উচ্চ বিষয়া আৰু অন্যান্য বিষয়া সকলক কবলৈ বাধ্য হৈছে যে চুক্তি ৰূপায়ন সম্পৰ্কে আপোনালোকৰ দায়িত্ব বেছি আছে। আৰু অসম চৰকাৰে পুলিচ বিভাগক লৈয়েই চুক্তি সম্পাদন কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, আপোনাৰ সঙ্কেত ধ্বনিৰ প্ৰতি সন্মান জনাই মই শেষ কৰিবলৈ বিচাৰিছোঁ মাত্ৰ এটা কথাকৈয়েই। ওদালগুৰি মহকুমাতো কোকৰাঝাৰৰ নিচিনা ঘটনা কৰিবলৈ বহুতে চেষ্টা কৰি আছে সেয়ে গৃহমন্ত্ৰী ডাঙৰীয়াই আৰু অন্যান্য উচ্চ পৰ্য্যায়ৰ বিষয়া সকলে তৎকালীন ভাৱে এই ক্ষেত্ৰত ব্যৱস্থা লব লাগে। এই ঘটনাটোক সৰু ঘটনা বুলি নধৰি ইয়াক আৰু অন্য ঘটনাৰ পূৰ্ব্বাভাষ বুলি ধৰিবলৈ ওদালগুৰিৰ প্ৰতি চকু দিবলৈ অনুৰোধ কৰিলোঁ। আৰু মই যিটো ঘটনা অলপ আগতে উল্লেখ কৰিলো সেই ঘটনাত পুলিচ বিভাগে কিয় তেনে ধৰনৰ কাৰ্য্যপন্থা ললে তাক বিচাৰ কৰি ব্যৱস্থা নকৰিলে কি সেইটোৰ তদন্ত কৰিব বুলি আশা কৰিলোঁ।

উপাধ্যক্ষ মহোদয় মই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

**Mr Deputy Speaker :** Now Mr Altaf Hussain Mazumdar.

**Shri Altaf Hussain Mazumdar :** Mr Deputy Speaker, sir, I take the floor of the House to support the Cut Motion. At the outset, I must thank the Hon'ble Home Minister that at long last, after long pursuasion he has conceded to our demand to a certain extent and he has sent five number of political murder cases to C. B. I. I would suggest that other political murder cases should also be sent to C. B. I. This will add to the image of the Government and help restore confidence in the mind of the people that the Government means to act. But I must say that there is no law and order for a particular section of the people in the state. This fact cannot be excaped, cannot be avoided. This is an inevitable fact. As I have said the other day, I just repeat it, the image of the Government depends on the image of the Chief Minister and functions of the Home Minister and the Education Minister and particularly the Home Ministry is the eyes and ears of the Government. The Home Minister must have a clear vision and if there is lack of vision on the part of the Home Ministry then the whole Government is in jeopardy. If the Home Ministry is jaundiced then the whole Government is bound to be jaundiced. I do not like to castigate the whole police force. There are honest police officers and I congratulate those police officers who do not bend their knees to the persons in power for getting some favours or to please them. These police officers must be congratulated. Even today I

find that there are so many police officers who are not bending their knees. Sir, I will refer to few incidents and I would like to request the Home Minister that just for the sake of giving protection to police reject my words without impartial evenness. Sir, I will just refer to the incidents to show what is the law and order position today, how the police officers are behaving and they are jumping on the people of minority Communites, like mad dogs. Once an indication is given to the police officials that Government want that behaviours, then they will be encourged to do these illegal acts as stated. Sir, on 25th Fabruary, 1988 the officer-in-charge of Murajhar P. S. along with his staff and the In-charge of Debasthan outpost entered into the house of Moulavi Ala Uddin at about 7.30 P. M. The police dragged him out from his house; while he was busy performing the religious duties and beaten him mercilessly and asked him about Abdul Mannan. Then a pious man of Paschim Motdanga village was very badly beaten and abused in filthy language and his cap from the head was also removed forcibly and was threatened him to burn his beard also. Even the police intended to make water in his face. He is now under treatment of Dighaljhar State Dispensary. Then on 25th February, 1988 Nashir Uddin a student of Moudanga Madrassa, while he was reading in his lodging; the police called him out from his house at about 11 P. M. and asked him about Khalique. Then the police beaten him thoroughly and tortured him with in-human behaviour. The student concerned has taken medical treatment under the Local State Dispensary, Digaljhar. Again one Mrs. Renu Begum wife of Somir Uddin of the same village at about 11.30 P. M. was also misbehaved by the police. The police

officials entered into her house and thereby tortured h r physically. It is to be noted that Mrs Renu Begum gave birth of a baby only 15 days ago of the incident. She is also under medical treatment of a local doctor. Shri Arfaz Ali, an inhabitant of village Digaljhar about 80 years old man, while sleeping peacefully, at that time at about 12.30 A. M. on 26th February' 88 the police entered into his house by breaking through the doors and assaulted him sons namely Ashik Uddin, a student of Class IV, Alim Uddin, a student of Class III and Abdul Hannan: Then the police arrested Haji Arfiz Ali and has taken to the Debasthan outpost and thereby released him after taking his signature on a piece of blank paper on the 27th February. 1988 at about 10 A. M. Sir, a pregnant woman. named Rejia Begum of Borlawar village while sleeping in her house, at that time the police entered into her house by breaking the doors at about 2 P. M. at night and assaulted her physically first and then molested her striking, stroking, kissing and embracing. She is also under medical treatment of Digaljhar State Dispensary. I demand enquiry and punishment of Guilty Police officers. Sir, GORKHAS are equally Indian citizens. They are Assamese. You have given them the dignity of Swahid who fought along with you in the agitation. But even these people are harassed and persecuted. Sir, we want that foreigner should not allowed to stay in Assam. They must go. Even in my earlier speeches some years back I have said that no foreigner should be allowed to stay in Assam. Even today we stand by the Accord. Sir, even the Assamese Muslims are not spared from harassment. They are also harassed in the name of alleged

